নির্মল হালৈ মহাবিদ্যালয় মুখপত্র
২০০৭-০৮ বর্ষ, বিংশ তম্ সংখ্যা

# প্রাগ্‌জ্যোতি



সম্পাদক
দীপজ্যোতি শর্মা

# প্ৰাগ্‌জ্যোতি

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

বিংশ তম্ সংখ্যা

২০০৭-০৮ ইং চন

প্ৰাগ্‌জ্যোতি

আন্তৰিক শুভেচ্ছাৰে ...

প্ৰতি, ........................................................................

........................................................................

সম্পাদক

তত্বাৱধায়ক
কিশোৰ কুমাৰ শৰ্মা

সম্পাদক
দীপজ্যোতি শৰ্মা

Nirmal Haloi College Library, Patacharkuchi : Barpeta

*PRAGJYOTI : The Annual Publication of Nirmal Haloi College Student's Union, 20th Issue, Year - 2007-08. Published & Reserved by Nirmal Haloi College Union Patacharkuchi.*

## নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

### বিংশ তম্ সংখ্যা ২০০৭-০৮ ইং বৰ্ষ

### নিৰ্মল হালৈ মহাবিদ্যালয় প্ৰশাসনিক সমিতি

ড° মলয়া বৰ্মন (সভানেত্ৰী)
ড° বিৰেন্দ্ৰ ডেকা (সম্পাদক)
শ্ৰীজিতেন্দ্ৰ নাথ শৰ্মা (চৰকাৰৰ মনোনীত সদস্য)
শ্ৰীভাবিত চন্দ্ৰ হালৈ (দাতা সদস্য)
ড° গোলোকেশ্বৰ গোস্বামী (বিশ্ববিদ্যালয় মনোনীত সদস্য)
ড° ৰত্নেশ্বৰ শৰ্মা (বিশ্ববিদ্যালয় মনোনীত সদস্য)
শ্ৰীগনাৰাম বড়ো (অভিভাৱক সদস্য)
শ্ৰীমতী দ্বিপীকা ডেকা (মহিলা সদস্য)
শ্ৰীমানিক দাস (শিক্ষক সদস্য)
শ্ৰীপ্ৰণৱ দাস (শিক্ষক সদস্য)
শ্ৰীকণক চন্দ্ৰ গোস্বামী (সদস্য কৰ্মচাৰী গোট)

### —ঃ সম্পাদনা সমিতি ঃ—

সভাপতি ঃ ড° বিৰেন্দ্ৰ ডেকা
তত্বাবধায়ক ঃ কিশোৰ কুমাৰ শৰ্মা
সম্পাদক ঃ দীপজ্যোতি শৰ্মা
সদস্য/সদস্যা ঃ ঋদ্ৰ কলিতা
নৱনীতা কলিতা
ছাত্ৰ সদস্য ঃ ধনজিৎ গোস্বামী (সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা)
বিকাশ শৰ্মা
বেটুপাত ঃ মনজিৎ ৰাজখোৱা
বেটুপাতৰ কথা ঃ এন্ধাৰৰ পৰা পোহৰলৈ—বন্ধনৰ পৰা অসীমলৈ—মেলি দিলো দুহাত—
সমুখত ৰামধেনুৰ সাতোৰঙী—বৰ্নময় সপোনৰ—জ্যোতিপ্ৰপাত—
অংগসজ্জা ঃ সম্পাদক
আৰ্হিপাত শুধৰণি ঃ মুনীন চৌধুৰী
ডি.টি.পি, ছেটিং ঃ মৃদুল কলিতা
ছপা ঃ পূৱালী অফ্চেট প্ৰেছ, পাটাছাৰকুছি
কৃতজ্ঞতাৰ শৰাই ঃ সম্পাদনা সমিতি নিৰ্মল হালৈ মহাবিদ্যালয় আলোচনী বিভাগ। সমূহ শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী, লিখক-লিখিকা, ছাত্ৰ একতা সভা, কাৰ্যকৰী সমিতি, বৃহত্তৰ কলেজ পৰিয়াল আৰু আঞ্চলিক ৰাইজ
সম্পাদনা সমিতিৰ টোকা ঃ আলোচনীত প্ৰকাশিত লিখনিসমূহ প্ৰয়োজনৰ তাগিদাত সম্পাদনা সমিতিয়ে সাল-সলনি কৰিছে। কোনো লিখকে যদি আনৰ লিখনি নকল কৰিছে, আৰু আনৰ পৰা হুবহুভাৱে প্ৰকাশ কৰিছে, ই সম্পাদনা সমিতিৰ আগোচৰে কৰিছে; তাৰ বাবে সম্পাদনা সমিতি দায়ী নহয়। সমালোচনা আৰু মতামতো লিখকৰ নিজা।
ক্ষমা প্ৰাৰ্থনা ঃ সম্পাদনা সমিতিৰ অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

## :: শ্ৰদ্ধাঞ্জলি ::

যি সকল মহাত্মাই দেশমাতৃৰ শৃ-ঙ্খলিত শিকলি
আজোৰি, ছিঙি,
অসমীয়া জাতিৰ অস্তিত্ব আৰু মৰ্যাদা
ৰক্ষাৰ বাবে
হাঁহি হাঁহি নিজৰ জীৱনক
কৰিলে তুচ্ছ-জ্ঞান,
যি সকলৰ সংগবদ্ধ প্ৰচেষ্টাত
প্ৰগতিৰ গতি এৰি পাটাছাৰকুছি অঞ্চলত গঢ় লৈছিল
জ্ঞান আৰু প্ৰগতিৰ বোৱতী ধাৰ,
সেই সকল মহানবীৰ আৰু ধীমান্‌লৈ
নিবেদিছোঁ
"প্ৰাগজ্যোতি" সম্পাদনা সমিতিৰ তৰফৰ পৰা
শত সহস্ৰ প্ৰণাম

"প্ৰাগজ্যোতি" সম্পাদনা সমিতি।

## ঃঃ আমাৰ শ্ৰদ্ধাৰ্ঘ্য ঃঃ



শীলভদ্ৰ ওৰফে ৰেবতীমোহন দত্ত চৌধুৰী
জন্ম - ১৯২৪ চনৰ ১৮ ছেপ্তেম্বৰত (ধুবুৰী জিলাৰ গৌৰিপুৰত)
মৃত্যু - ২০০৮ চনৰ ২৯ ফেব্ৰুৱাৰী (গুৱাহাটী)



পদ্ম বৰকটকী দেৱ
জন্ম - ১৯২৬ চন (যোৰহাটৰ ৰাজহাউলীত)
মৃত্যু - ২০০৮ চনৰ ১১ মাৰ্চ (গুৱাহাটী)

অসমীয়া সাহিত্যজগতলৈ স্বৰ্ণীল অৱদান আগবঢ়াই যোৱা এই দুইগৰাকী সাহিত্য সাধকলৈ আমাৰ তৰফৰ পৰা নিবেদিছোঁ শ্ৰদ্ধাঞ্জলি...



অচ্যুত চন্দ্ৰ গোস্বামী
জন্ম - ১৯৩৮ চনৰ ২২ অক্টোবৰত
মৃত্যু - ২০০৮ চনৰ ৩১ জানুৱাৰী

পাটাছাৰকুছি বিদ্যাপীঠৰ সহকাৰী শিক্ষক আৰু নিৰ্মল হালৈ মহাবিদ্যালয়ৰ আৰম্ভণি কালত বুৰঞ্জী বিভাগত অবৈতনিক ভাবে পাঠদান কৰিছিল।


Prof. (Dr.) Amarjyoti Choudhury
Vice-Chancellor

☎ : + 91- 361- 2570412 (O)
Fax : + 91- 361- 2700311
GAUHATI UNIVERSITY
Gopinath Bardoloi Nagar
Guwahati - 781014
Assam : India


### Message

It gives me immense pleasure to learn that the Nirmal Haloi College Students' Union is going to publish its annual mouthpiece very soon.

I take the opportunity to convey my best wishes to all concerned for a grand success of their mission and hope the mouthpiece will contribute in augmenting the image of the institute.

Date : 19.03.2008

( Amarjyoti Choudhury )
Vice-Chancellor, G.U.

# আমি অভিনন্দন জ্ঞাপন কৰিছো




কলিকতা উচ্চ ন্যায়ালৰ প্ৰাক্তন ন্যায়াধীশ অজিত কুমাৰ নায়কৰ পৰা 'মাদাৰ টেৰেছা' বঁটা গ্ৰহণ কৰি পাটাছাৰকুছি অঞ্চললৈ গৌৰৱ কঢ়িয়াই অনা মুহূৰ্তত বিধায়িকা ড°মলয়া বৰ্মন। ড°বৰ্মন নিৰ্মল হালৈ মহাবিদ্যালয়ৰ প্ৰশাসনিক সমিতিৰো সভানেত্ৰী।



নিৰ্মল হালৈ মহাবিদ্যালয়, পাটাছাৰকুছিৰ অন্যতম প্ৰতিষ্ঠাতা জন্মলগ্নৰে পৰা যুটীয়া সম্পাদক প্ৰশাসনিক সমিতি গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিৰ্বাচিত সদস্য আৰু অসম চৰকাৰৰ মনোনীত সদস্য হিচাপে সূদীৰ্ঘ কাল সেৱা আগবঢ়োৱা বিশিষ্ঠ শিক্ষাবিদ পাটাছাৰকুছি বিদ্যাপীঠৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক মাননীয় শ্ৰীজীতেন্দ্ৰ নাথ শৰ্মা মাধ্যমিক শিক্ষা ক্ষেত্ৰত কৃতিত্ব পূৰ্ণ বৰঙণি আগবঢ়োৱাৰ স্বীকৃতি স্বৰূপে ১৯৮৯ চনত অসম চৰকাৰে কৃতী শিক্ষকৰ বঁটাৰে সন্মানিত কৰিছিল। শ্ৰদ্ধেয় শৰ্মা দেৱ সাহিত্য আৰু শিক্ষাৰ প্ৰতি অভূতপূৰ্ব সেৱা আগবঢ়োৱাৰ বাবে ২০০৮ চনৰ ১১ ফেব্ৰুৱাৰী পূণ্য পঞ্চমী তিথিত দিল্লীস্থ আন্তৰ্জাতিক শিক্ষা পৰিষদে তেখেতক 'ৰাষ্ট্ৰীয় বিদ্যা সৰস্বতী পুৰস্কাৰ' প্ৰদানেৰে সন্মানিত কৰাত আমি গৌৰৱ অনুভৱ কৰিছো আৰু তেখেতৰ আন্তৰিক অভিনন্দন জনাইছো। ভগৱানে শৰ্মা দেৱক শান্তিপূৰ্ণ দীৰ্ঘায়ু জীৱন প্ৰদান কৰক।




২০০৭-০৮ ইং বৰ্ষত গুৱাহাটীত অনুষ্ঠিত উত্তৰ পূৰ ক্ৰিড়া সমাৰোহত 'উছুত' স্বৰ্ণপদক জয়েৰে ভৰজিৎ চৌধুৰীয়ে আমাৰ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

# সা ক্ষা ৎ কা ৰ



বিশিষ্ঠ শিক্ষাবিদ একুৰি চাৰিখন শিক্ষা বিষয়ৰ পুথিৰ প্ৰণেতা লগতে এম.চি.ই.আৰ.টি. ৰে ৰাজ্যিক পুৰস্কাৰ প্ৰাপ্ত কৃতী শিক্ষক নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বীৰেন্দ্ৰ ডেকাৰ সৈতে এক অন্তৰংগ আলাপ।

**কিশোৰ কুমাৰ শৰ্মা ঃ** ছাৰ, নমস্কাৰ।

**অধ্যক্ষ ঃ** নমস্কাৰ।

**কিশোৰ কুমাৰ শৰ্মা ঃ** বৰ্তমান অসমৰ উচ্চ-শিক্ষাৰ ক্ষেত্ৰত আপুনি সু-পৰিচিত। বিশেষকৈ 'শিক্ষা বিষয়ত' আপোনাৰ অৱদান অনবদ্য। আপোনাৰ শিক্ষা জীৱনৰ বিষয়ে আমাক অলপ জনাব নেকি?

**অধ্যক্ষ ঃ** মই শিক্ষা বিষয়টোক উচ্চশিক্ষা লাভৰ ক্ষেত্ৰলৈ আগবঢ়াৰ প্ৰাৰম্ভনিতে গ্ৰহণ কৰি লৈছিলো। বিষয়টো সম্বন্ধে মোৰ সেইসময়ত কোনো জ্ঞান নাছিল। বিষয়টো ৰসাল নহয় যদিও জীৱনৰ বাবে অতি প্ৰয়োজনীয় আছিল সেয়েহে কেন্দ্ৰীয় বিষয় হিচাপে লৈ পঢ়ি গৈছিলো। শিক্ষা বিষয়টো সেই সময়ত ল'ৰাই পঢ়িব বিচৰা নাছিল। শ্ৰেণীত ল'ৰা মইয়ে আছিলো বাকী সন্মানবিষয়ৰ শিক্ষাৰ্থীখিনি ছাত্ৰী আছিল। বিষয়টো পঢ়ি মই যথেষ্টভাৱে উপকৃত হৈছো আৰু মোৰ জীৱন-ধাৰাৰ সংগী হৈ পৰিছিল। শিক্ষা বিষয়ত বৰ্ত্তমানলৈ মই একুৰি চাৰিখন সাধাৰণ পুথি প্ৰনয়ন কৰিছো। মই কৰিহে গৈছো,এইখিনি অৱদান হয়নে নহয় সেইটো পঢুৱৈ সমাজৰ বিচাৰ্য।

**কিশোৰ কুমাৰ শৰ্মা ঃ** অসমত উচ্চ শিক্ষাৰ বৰ্তমানৰ অৱস্থাকলৈ আপুনি সন্তুষ্টনে?

**অধ্যক্ষ ঃ** মোৰ অসনন্তুষ্টিৰ কোনো কাৰণ নাই। উচ্চশিক্ষাৰ ক্ষেত্ৰখনলৈ নতুন নতুন Avenues আহি আছে। আমাৰ শিক্ষাৰ্থী সকলে সেই Avenues বোৰৰ লগত চিনাকি হৈ অগ্ৰসৰ হ'ব লাগিব। বৰ্ত্তমান পিচলৈ চোৱাৰ সময় নাই। পথৰ সন্ধান লৈ দৌৰিব লাগিব নিশ্চিত লক্ষ্যত উপনীত হোৱাৰ বাবে যুগ আৰু সময়ৰ প্ৰত্যাহ্বানৰ লগত যোৰ মাৰিবলৈ যত্নপৰ হ'ব লাগিব।

**কিশোৰ কুমাৰ শৰ্মা ঃ** আপোনাৰ ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে অলপ জনাওঁক।

**অধ্যক্ষ ঃ** মই ভৱিষ্যতৰ বাবে বিশেষভাৱে পৰিকল্পনা নকৰো। বৰ্ত্তমান মোৰ সন্মুখত পৰা সকলো দিশক চালি-জাৰি চোৱাটোহে মোৰ কাম। সেয়েহে মই Motto হিচাপে লৈছো 'Progress is the activity of today and Assurance for tomorrow".

**কিশোৰ কুমাৰ শৰ্মা ঃ** নিঃ হাঃ মহাবিদ্যালয়ত অধ্যক্ষৰ দায়ীত্ব যে আপুনি এই মহাবিদ্যালয়ৰ বহুতো উন্নয়মূলক কাৰ্য সমাপন কৰিছে। এই মহাবিদ্যালয়খন অসমৰ অন্যতম উচ্চ-শিক্ষাৰ স্থল হিচাপে গঢ়িবলৈ কেনেকুৱা পদক্ষেপ লোৱা উচিত বুলি আপুনি ভাবে?

**অধ্যক্ষ ঃ** মই মোৰ জীৱনত যেনেকুৱা কাৰ্যক্ষেত্ৰৰ কল্পনা কৰিছিলো তেনেকুৱা কৰ্মক্ষেত্ৰ মই পাইছো। উন্নয়নমূলক কামৰ গতি প্ৰৱাহিত হৈয়ে আছিল মাত্ৰ মই সেই গতি বন্ধ নোহোৱাৰ পৰিকল্পনাহে কৰিছো আমাৰ মহাবিদ্যালয়খন বৈশিষ্ট্যপূৰ্ণ কৰি তোলাৰ প্ৰয়াস কৰাহৈছে। শিক্ষক, কৰ্মচাৰী, প্ৰশাসন গোষ্ঠী, পাটাছাৰকুছিৰ সমাজখন, বৰেণ্য ব্যক্তি সকল আৰু শিক্ষাৰ্থী সকলৰ সহায়-সহযোগ অবিহনে উৎকৃষ্ট স্থান হিচাপে মহাবিদ্যালয়খনক প্ৰতিস্থিত কৰিব পৰা নাযাব। সেয়েহে মাৰবান্ধি কৰ্মক্ষেত্ৰত অগ্ৰসৰ হ'লে আমি নিশ্চিত লক্ষ্যত উপনীত হ'ব পাৰিম।

**কিশোৰ কুমাৰ শৰ্মা ঃ** K.K. Handique state open university আৰু IGNOU ৰ study centre অক লৈ আপুনি আশাবাদীনে?

**অধ্যক্ষ ঃ** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰক লৈ আমি আশাবাদী। ইয়াৰ মাধ্যমেৰে আমাৰ সমাজখনে সহজে New Avenues ত সোমাই পৰিব পাৰিব। ইন্দিৰাগান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ে (IGNOW)আমাৰ মহাবিদ্যালয়খনক অংশীদাৰী প্ৰতিষ্ঠান হিচাপে (Partuer Institute) স্বীকৃতি প্ৰদান কৰিছে। এইটো এটা ঐতিহাসিক সাফল্যতা আমাৰ মহাবিদ্যালয়ৰ বাবে। আমি নিৰ্বাচন কৰি লোৱা বিষয়বোৰৰ প্ৰতি শিকাৰুসকলে আগ্ৰহান্বিত হ'ব লাগিব। বিশ্ববিদ্যালয়খনে সমাজৰ সকলোৱে যাতে সমানে সুবিধা পায় তাৰ ব্যৱস্থা কৰিবলৈ বিছাৰিছে।

# সম্পাদকীয়



"বিশ্ব বিজয়ী নৱ জোৱান
বিশ্ব বিজয়ী নৱ জোৱান
শক্তিশালী ভাৰতৰ
ওলাই আঁহা, ওলাই আঁহা
সন্তান তুমি বিপ্লৱৰ।"

-ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা

প্ৰথিতযশা সাহিত্যিক শীলভদ্ৰ ওৰফে ৰেবতীমোহন দত্ত চৌধুৰী আৰু সাহিত্যিক-সাংবাদিক পদ্ম বৰকটকীদেৱক অলপতে আমি হেৰুৱালো। জাতীয় সাহিত্য তথা জাতীয় জীৱনৰ বাবে এই দুই প্ৰতিভাৰ মৃত্যু অপূৰণীয় ক্ষতি। আমাৰ প্ৰতিবেদনৰ মুখবন্ধতে দুয়োজন পুণ্যশ্লোক পুৰুষলৈ শ্ৰদ্ধাঞ্জলি নিৱেদন কৰিলো। তদুপৰি বিগত সময়ছোৱাত দেশ, জাতি আৰু সমাজৰ স্বাৰ্থত প্ৰাণ আহুতি দিয়া জ্ঞাত-অজ্ঞাত প্ৰতিজন লোকলৈ শ্ৰদ্ধা জনালো।

পলকতে বজালীৰ শিক্ষা ঃ বৃহত্তৰ বজালী অঞ্চলৰ শৈক্ষিক ঐতিহ্য সকলোৰে জ্ঞাত। আধুনিক শিক্ষাই প্ৰসাৰ আৰু বিকাশ লাভ নকৰা সময়ত 'সংস্কৃত টোল' ব্যৱস্থাৰ সৈতে এই অঞ্চলৰ জনসমাজ অভ্যস্ত হৈ পৰিছিল। গুৰুকূল শিক্ষাই সাৰ্বজনীন স্তৰ লাভ নকৰাটো সত্য যদিও সামগ্ৰিকভাৱে সমাজৰ উন্নয়নত অৰিহণা যোগাইছিল। উনবিংশ শতিকাৰ শেষৰ ফালে এই বৃহত্তৰ অঞ্চলটোৰ মধ্যমস্থল চৌখুটীত স্থাপন হৈছিল 'বঙলা মাধ্যম'ৰ বিদ্যালয়। সমাজৰ এটা বিশেষ অংশই এই বিদ্যালয়ৰ সতে সংযোগ ৰক্ষা কৰিছিল যদিও বৃহত্তৰ অঞ্চলটোৰ সামাজিক জীৱনক ই প্ৰভাৱিত কৰা নাছিল। কুৰি শতিকাৰ প্ৰথম দশকত বৰপেটা মহকুমাৰ মহকুমাধিপতি আছিল অসমীয়া সমাজৰ অন্যতম কাণ্ডাৰী প্ৰত্নতত্ত্ববিদ কনকলাল বৰুৱা। তেওঁৰ দিনতে চৌখুটীত অৱস্থিত লোকেল বৰ্ডৰ দ্বাৰাই পৰিচালিত মধ্য ইংৰাজী স্কুলখন স্থানীয় ৰাইজৰ সহযোগত ১৯০৯ চনত পূণ্যভুমি পাটাছাৰকুছিলৈ স্থানান্তৰ কৰা হয়। ইতিমধ্যে ১৯০৫ চনত শিক্ষাৰ মাধ্যম বঙলাৰ ঠাইত অসমীয়া কৰা হয়। পাটাছাৰকুছিত স্থাপনৰ সময়ত এই বিদ্যালয়ৰ মাধ্যম আছিল অসমীয়া। সেই অৰ্থত ক'বলৈ গ'লে বজালী অঞ্চলৰ আধুনিক শিক্ষাৰ মূল ভেটিটো পাটাছাৰকুছিতেই স্থাপন হোৱা বুলি আমি নিৰ্দ্বিধায় ক'ব পাৰো। পৰবৰ্তী সময়ৰ শৈক্ষিক আন্দোলনৰ সম্ভেদ সকলোৱে কম বেছি পায় বুলি আমি জানো। সেই সময়ত নামনি সময়ৰ শৈক্ষিক অগ্ৰগতিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল নলবাৰীৰ গৰ্ডন হাইস্কুলে। এসময়ত সেই বিদ্যালয়ে অভিধা লাভ কৰিছিল 'হেডমাষ্টৰ তৈয়াৰ কৰা কাৰখানা' বুলি। নামনি অসমৰ বহু সংখ্যক বিদ্যালয়ে হেডমাষ্টৰ ৰূপে আমন্ত্ৰণ কৰি আনিছিল এই বিদ্যালয়ৰ সহকাৰী শিক্ষকসকলক। কিন্তু এইক্ষেত্ৰত ব্যতিক্ৰম আছিল পাটাছাৰকুছি। ১৯৩৫ চনত হৰেন্দ্ৰ নাথ শৰ্মা দেৱে পাটাছাৰকুছি বিদ্যাপীঠ স্থাপন কৰিছিল। বৰেণ্য সাহিত্যিক, শিক্ষাবিদ হৰেন্দ্ৰ নাথ শৰ্মাই বহু সুযোগ-সুবিধা তথা চৰকাৰী পদবী লাভ কৰিবলৈ সমৰ্থ হ'লহেতেন; পিছে সেইবোৰক প্ৰত্যাখ্যান কৰি তেওঁ শৈক্ষিক উন্নয়নৰ বাবে জীৱনৰ প্ৰতিটো মুহূৰ্তক ব্যৱহাৰ কৰিছিল। তেওঁৰ দৰে পূজ্য লোকৰ আদৰ্শৰে দীক্ষিত পাটাছাৰকুছিৰ ৰাইজে এদিন আমাৰ অতি মৰমৰ নিৰ্মল হালৈ মহাবিদ্যালয়খনৰ জন্ম দিয়ে। এই মহাবিদ্যালয়ৰ পৰিকাঠামোই পূৰ্ণতা লাভ কৰিছে বুলি আমি নকওঁ। তৎসত্বেও শৈক্ষিক ক্ষেত্ৰখনত যে ই মহৎ বৰঙণি যোগাইছে সেই কথা গৌৰৱেৰে ক'ব পাৰো।

পৰিবৰ্তিত সময়, সমাজ আৰু ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব ঃ অতীত আমাৰ ঐতিহ্য। ইয়াক পাহৰিলে, পৰিহাৰ কৰিলে মূলোচ্ছেদ হ'ম। আনহাতে বৰ্তমানক গ্ৰহণ নকৰিলে আমি নিমজ্জিত হ'ম অন্ধকাৰত। সেয়ে অতীতৰ স্মৃতি হিয়াত প্ৰেথিত কৰি বৰ্তমানৰ সতে অভ্যস্ত হ'ব পৰাটোৱেই সৰ্বোত্তম পন্থা। বিশ্বায়ন যুগৰ বাসিন্দা আমি। পৃথিৱী জুৰি অভূতপূৰ্ব পৰিৱৰ্তন আৰম্ভ হৈছে। এই পৰিৱৰ্তনৰ অংশীদাৰ আমি হ'বই লাগিব। আধুনিক জীৱন যাত্ৰাই আমাৰ মনোজগত পৰিৱৰ্তন সাধন কৰিছে। সহজলভ্য হৈ পৰিছে বিজ্ঞানৰ ন ন আৱিষ্কাৰসমূহ। ঔদ্যোগিক বাণিজ্যিক পৰিৱৰ্তনৰ সমান্তৰালে সলনি হৈছে শৈক্ষিক ক্ষেত্ৰখনৰ। এটা সময়ত জ্ঞানান্বেষণৰ শিক্ষাৰ মূল লক্ষ্য আছিল। আজি এই জ্ঞানান্বেষণৰ সতে মুক্ত হৈছে জীৱন যাত্ৰা আৰু জীৱন প্ৰণালী। ফলস্বৰূপে বৃত্তিমুখী শিক্ষাৰ গুৰুত্ব



# সম্পাদকীয়

বৃদ্ধি পাইছে অভূতপূৰ্বভাৱে। আনহাতে এনে শিক্ষাই আমাৰ নৱপ্ৰজন্মৰ আত্ম সংস্থাপনৰ পথো প্ৰশস্ত কৰিছে। সেয়েহে আমাৰ অতিকৈ মৰমৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলক পৰিৱৰ্তনৰ সতে সমানে আগবাঢ়ি যাবৰ বাবে সাজু হ'বলৈ মই এই প্ৰতিবেদনযোগে অনুৰোধ জনালো। পৰিৱৰ্তন প্ৰসঙ্গ ওলোৱাৰ লগে লগে এযাৰ কথা উল্লেখ কৰিবলৈ মন মেলিছো। আমি প্ৰত্যেকে দেখিছো মহাবিদ্যালয়ৰ সম্মুখত চলি আছে নতুন পথ নিৰ্মাণৰ কাম। চাৰিলেনযুক্ত এই পথে পশ্চিম গুজৰাট আৰু পূবে শিলচৰক সংযোগ কৰিব। আনহাতে এই পথটো পশ্চিমে পাকিস্তান, আফগানিস্তান হৈ মধ্য প্ৰাচ্য পাবগৈ। পূবে পথটোৱে অতিক্ৰম কৰিব ম্যানমাৰ, থাইলেণ্ড ভিয়েৎনাম, ইণ্ডোনেছিয়া। পৃথিৱীৰ অন্যতম সৰ্বদৈৰ্ঘ্যৰ এই পথে আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক বাণিজ্যিক প্ৰতিচ্ছবিখনৰ সম্পূৰ্ণ পৰিবৰ্তন সাধন কৰিব বুলি ইতিমধ্যে ভৱিষ্যতবাণী কৰিছে অৰ্থনীতিবিদসকলে। ইয়াৰ ফলত অসমৰ নতুন প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ আহিব। সেয়েহে আমি প্ৰত্যেকে পৰিস্থিতিৰ সতে খোজত খোজ মিলাই আগুৱাব লাগে। তদুপৰি পৰিৱৰ্তনে যাতে আমাক অন্ধ নকৰে তালৈকো মনোযোগ দিব লাগে প্ৰতি মুহূৰ্ততে। অৰ্থাৎ আমাৰ সমাজ জীৱনৰ সনাতনী মূল্যবোধক অক্ষুণ্ণ ৰাখিহে আমি বিশ্বজোৰা পৰিৱৰ্তনৰ অংশীদাৰ হ'ব লাগিব। ইয়াৰ অৰ্থ হ'ল সোঁতত উটি নগৈ সোঁতৰ সৈতে অভ্যস্ত হোৱা।

প্ৰাগজ্যোতি প্ৰসংগত ঃ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনী প্ৰতিভা বিকাশৰ মাধ্যম প্ৰাগ্‌জ্যোতি। হাজাৰ সম্ভাৱনা সুপ্ত হৈ আছে আমাৰ প্ৰত্যেকৰে মাজত। এই প্ৰতিভা বিকশিত কৰাৰ প্ৰথম সুযোগকণ আমি পাব পাৰো এইখন আলোচনীৰ জৰিয়তে। অৰ্থই একমাত্ৰ পথ নহয়। মনোজগত সম্পূৰ্ণ সুকীয়া বস্তু। আমাৰ মনোজগতে বিচৰা দিগন্তৰ সন্ধান দিয়াৰ উদ্দেশ্যেই প্ৰাগ্‌জ্যোতিৰ জন্ম হৈছিল। আনহাতে সৃষ্টি প্ৰতিভায়ো আমাক জীৱনৰ মাৰ্গ দৰ্শনত সহায় কৰিব পাৰে। এই সংখ্যা প্ৰাগ্‌জ্যোতিৰ যুগুত কৰি উলিওৱাৰ সময়ত আমি আমাৰ বন্ধু-বান্ধৱী তথা অগ্ৰজসকলৰ প্ৰতিভাৰ দিশটোক সৰ্বাধিক মনোযোগ দিছো। এই দিশত কিমানখিনি সফল হৈছো তাক নিৰ্ণয় কৰাৰ দায়িত্ব আপোনালোকৰ ওপৰত। নতুন প্ৰজন্মৰ প্ৰত্যেকৰে আপোন কবি নীলিম কুমাৰৰ 'আচিনাৰ অসুখ' আৰু প্ৰণৱ কুমাৰ বৰ্মনৰ ইমৰোজ- তিনিচুকীয়াৰসমান দীঘল অ'ভাৰব্ৰীজেদি' নামৰ কবিতা দুটা আমি ইয়াত পুনৰ মুদ্ৰণ কৰিছো কবি দুজনৰ অনুমতি ক্ৰমে। প্ৰতিষ্ঠিত উপন্যাসিকা তথা সাদিন কাকতৰ সম্পাদক অনুৰাধা শৰ্মা পূজাৰীয়ে নানা ব্যস্ততাৰ মাজতো আমাৰ সতে এক সাক্ষাৎকাৰত মিলিত হৈছিল। তেখেতৰ সাৰুৱা মন্তব্য আৰু অভিজ্ঞতা সমূহে প্ৰত্যেককে উপকৃত কৰিব বুলি অনুভৱ কৰিছো আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰবক্তা কিশোৰ মোহন ভট্টাচাৰ্যৰ 'সময়, প্ৰেম ইত্যাদি শক্তি'প্ৰবন্ধটো আৰু সৌৰভ কুমাৰ ক্ষত্ৰিয়ৰ চলচ্চিত্ৰৰ গল্প 'অ-প্ৰাপ্তিৰ বেদনা' আমি ইয়াত মুদ্ৰণ কৰি উলিয়াইছো । আলোচনীখনৰ সম্পাদনাৰ ক্ষেত্ৰত সকলো সময়তে দিহা পৰামৰ্শ আগবঢ়াইছে মাননীয় অধ্যক্ষ ড° বীৰেন্দ্ৰ নাথ ডেকাদেৱে তত্বাবধায়ক কিশোৰ কুমাৰ শৰ্মাই সকলো সময়তে কামৰ অগ্ৰগতিৰ বুজ লৈছে। তদুপৰি অধ্যাপক -অধ্যাপিকাসকল ক্ৰমে ৰুদ্ৰ কলিতা, নৱনীতা কলিতা আদিয়েও আমাক দিহা পৰামৰ্শ আগবঢ়াইছে। তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলক সহায় সহযোগিতা আগবঢ়াইছে আলোচনীখনৰ সম্পাদনাৰ ক্ষেত্ৰত। আনহাতে পাটাছাৰকুছিৰ পূৱালী অফচেটৰ স্বত্বাধিকাৰ অংকুৰ দেৱ চৌধুৰী আৰু কৰ্মচাৰী বৃন্দৰ ত্যাগ আৰু কষ্টৰ শলাগ নল'লেও আমাক দোষে চুব।

আলোচনীখন সকলোৱে সহৃদয়তাৰে গ্ৰহণ কৰিব বুলি আত্মিকভাবে আশা ৰাখি সম্পাদকীয় প্ৰতিবেদনৰ মোখনি মাৰিছো হেনৰী ফ'ৰ্ডৰ এষাৰি সোণসেৰীয়া কথাৰে-

*"Coming together is a beginning;*
*Keeping together is a progress;*
*Working together is a success."*

সম্পাদক
দীপজ্যোতি শৰ্মা
'নিৰ্মল হালৈ মহাবিদ্যালয়'

# অনুক্ৰমণিকা


## প্ৰবন্ধ শিতান -

| | | |
|---|---|---|
| সময় প্ৰেম ইত্যাদি শক্তি | কিশোৰ মোহন ভট্টাচাৰ্য | ১ |
| অ-প্ৰাপ্তিৰ বেদনা | সৌৰভ কুমাৰ ক্ষত্ৰিয় | ৩ |
| বঙলা সাহিত্যৰ অন্যতম কথাশিল্পী মানিক বন্দোপধ্যায় | নৱনিতা কলিতা | ৬ |
| অসমীয়া কবিতাৰ মানৱতাবাদ | ৰুদ্ৰ কলিতা | ৯ |
| ৰজালীৰ তাম্ৰ শাসনৰ এক নতুন সংযোজনা | তৰুণ চন্দ্ৰ ভাগৱতী | ১২ |
| কথাশিল্পী শিলভদ্ৰ আৰু তেওঁৰ মুখপাঠ্য আঞ্চলিক উপন্যাস 'মধুপুৰ' এক আলোচনা | মনোজ কুমাৰ শৰ্মা | ১৪ |
| আয়ুৰ্বেদ | বিনীমা পাটগিৰি | ১৭ |
| ধৰণী যেতিয়া কপি উঠে | অংকিতা দেৱী | ১৮ |
| ৰহস্যবাদী কবি নলিনীবালা দেৱীৰ জীৱন দৰ্শন | মুনমি আহমেদ | ২০ |
| সাম্প্ৰতিক সময়ত নাৰীৰ ভূমিকা | ৰূপাঞ্জলী ডেকা | ২২ |
| মাদাৰ টেৰেছা | লাৱণ্য কলিতা | ২৩ |
| বন্ধুত্বৰ অনুভূতি | অনুপ কলিতা | ২৫ |
| সাক্ষাৎকাৰ, অনুৰাধা শৰ্মা পূজাৰীৰ লগত দীপজ্যোতি শৰ্মা | | ২৬ |

## গল্প শিতান -

| | | |
|---|---|---|
| গ্ৰহণ | সদানন্দ দাস | ২৯ |
| প্ৰতিশ্ৰুতি | দিগন্ত হালৈ | ৩১ |
| স্মৃতিৰ বিষাদ | নিৰু হালৈ | ৩৩ |
| স্নেহাৰ অৱান্তৰ সপোন | মৌচুমী ডেকা | ৩৫ |
| ভুল | মৃদুলা দাস | ৩৮ |
| পাৰ্থক্য | মহিত ৰাভা | ৪০ |

## কবিতা -

| | | |
|---|---|---|
| আচিনাৰ অসুখ | নীলিম কুমাৰ | ৪৩ |
| ইমৰোজ তিনিচুকীয়াৰ সমান দীঘল অ'ভাৰব্ৰীজেদি | প্ৰণৱ কুমাৰ বৰ্মন | ৪৪ |
| আঘোণৰ পথাৰ | চন্দামিতা দেৱী | ৪৫ |
| আঘোণৰ পথাৰ | গণেশ কলিতা | ৪৫ |
| মৌনতা | দিপাংকৰ দাস | ৪৬ |
| সময় | দীপজ্যোতি শৰ্মা | ৪৬ |
| আশা | অৰূপ কলিতা | ৪৬ |
| শৰৎ এতিয়াও তেনেকৈয়ে আহেনে | সুৰঞ্জিতা গোস্বামী | ৪৭ |
| তুমি আকৌ আহিবানে | গুণিন কলিতা | ৪৭ |
| জোনাক ৰাতি | মিণ্টু কলিতা | ৪৭ |
| এখন ছবি দেখি | জগদীশ কলিতা | ৪৮ |
| মহাবিদ্যালয় | দীপাঞ্জলী ৰয় | ৪৮ |
| বিষাদ | গীতুমনি তালুকদাৰ | ৪৮ |
| নাৰী | অৰ্চনা কলিতা | ৪৯ |
| তোমাক হেৰুওৱা বেদনাত | মিজানুৰ ৰহমান | ৪৯ |
| মই এটা কবিতা লিখিম | দিগন্ত হালৈ | ৪৯ |
| শিল্পী | টিনা ডেকা | ৫০ |
| নাৰী | বিম্পি গোস্বামী | ৫০ |

## English Section -

| | | |
|---|---|---|
| The myth and O'Neill's Plays | Kishore Kr. Sarma | ৫১ |
| Dickens and Thackeray as a Novelist | Nirmali Mahanta Choudhury | ৫৩ |
| Role of Libraries and Informsation Centres in Modern Society | Kushal Das | ৫৬ |
| John Milton (1608-74) A Poetic Genius | Bikash Sarma | ৫৮ |
| প্ৰাগজ্যোতি সম্পাদনা সমিতিৰ সদস্য সকল | | ৬১ |
| ২০০৭-০৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ তত্বাৱধায়কসকল | | ৬২ |
| ২০০৭-০৮ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল | | ৬৩ |
| প্ৰতিবেদন | | ৬৪-৭০ |
| Annual Games Report | | ৭১-৭২ |




প্ৰবন্ধ শিতান...



# সময়, প্ৰেম ইত্যাদি শক্তি


কিশোৰ মোহন ভট্টাচাৰ্য

অধ্যাপক,গুৱাহাটী বিশ্ববিদ্যালয়, বুৰঞ্জী বিভাগ


মানুহ চিৰন্তন প্ৰেমৰ উপাসক। ভাৱ-বিন্যাসৰ সৰল অথবা বক্ৰ ৰেখাৰে জীৱনৰ ক্ষণস্থায়ী মধুৰ স্মৃতি আগুৱাই যায়, অথচ অসহায় পৰিবেশতো যে আনুভূতিক শব্দ অথবা স্পৰ্শ প্ৰেমলৈ ৰূপান্তৰিত হ'ব পাৰে। আচলতে প্ৰেম শব্দৰ অৰ্থনো কি? দাৰ্শনিক, সাহিত্যিক, বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা প্ৰেমৰ অৰ্থ সুকীয়া সুকীয়া। জীৱনৰ বাটত যিবোৰ ক্ষেত্ৰত ভুল হোৱা দেখা যায, সেই ক্ষেত্ৰবোৰৰ ভিতৰত প্ৰেমৰ ক্ষেত্ৰখনো অন্যতম। প্ৰেমৰ ক্ষেত্ৰত ভুল বুলি জীৱনৰ বাটত বিশেষ একো কথা নাই। ভুল যে অভিজ্ঞতা সঞ্চয়ৰ প্ৰথম চৰ্ত। অৱশ্যে সকলো ভুলকে অভিজ্ঞতাৰ শিপা বুলি ক'ব পৰা নাযায়।

সৃষ্টিশীল সপোন এটাৰ আঁত ধৰি সময় আৰু চিন্তাৰ ঢৌৱে জীপাল কৰে আমাৰ প্ৰেমৰ তৃষ্ণা, প্ৰেৰণাৰ সেউজ উপত্যকা। সময়ৰ সোঁতত ক্ৰমাৎ ক্ষিপ্ৰ হৈ পৰা সমাজখন, সামাজিক সোঁত আৰু ৰূপান্তৰিত প্ৰেমৰ অৰ্থ অসমাপ্ত যেন লাগে। হয়তো সেই কাৰণে সময়ত সকলো সুস্থিৰ হৈ পৰিলেও বুকুৰ মাজত জ্বলি থকা জুই, পেটত জ্বলি থকা ভোক, চকুত জ্বলি থকা সপোন ইত্যাদি কেতিয়াও সফল নহয়। আচলতে প্ৰেমৰ ক্ষেত্ৰত সফলতাৰ সংজ্ঞা কোনে নিৰূপণ কৰে? এই কথাখিনি এনেকৈয়ে ক'ব পৰা যায় যে বয়স অনুপাতে শক্তি প্ৰকাশৰ ভংগী সুকীয়া সুকীয়া, প্ৰেম প্ৰকাশৰ দৃষ্টিভংগীও সুকীয়া সুকীয়া।

এটা নিৰ্দিষ্ট বয়সত মানুহে সপোন দেখিবলৈ আৰম্ভ কৰে। ডেকা-গাভৰুৱে সপোন দেখিলে জ্যেষ্ঠসকলে মানসিক উৎকৰ্ষ সাধনৰ বাটত কেতিয়াবা হেঙাৰৰূপে দেখা দিয়ে কাৰণ সমস্যাই সৃষ্টি কৰে সপোন, সপোনে সৃষ্টি নকৰে সমস্যা। পাৰস্পৰিক সন্দেহ, অবিশ্বাস আৰু ভুল বুজাবুজিৰ কাৰণে যৌৱনৰ বহু স্মৃতি যে চকুলোৰে ধোৱা। আমি কি কৰিম? আমি কেনেকৈ সামাজিকভাৱে সফল হ'ম? ইত্যাদি প্ৰশ্নৰ সমিধান কাৰ হাতত আছে নাজানো। সমস্যাই ভাৰাক্ৰান্ত কৰা জীৱনৰ মধুৰ দুপৰীয়া আমি কাৰ আদৰ্শ গ্ৰহণ কৰিম? আচলতে এটা আদৰ্শৰ পৰা কেনেকৈ জন্ম হ'ব পাৰে শক্তি আৰু প্ৰেম..., প্ৰেম অথবা শক্তি! সময় আৰু শক্তি আমাৰ বিভিন্ন প্ৰশ্নৰ সমিধান কোনে দিব পাৰে, আমি নাজানো। সমস্যাই ভাৰাক্ৰান্ত কৰা জীৱনৰ মধুৰ দুপৰীয়া আমি যে মোহাচ্ছন্ন হৈ আছোঁ কিছুমান অগতানুগতিক, কিছুমান অ-প্ৰাসঙ্গিক বিষয়ত। এতিয়া আমাৰ সন্মুখত, মানে আমাৰ ন-প্ৰজন্মৰ সন্মুখত দুটা বাট। এটা বাটেৰে আগ বাঢ়ি গ'লে আমাৰ বাবে ৰৈ আছে প্ৰয়োজন সাপেক্ষে সদাগৰী পথ-প্ৰদৰ্শক, আনটো বাটেৰে আগ বাঢ়ি গ'লে আমি লগ পাম শান্তিপ্ৰয়াসী প্ৰেমৰ নিৰ্মোহ উপাসক! এজন শিল্পী, এজন গায়ক, এজন সাহিত্যিক হোৱাৰ বাসনাই এতিয়া নতুন প্ৰজন্মৰ সৃষ্টি প্ৰতিভা নিৰূপণ নকৰে। কাৰণ কষ্টোপাৰ্জিত শাৰীৰিক আৰু মানসিক শ্ৰমৰ মৰ্যাদা দিবলৈ আমাৰ মাজত কোনো নাই, মানে পৃষ্ঠপোষকৰ অভাৱ। কষ্টোপাৰ্জিত মানসিক শান্তিৰ কাৰণে জীৱনৰ বাটত অপেক্ষাৰ মাত্ৰা যে বৰ দীঘলীয়া। হয়তো সেইকাৰণে আমাৰ নতুন প্ৰজন্মৰ বুকুত মৃত্যুৰ ৰঙীণ ভাবনা আৰু শান্তিৰ প্ৰস্তাৱনাই কচৰৎ কৰে, খেলিমেলিৰ সৃষ্টি কৰে, আনকি ভাৰাসাম্যহীন মানসিক অৱস্থাৰ সৃষ্টি কৰি আত্মহত্যাৰ পথ প্ৰশস্ত কৰে! আত্মহত্যাই জীৱনৰ সকলো প্ৰশ্নৰ সমাধান দিব নোৱাৰে। এটাও প্ৰশ্নৰ উন্মোচন কৰিব নোৱাৰা, এটাও সমাধানৰ উন্মেষ ঘটাব নোৱাৰা আত্মহত্যাৰ দৰে ভাব ন-প্ৰজন্মই মনলৈ অনা অনুচিত কাৰণ শাৰীৰিকভাৱে জীৱিত হৈয়ো পৃথিৱীৰ সৰহ সংখ্যকলোকে মানসিকভাৱে মৃত হৈ প্ৰেমৰ বাটত উপেক্ষিত হৈ অগণন শান্তিকামী লোকৰ আদৰ্শ গ্ৰহণ কৰিছে। শান্তি আহে মনত, শান্তিনাহে শৰীৰত অথবা আমাৰ পৰিকল্পনাত।

বিজ্ঞানসন্মত দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ আমাৰ

অভিভাৱকসকলে, শিক্ষাগুৰুসকলে ন-প্ৰজন্মক প্ৰেৰণা দিয়া উচিত কাৰণ শতিকাৰ এলান্ধু আঁতৰাই যুগৰ বাটত খাপ খাই আগ বাঢ়ি যাবলৈ হ'লে বিজ্ঞানসন্মত দৃষ্টিভংগীৰ অতীব প্ৰয়োজন। বিজ্ঞানসন্মত দৃষ্টিভংগী বুলি ক'বলৈ যাওঁতে আমাৰ মনত পৰে পুৰাতন সাহিত্য সংস্কৃতিৰ ভেটিত গঢ় লৈ উঠা প্ৰেম, শক্তি আৰু চিন্তাৰ উত্তৰণৰ কথা। দেশপ্ৰেমৰ প্ৰভাৱ যে অতুলনীয় আৰু দেশপ্ৰেমেৰে যে জীৱনৰ সকলো শক্তিৰ উত্তৰণ ঘটাব পাৰি, এই কথা ন-প্ৰজন্মই বিশ্লেষণ কৰা উচিত। এটা সপোনৰ সন্ধানত এখন উপন্যাসৰ নায়কৰ দৰে বাস্তৱ জীৱনৰ প্ৰতিটো পল-অনুপলেই এটা সময়ত মধুৰ যেন লাগে, ভাবি ভাল লগা মুহূৰ্তত সকলো কথাই সহজ যেন লাগে। অথচ ৰূঢ় বাস্তৱে আমাক কি শিকায়, কি শিকাব পাৰিছে। আমাৰ ধনমুখী স্বাৰ্থপৰ আদৰ্শবাদী, ভণ্ড পথপ্ৰদৰ্শক, তুলনাবিহীন দুৰ্নীতিৰে আমি লগ পোৱা অ-বিজ্ঞানসন্মত পৰম্পৰা আৰু সংস্কৃতিৰ ধ্বজাবাহক এচাম স্বাৰ্থন্ধ সহযোগী আৰু বিদ্যায়তনিক ক্ষেত্ৰত সফল হোৱাৰ নামত ব্যৱসায় কৰা শিক্ষাৰ বৃত্তিধাৰী এদল বাণিজ্যিক পথিক — এই সকলোবোৰেই আমাৰ চিনাকি। অথচ চিনাকি অচিনাকি সকলোৱে আমাক প্ৰবঞ্চনা কৰে। ন-প্ৰজন্মৰ কাৰণে আমি হাহাকাৰ কৰোঁ আমাৰ কাৰণে হাহাকাৰ কৰিবলৈ, অৰ্থাৎ আমাৰ কাৰণে চিন্তা কৰিবলৈ যেন সঠিক সৃষ্টিশীল সপোন এটাৰ আঁত ধৰি - প্ৰজন্মই কেতবোৰ নতুন বিষয়ত মনোনিবেশ কৰিব লাগিব। বিশেষকৈ সাহিত্যচৰ্চাৰ পৰিবেশ সৃষ্টি কৰি বিদ্যালয়, মহাবিদ্যালয় পৰ্য্যায়ত সংগঠিত হ'বৰ সময় হ'ল। অৰাজনৈতিক দৃষ্টিভংগীৰে আমাৰ ন-প্ৰজন্মই ঊনৈশ শতিকা আৰু কুৰি শতিকাৰ কেতবোৰ স্বাভাৱিক উপকৰণ জীৱনৰ বাটও পাথেয় আহিলাৰূপে গ্ৰহণ কৰিব পাৰে। সেই আহিলাবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল — ভ্ৰাতৃত্ববোধে সৃষ্টি কৰা পাৰস্পৰিক বুজাবুজি আৰু দ্বিতীয়তে আমাৰ পৰম্পৰাগত সাহিত্য-সংস্কৃতিয়ে আমাৰ হাতত গুজি দিয়া সম্ভাৰ, শান্তিৰ সম্ভাৰ। শান্তি কেৱল বুকুৰ মাজত উপলব্ধি কৰা কেইটামান শ্লোগানৰ এটা সমষ্টি নহয়। শান্তি হ'ল দেশপ্ৰেম, সাহিত্যচৰ্চা আৰু বিজ্ঞানসন্মত দৃষ্টিভংগীৰ উমৈহতীয়া প্ৰয়াস। যৌৱনৰ বাটত, বিশেষকৈ বয়ঃসন্ধি কালৰ পৰা সৃষ্টি হোৱা মনৰ ধুমুহাৰ মাজত আমি যে অহোপুৰুষাৰ্থ কৰি শান্তিৰ সন্ধান কৰিছোঁ, বিদ্যায়তনিক ক্ষেত্ৰত সফলতা আৰু আন আন স্বাভাৱিক ক্ষেত্ৰত সাৰ্থক হ'বলৈ প্ৰতিযোগিতাৰ পাতনি মেলিছো; এই সকলোক্ষেত্ৰতেই দেখোন ভ্ৰাতৃত্ববোধৰ প্ৰয়োজন অথচ ৰাজনৈতিক দন্দ্ব আৰু প্ৰেমৰ বিকৃত অৰ্থই আমাক বিভাজিত কৰিছে। সকলো ভাগফলৰ মান সুকীয়া সুকীয়া হ'লেও সামাজিক জীৱনত ভাজ্য আৰু ভাজকৰ ভাগফল কিন্তু সম্প্ৰীতি। এইখিনিতে মনলৈ আহে অসমৰ মধ্যযুগীয়া চিন্তা-চৰ্চাক প্ৰত্যাহ্বান জনাই গুৰুজনাই সৃষ্টি কৰা এক সম্প্ৰীতিৰ সাঁকোৰ কথা। এক প্ৰতিকুল ৰাজনৈতিক আৰু সামাজিক পৰিবেশত শ্ৰীমন্ত শংকৰদেৱে নিজ প্ৰতিভা আৰু সংগঠিতভাৱে একতাৰে সমাজখন বান্ধিছিল আনকি তেওঁ সকলোৱে বুজাই দিছিল আমাৰ জাতীয় জীৱন আৰু জাতীয় চিন্তাৰ উৰ্দ্ধত যে আমি সকলো আমাৰ প্ৰতিভা আমাৰ সৃষ্টি আৰু গুৰুজনাই আমাক দি থৈ যোৱা সম্প্ৰীতিৰ কোটিকলীয়া শিক্ষা অথচ এতিয়া ন-প্ৰজন্মৰ কাৰণে কেৱল পশ্চিমীয়া শিক্ষাই আমদানি কৰা এক বিতৰ্কিত পৰিবেশ। এইখিনিতে বিশ্বায়নৰ প্ৰভাৱ তথা বিশ্বায়নৰ ফলত সৃষ্টি হোৱা যোগাযোগৰ বিপ্লৱগামী শক্তিবোৰক অস্বীকাৰ কৰিব খোজা নাই। যিসময়ত চীনত ৰেড আৰ্মি আৰু কুওমিন্টাং সকলৰ মাজত সংঘৰ্ষৰ সৃষ্টি হৈছিল, সেইসময়ত কিন্তু জাপানত উদ্যোগিক বিকাশৰ পথ প্ৰশস্ত হৈছিল, যিসময়ত চীন জাপানৰ যুদ্ধৰ ফলত চীনৰ জাতীয় জীৱন ক্ষতিগ্ৰস্ত হৈছিল, সেইসময়ত জাপানত আৰম্ভ হৈছিল সামৰিক শক্তিৰ অভ্যুত্থান। অভ্যুত্থান বুলি ক'বলৈ যাওঁতে আমাৰ গুপ্তযুগৰ পৰা আৰম্ভ কৰি মৌৰ্যসকলৰ মাজতো অভ্যুত্থান হৈছিল অথচ কালক্ৰমত আমাৰ সামাজিক অভ্যুত্থান যেন স্তিমিত। কিয় এনে হয়? কাৰ কাৰণে আমি বাট চাওঁ শেৱালী ফুলিব, প্ৰেমৰ বাটত সফল হ'ব জীৱন, জীৱনৰ অন্ধকাৰ আঁতৰি যাব।

এক নিৰ্দিষ্ট মাপকাঁঠিৰে সফলতা বা বিফলতা তুলনা কৰিব নোৱাৰি। জীৱনৰ দুপৰীয়া আমি যিবোৰ কাৰ্যৰ দ্বাৰা সংগঠিত হওঁ, সেই সকলো সংগঠিত শক্তিৰ উৎসই যে সময়ৰ প্ৰয়োজন আৰু প্ৰেমৰ তাড়না সেয়া আমি স্বীকাৰ কৰিবই লাগিব। আমি যেতিয়া প্ৰেমক এক শক্তিলৈ ৰূপান্তৰ কৰিব পাৰিম, শক্তিৰ পৰা যেতিয়া সময়ৰ শিক্ষা আহৰণ কৰিব পাৰিম, তেতিয়াই আমি জীৱনত সকলো ক্ষেত্ৰতেইসফল হ'ব পাৰিম। হয়তো সেইকাৰণেইকালিদাসে মৃত্যুবৰণ কৰিবলৈ গৈয়ো জীৱনৰ ছন্দ ঘূৰাই পাইছিল আৰু যাৰ ফলত তেওঁ এক নতুন জীৱন লাভ কৰিছিল। আমি প্ৰতিজনেই অন্ততঃ ভাৰতীয় আদৰ্শৰ সেইকালিদাসৰ শক্তিৰে নিজৰ মাজত আৱিস্কাৰ কৰিব লাগিব আমাৰ ভাল গুণবোৰ, আমাৰ মাজত সৃষ্টি হোৱা আমাৰ শান্তিৰ বিকল্প নাই, শক্তি আৰু প্ৰেমৰ বিকল্পও যে আমাৰ হাতত নাই।❑





# অ-প্ৰাপ্তিৰ বেদনা

চলচিত্ৰৰ গল্প

সৌৰভ কুমাৰ ক্ষত্ৰিয়

গোলাপী ৰঙৰ জোতা এপাত মুচিয়ে চিলাই কৰি ঠিক কৰি আছে। সন্মুখত ৰৈ আছে আঠ বছৰীয়া আলি। জোতাপাত ঠিক কৰিবলৈ আলিয়ে দিছে। তাৰ ভনীয়েকৰ। মুচিয়ে ঠিক কৰি দিয়াৰ পিছত আলিয়ে জোতাপাত লৈ দোকান এখনলৈ গ'ল। জোতাপাত দোকানখনৰ সন্মুখত থকা কাৰ্টুন এটাৰ কাষত থৈ সি আলু বাছিবলৈ গ'ল। যোৱাৰ সময়ত সি দেখিলে জোতাপাত কাৰ্টুনৰ মাজত সোমাই পৰিছে। জোতাপাত আনিবলৈ চেষ্টা কৰোতে গোটেইখিনি সামগ্ৰি বাগৰি পৰিল। দোকানীয়ে তাক দাবী-ধমকি দিয়াত ভয়তে সি দৌৰ দিলে। দুখ মনেৰে ঘৰ পালেগৈ। ঘৰত তাৰ ভনীয়েক জেহ্ৰা ৰৈ আছে অধীৰ আগ্ৰহেৰে। কিন্তু সি যেতিয়া জোতাপাতৰ কথা ক'লে তাই কান্দিলে আৰু দেউতাকক কৈ দিম বুলি ক'লে। কিন্তু আলিয়ে তাইক দেউতাকক নক'বলৈ কৈ জোতাপাত বিচাৰি আকৌ এবাৰ গ'ল নিৰ্দিষ্ট দোকানখনলৈ। তাৰ সন্ধানী দৃষ্টি কাৰ্টুনবোৰৰ ফাঁকেৰে বাগৰি গ'ল। এনেতে দোকানীজনে তাক দেখাৰ লগে লগে চিএঞৰি উঠিল, 'তই ইয়াৰ পৰা যোৱাই নাই? ভয়তে সি দৌৰ দিলে। পৰাজিত নায়কৰ দৰে সি উভতি আহিল ঘৰলৈ।



'চিলড্ৰেন অৱ হেভেন'ত শিশুশিল্পী মিৰ ফাৰুখ হাচেমৈইন



শিশু শিল্পী বাহাৰে চিডিগি [illegible] লড্ৰেন অৱ হেভেন'ত

ভনীয়েকৰ দুচকুলৈ সি চাবলৈ সাহস কৰা নাই। 'জোতাপাত নহ'লে মই স্কুললৈ কেনেকৈ যাম?'— ভনীয়েকৰ কান্দোনৰ সুৰ মিশ্ৰিত এই প্ৰশ্নই তাক যেন অহৰহ খুন্দিয়াই আছে। সি ভালকৈ জানে, বুজে তাৰ দেউতাক নতুন জোতা এযোৰ আনি দিবলৈ সমৰ্থ নহয়। দিনটো হাড়ভঙা পৰিশ্ৰম কৰি ঘৰখন চলাই আছে। অসুখীয়া মাকে বিছনাৰ পৰা উঠিবই নোৱাৰে। ঘৰখনৰ কাম-কাজ, চোৱা-চিতা এই সকলো আলিৰ ওপৰতেই পৰিছে। সি পৰিস্থিতিৰ সৈতে নিজকে খাপ খুৱাবলৈ শিকিছে। আলি যেন এটি শিশু নহয়, ঘৰ এখনৰ দায়িত্ব ল'ব পৰা এজন যুৱক।

নিশা দুয়ো পঢ়ি আছে। অলপ দূৰত দেউতাকে কাম কৰি আছে। মাক কাষৰ বিছনাত। আলিয়ে বহী একনত লিখিলে যে তাৰ স্নিকাৰযোৰ ভনীয়েকক স্কুললৈ নিবলৈ দিব। কথাখিনি লিখি বহীখন ভনীয়েকলৈ আগবঢ়াই দিলে। কিন্তু ভনীয়েক সেইযোৰ পিন্ধিবলৈ অনিচ্ছুক। তাইক নতুন জোতা এযোৰ আনি দিব লাগিব। তাৰ বাবে তাই দেউতাকক ক'ম বুলি ক'লেই তাৰ ভয়

লাগি যায়। সি তাইক বুজায় দেউতাকে যে জোতা এযোৰ আনি দিব নোৱাৰে। অৱশেষত তাই সন্মতি দিলে। জেহ্ৰাৰ পুৰা স্কুল বাবে তাই প্ৰথমে স্নিকাৰযোৰ পিন্ধি যাব। পিছত সেইযোৰ পিন্ধি আলিয়েই যাব।

আলিৰ স্কুল যাতে দেৰী নহয় তাৰবাবে জেহ্ৰাই স্কুল ছুটীৰ লগে লগেদৌৰি দৌৰি ঘৰলৈ বুলি ওভতে। আলিয়েও দৌৰি গৈ এক নিৰ্দিষ্ট ঠাইত ৰৈ থাকে। জেহ্ৰা আহি পোৱাৰ লগে লগে খৰধৰকৈ স্নিকাৰযোৰ পিন্ধি আলি স্কুললৈ যায়। কিন্তু আলি স্কুল গৈ পোৱা মানে শ্ৰেণীসমূহ আৰম্ভ হয়েই। আলি দেৰিকৈ শ্ৰেণীত সোমোৱা কথাটো স্কুলৰ প্ৰধান শিক্ষকে লক্ষ্য কৰিলে। তৃতীয় দিনা তাক প্ৰধান শিক্ষকে শ্ৰেণীত সোমাবলৈ নিদি তেওঁৰ কাষলৈ মাতি সুধিলে কথাটো। সি দেৰি হোৱাৰ প্ৰকৃত কাৰণটো ক'ব নোৱাৰে। মিছা মাতি ধৰা পৰিল সি। প্ৰধান শিক্ষকে খঙত তাক স্কুলৰ পৰা বাহিৰ কৰি দিলে। আলিয়ে গৈ থাকোতে স্কুলৰ চৌহদত শিক্ষক এজনে তাক লগ পাই কথাটো সুধিলে আৰু তাক ওভোতাই আনিলে। শিক্ষকজনে প্ৰধান শিক্ষকজনক ক'লে যে আলি বৰ ভাল ছাত্ৰ আৰু অমায়িক। গতিকে তাক এনে শাস্তি দিব নালাগে। প্ৰধান শিক্ষকে তেওঁৰ সহকাৰী শিক্ষকৰ কথাখিনি শুনিলে আৰু আলিক শ্ৰেণীক প্ৰৱেশ কৰিবলৈ অনুমতি দিলে।

এনেদৰে সময়বোৰ গৈ আছে। দেউতাকৰ হাতত কামো নোহোৱা হ'ল। নতুন কামৰ সন্ধানত দেউতাক এদিন নগৰলৈ বুলি ওলাল। চাইকেলৰ পিছপিনে স্প্ৰে মেচিন এটা বান্ধি ল'লে। আলিও দেউতাকৰ লগত গ'ল। সি চাইকেলৰ সন্মুখত বহিল। দেউতাকে চাইকেল চলাই গৈ আছে। মাজে মাজে আলিয়ে দেউতাকৰ ঘৰ্মাক্ত মুখৰ ফালে চাইছে। তাৰ হয়তো এনে অনুভৱ হৈছে— সি যদি চাইকেলখন চলাব পাৰিলেহেঁতেন! দেউতাকে চাইকেলখন আঢ্যৱন্ত পৰিয়ালৰ ঘৰ এটাৰ সন্মুখত ৰখালে। গেটৰ সন্মুখত থিয় হৈ সুধিলে, 'কিবা কাম আছে নেকি?' 'নাই, একো কাম নাই'-দেৱালৰ সিটো পাৰৰ পৰা কণ্ঠ এটি ভাহি আহিল। এনেদৰে কেইবাটাও ঘৰ। এবাৰ এজন গৃহস্থই সুধিলে, 'কি কাম কৰিবা?'

আলিৰ দেউতাকে একো ক'ব নোৱাৰিলে। কিন্তু দেউতাকৰ উত্তৰটো আলিয়ে দি দিলে, 'ফুলনি পৰিষ্কাৰ কৰা। গছ ৰোৱা। গছত স্প্ৰেৰে পানী দিয়া...।'

আলিৰ ফালে দেউতাকে আচৰিত হৈ চালে আৰু দেউতাকৰ ওঁঠত লাহে লাহে হাঁহি বিৰিঙি উঠিল। সেই হাঁহিত যেন কিছু গৌৰৱো মিহলি হৈ আছে। এনেকৈ গৈ থাকোতে এটি পৰিয়ালত তেওঁলোকে বিচৰা কাম পালে। পৰিয়ালটোত শিশু এটি আৰু ককাক আছে। ককাকে কোৱাৰ দৰে আলিৰ দেউতাকে কামবোৰ কৰি গ'ল। আলিয়ে শিশুটিৰ সৈতে ফুলনিত থকা দোলনাত দুলি আছে। প্ৰকৃততে কামখিনিতকৈও ককাকে শিশুটিৰ সংগী এজন বিচাৰি আছিল। ককাৰ লগত আছে যদিও শিশুটি যেন নিঃসংগ আছিল। কাম শেষ হোৱাৰ সময়ত দোকানৰ পৰা আলি নামি আহিল। শিশুটি টোপনিত লাল-কাল। কাম কৰাৰ বিনিময়ত ককাকে আলি দেউতাকক প্ৰয়োজনতকৈ বেছি টকা দিলে। টকাখিনি লৈ আনন্দ মনেৰে দুয়ো ঘৰলৈ বুলি ওভতি আহিল। আহি থাকোতে আলিৰ দেউতাকৰ মনত কল্পনাৰ পখিলা উৰি ফুৰিব ধৰিলে। আলিক কৈ গ'ল এনেকৈ কাম কৰি এদিন মটৰ চাইকেল ল'ব...এটা ঘৰ...। চাইকেলখন এঢলীয়া পথ এটাৰে নামি আহিব ধৰিলে। চাইকেলৰ গতি তীব্ৰ হৈ আহিল। দেউতাকে চাইকেলৰ গতি ৰোধ কৰিবলৈ ব্ৰেকডাল টানি ধৰিলে। কিন্তু ব্ৰেকডালে একো কাম কৰা নাই। ভৰিৰে চাইকেলখন ৰখাব বিচাৰিলে। সফল নহ'ল। চাইকেলখনে এডাল গছত খুন্দা মাৰিলে। দেউতাকে কপালত আঘাত পালে। আলিৰ একো নহ'ল।

ঘৰত আলিয়ে দেউতাকৰ কপালখনলৈ এবাৰ চালে, এবাৰ ভনীয়েকলৈ। তাইক দেখিলেই তাৰ বেয়া লাগে জোতাপাতৰ কাৰণে। তাইক জোতা এযোৰ আনি দিব পৰা হ'লে! তেনে সুযোগ এটা আলিৰ হাতলৈ আহিল। এক দৌৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ আগ্ৰহী হৈ পৰিল আলি। তাৰ কাৰণে সি স্কুলখনত অনুষ্ঠিত দৌৰ প্ৰতিযোগিতাৰ এটি পৰীক্ষা দিবলগীয়া হৈছিল। কিন্তু সি সময়মতে স্কুল গৈ নোপোৱাত পৰীক্ষাত অংশগ্ৰহণ কৰিব নোৱাৰিলে। অৱশেষত সি প্ৰশিক্ষকক সাক্ষাৎ কৰি তাৰ নামটো তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ কাতৰ অনুৰোধ কৰিলে। প্ৰশিক্ষকে প্ৰথমে অমান্তি হৈছিল যদিও সি তৃতীয় স্থান লাভ কৰিবলৈ বুলি প্ৰতিশ্ৰুতি দিলে। প্ৰশিক্ষকে তাৰ অকলে পৰীক্ষা ল'লে আৰু সম্ভাৱনা দেখি তাৰ নামটো অন্তৰ্ভুক্ত কৰিলে। তাৰ লক্ষ্য তৃতীয় পুৰস্কাৰ। কাৰণ, তৃতীয় পুৰস্কাৰ হিচাপে আগবঢ়োৱা হৈছে এযোৰ স্নিকাৰ। আলিয়ে ভনীয়েকক নিশ্চিতি দিলে তাইৰ বাবে নতুন জোতা এযোৰ আনি দিব সি।



দীঘলীয়া দৌৰ প্ৰতিযোগিতাৰ প্ৰস্তুতি চলিছে। শতাধিক ছাত্ৰ-ছাত্ৰীয়ে উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিলে। প্ৰতিটো শিশুৰে পিতৃ-মাতৃ আহি প্ৰতিযোগিতাৰ বাবে সাজু কৰি তুলিলে। নতুন জোতা পিন্ধাই দিলে। এই দৃশ্য আলিয়ে নীৰৱে চাই আছে। সি এবাৰ নিজৰ পিন্ধি থকা পুৰণি স্নিকাৰযোৰৰ ফালে চালে। এনেতে প্ৰক্ষিকজনে আহি তাক দৌৰ প্ৰতিযোগিতাৰ বাবে সাজু কৰি তুলিলে। আৰম্ভ হ'ল দৌৰ প্ৰতিযোগিতা। আলিয়ে লাহে লাহে ইজনৰ পিছত সিজনক প্ৰতিযোগীক অতিক্ৰম কৰি আগুৱাই গৈ থাকিল। দৌৰি থকাৰ মাজতে তাৰ মনলৈ আহিল ভনীয়েকক দিয়া প্ৰতিশ্ৰুতিৰ কথা। প্ৰচণ্ড মানসিক শক্তিৰে সি আগুৱাই গৈ থাকিল। এটা সময়ত আলিয়ে গম পালে সি সকলোতকৈ আগত দৌৰি আছে। তাকতো প্ৰথম অথবা দ্বিতীয় পুৰস্কাৰ নালাগে। সি লগে লগে গৌৰৰ গতি মন্থৰ কৰি দুজন প্ৰতিযোগীক আগুৱাবলৈ দিলে। তৃতীয় স্থান পোৱাৰ লক্ষ্যৰে দৌৰি থাকিল সি। হঠাতে তাৰ কাযে কাযে দৌৰি থকা প্ৰতিযোগী এজনে ফাউল কৰি তাক বগৰাই দিলে। মুহূৰ্ততে উঠি সি আকৌ দৌৰিবলৈ ধৰিলে। গতি তীব্ৰ হৈ আহিল। দৌৰ প্ৰতিযোগিতাৰ শেষ সীমা পাবলৈ বেছি দূৰ নাই। অৱশেষত সি শেষ সীমা স্পৰ্শ কৰিলে। তাৰ প্ৰশিক্ষকে আহি তাক সাবটি ধৰিলে। সি প্ৰশিক্ষকক এটা প্ৰশ্নই সুধিলে, 'চাৰ,মই তৃতীয় পুৰস্কাৰ পাইছো নে?' 'তৃতীয় ন হয়, তুমি প্ৰথম পুৰস্কাৰ পাইছা!'— আনন্দতে প্ৰশিক্ষকে তাক সাবটি উত্তৰ দিলে। কথা শুনি আলি ম্লান পৰি গ'ল। সি নীৰৱে তলমূৰ কৰিলে। সি যেন হিয়া ঢাকুৰি কান্দিব এতিয়া! তাৰ সন্মুখত থিয় হৈ ফটোগ্ৰাফাৰে ফটো উঠাই আছে। কিন্তু সি তলমূৰ কৰিয়েই থাকিল। তেওঁলোকৰ অনুৰোধত এবাৰ মূৰটো ওপৰলৈ উঠাই দিলে সি। অপ্ৰাপ্তিৰ বেদনাত বিবৰ্ণ হৈ আছে তাৰ মুখ। কিয় সি তৃতীয় পুৰস্কাৰ লাভ কৰিব নোৱাৰিলে! ঘৰলৈ উভতি আহিল সি। ভনীয়েকে অধীৰ আগ্ৰহেৰে বাট চাই আছে তালৈ। ভনীয়েকৰ সন্মুখত থিয় হ'ল আলি। একো কোৱা নাই। তাই ককায়েকৰ ফালে চালে। তাৰ বিমৰ্ষ মুখখন দেখি জেহ্ৰাৰ বুজিবলৈ বাকী নাথাকিল। তাই খং, অভিমানত আঁতৰি আহি উচুপি উঠিল। আলিয়ে মৌনতা অৱলম্বন কৰি ভৰিৰ পৰা স্নিকাৰযোৰ খুলিলে। স্নিকাৰযোৰৰ চ'লটো ফাটি গৈছে। দৌৰোতে ভৰিত জোলা ফুটা অংশটি চুই চালে আৰু লাহে লাহে শীতল পানীত সি ভৰি দুখন ডুবাই দিলে।

১৯৯৮ চনত শ্ৰেষ্ঠ বিদেশী চলচ্চিত্ৰ শিতানত অকাডেমী বঁটাৰ নমিনেশ্বন পোৱা ইৰাণৰ প্ৰসিদ্ধ চলচ্চিত্ৰ নিৰ্মাতা মজিদ মজিদিৰ 'চিলড্ৰেন অৱ হেভেন' ছবিৰ কাহিনী এয়া। ছবিখনত আলি আৰু জেহ্ৰাৰ মন চুই যোৱা অভিনয় কৰিছে ক্ৰমে মিৰ ফাৰুখ হাচেমেইন (Mir Farrokh Hashemian) আৰু বাহাৰে চিড্ডিকি(Bahareh Seddiqi) য়ে। বিশ্বৰ চলচ্চিত্ৰপ্ৰেমী তথা সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰা ছবিখনে ল'ছ এঞ্জেল্ছ আৰু মনট্ৰইল আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱতো সন্মান বুটলিছে। ❑



চলচ্চিত্ৰ নিৰ্মাতা মজিদ মজিদি

## মহৎ লোকৰ বাণী

❑ অতি ক্ষুদ্ৰ চুলিডালৰো ছাঁ আছে — গ্যেথে।

❑ নতুন ধাৰণাবিলাকক ৰাজকীয় অতিথ্যৰে আঁদৰিবা। তাৰে এটা ধাৰণাই তোমাক ৰজা সঁজাবও পাৰে।

— মাৰ্কভন ডাৰেন।

❑ যি জনে নিজৰ মনক পৰাধীন কৰি ৰাখে, তেওঁৰ পক্ষে চৰিত্ৰ নিকা কৰি ৰখাটো সম্ভৱ নহয়!

— ফ্ৰয়েড

❑ আপুনি ৰাজনীতিক বৃত্তি হিচাপেও ল'ব আৰু সৎ হৈও থাকিবলৈ বিচাৰিব, সেয়া কেতিয়াও সম্ভৱ নহয়।

— লুই থেকহেনৰীহ'

❑ কাৰণ নোহোৱাকৈ খং, নিৰৰ্থক কথা-বাৰ্ত্তা, উন্নতিবিহীন পৰিৱৰ্তন, উদ্দেশ্যহীন অনুসন্ধান, অচিনাকিক বিশ্বাস আৰু শত্ৰুক বন্ধু জ্ঞান — এই ছটা কামৰ পৰাই মুৰ্খক চিনিব পাৰি — পাৰস্যৰ প্ৰৱচন।

# বঙলা সাহিত্য অন্যতম কথাশিল্পী মাণিক বন্দোপধ্যায়



নৱনীতা কলিতা
প্ৰবক্তা,অসমীয়া বিভাগ

বঙলা চুটিগল্প আৰু উপন্যাস সাহিত্যৰ এক অন্যতম উল্লেখযোগ্য কথাশিল্পী হৈছে মাণিক বন্দোপাধ্যায়। বঙলা সাহিত্যৰ চুটিগল্প আৰু উপন্যাস- এই দুয়োটা ধাৰাতেই সব্যসাচীৰ ভূমিকা লৈ এওঁ নতুন মাত্ৰা সংযোজন কৰি বঙলা সাহিত্যৰ ইতিহাসত নিজস্ব আসন দখল কৰিছে। উনবিংশ শতিকাৰ সূচনা হোৱা বঙলা চুটিগল্প আৰু উপন্যাস সাহিত্যই বংকিমচন্দ্ৰ,ৰবীন্দ্ৰনাথ আৰু শৰৎচন্দ্ৰৰ হাতত দৃঢ়ভাৱে প্ৰতিষ্ঠা হোৱাৰ পাছত ত্ৰিশৰ দশকত মাণিক বন্দোপাধ্যায়ে বঙালী মধ্যবিত্তৰ সংকট চুটিগল্প আৰু উপন্যাস দুয়োটা ক্ষেত্ৰতেই সুন্দৰ ৰূপত দাঙি ধৰিবলৈ সক্ষম হয়।

এইগৰাকী কথাশিল্পীৰ জন্ম হয় ১৯০৮ চনৰ ১৯ মে' তাৰিখে চাওঁতাল পৰগণা জিলাৰ দুমকা চহৰত। এওঁৰ পিতৃ আছিল হৰিহৰ বন্দোপাধ্যায় আৰু মাতৃ নীৰদাসুন্দৰী দেৱী। নিদাৰুণ আৰ্থিক অসামৰ্থ্যতা সত্বেও হৰিহৰ বন্দোপাধ্যায়ে ঢাকা কলেজিয়েট স্কুল, ঢাকা কলেজ আৰু কলিকতাৰ চিটি কলেজৰপৰা বিজ্ঞানৰ স্নাতক হৈ প্ৰথমে পি.ডব্লিউ.ডি.ৰ ক্লাৰ্কৰূপে কাৰ্যনিৰ্বাহ কৰি পাছলৈ নিজ চেষ্টাৰ বলত চাব ডেপুটি কালেক্টৰৰ পদ পাবলৈ সক্ষম হৈছিল। এই হৰিহৰ বন্দোপাধ্যায়ৰেই আঠটা পুত্ৰ আৰু ছয়টা কন্যাৰ ভিতৰত পঞ্চম পুত্ৰ আছিল মাণিক বন্দোপাধ্যায়। মাণিকৰ পিতৃদত্ত নাম আছিল প্ৰবোধকুমাৰ আৰু জন্ম পত্ৰিকাৰ নাম আছিল অধৰচন্দ্ৰ। কিন্তু, এওঁৰ গাৰ উজ্বল কলা ৰং আৰু সুন্দৰ মুখশ্ৰী দেখি নামকৰণ কৰা হৈছিল 'কালো মাণিক' বুলি আৰু সেই সূত্ৰেই এওঁক মতা নামো হয় মাণিক। বন্ধুসকলৰ স'তে বাজি মাৰি 'বিচিত্ৰা' পত্ৰিকালৈ গল্প পঠোৱাৰ সময়ত নিজেই 'মাণিক' না- .টো ব্যৱহাৰ কৰিছিল আৰু পাছলৈ এই নামেৰেই জনাজাত হ.।

মাণিকৰ দেউতাকে যিদৰে কঠোৰ পৰিশ্ৰমৰ ফলত নিজে সাফল্য অৰ্জন কৰিছিল সেই সাফল্য উত্তৰাধিকাৰীসূত্ৰে তেওঁৰ পুত্ৰসকলেও যেন লাভ কৰিছিল। মাণিক বন্দোপাধ্যায়ৰ জ্যেষ্ঠ ভাতৃ সুধাংশু কুমাৰ বন্দোপাধ্যায় বিজ্ঞানী ৰূপে, মধ্যম ভাতৃ সন্তোষকুমাৰ বন্দোপাধ্যায় চিকিৎসক ৰূপে আৰু মাণিক বন্দোপাধ্যায় প্ৰসিদ্ধ সাহিত্যিকৰূপে খ্যাতি লাভ কৰিছিল। যদিও পাছলৈ উচ্চাভিলাষী জ্যেষ্ঠ পুত্ৰৰ লগত মাণিকৰ দেউতাকৰ পাৰিবাৰিক সংঘাত হয়, কিন্তু মাণিকৰ নিজ দেউতাকৰ প্ৰতি আছিল অপৰিসীম শ্ৰদ্ধা। তেওঁ নিজেই দেউতাকলৈ এইদৰে পত্ৰ লিখিছিল—

"পিতা হিসাপে আপনি শুধু আমার নমস্য নন, লাখ লাখ লোকের নমস্য হয়ে রইলেন। বিক্রামপুরের গাঁয়ের একটি ছেলে কোনমতে বি.এ.পাস করে যে সুধাংশু আর মাণিককে সৃষ্টি করতে পারে একই বংশে বৈজ্ঞানিক আর সাহিত্যিক সৃষ্টি করতে পারে এ গৌরব বাংলার একমাত্র আপনি পেয়েছেন।"

আনহাতে, মাণিকৰ যোল্ল বছৰ বয়সতেই তেওঁৰ মাতৃৰ মৃত্যু হয় আৰু এইবাবেই হয়তো সুদীৰ্ঘ সাহিত্যজীৱনত মাণিক মাতৃ সম্পৰ্কে নীৰব। বৰ একান্নবৰ্তী পৰিয়ালত বাস কৰাৰ সূত্ৰেই মাণিক পাৰিবাৰিকভাৱে উদাসীন হোৱাৰ লগতে বেপৰোৱা বেহিচাপী বিশৃংখল জীৱন কটাইছিল। শৈশৱত এওঁ নানান দুৰ্ঘটনাৰো সন্মুখীন হৈছিল। ব্যৱহাৰত নম্ৰ মাণিকৰ ব্যক্তিত্ব আছিল অতি কঠোৰ। চেহেৰা, ব্যৱহাৰ আৰু কথা একেবাৰে স্বতন্ত্ৰ আছিল। নিজৰ ক্ষমতা সম্পৰ্কে সচেতন নাছিল যদিও আত্মশক্তি তেওঁৰ সমস্ত সত্বাতেই প্ৰতিফলিত হৈছিল। ছাত্ৰ হিচাপে স্কুলীয়া জীৱনত মাণিকে যথেষ্ট সুনাম পাইছিল। জেষ্ঠ্য ভাতৃৰ তত্বাবধানত প্ৰসিদ্ধ স্কুল মিত্ৰ ইনষ্টিটিউশনত শিক্ষা আৰম্ভ কৰি পাঁচ-ছয় বছৰৰ পিছত উঙ্গাইললৈ যায় যদিও কিছুদিনৰ পিছতেই মাতৃৰ মৃত্যু হোৱাত মেদিনীপুৰৰ ডাঙৰ বায়েকৰ শহুৰেকৰ ঘৰত থাকি তাৰ স্কুলত ভৰ্তি হৈ ১৯২৬ চনত মেট্ৰিক পৰীক্ষাত সাধাৰণ আৰু ঐচ্ছিক দুয়োখন গণিততে লেটাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ১৯২৮ চনত বাঁকুড়াৰ ওয়েছলিয়ান মিছন কলেজৰপৰা প্ৰথম বিভাগত আই.এছ.ছি.পাছ কৰে আৰু প্ৰেছিডেন্সি কলেজত অংকশাস্ত্ৰত অনাৰ্চ লৈ বি.এছ.ছি.ত নামভৰ্তি কৰে। প্ৰেছিডেন্সী কলেজত ছাত্ৰ হৈ থাকোতেই 'বিচিত্ৰা' পত্ৰিকাত





তেওঁৰ প্ৰথম গল্প 'অতসীমামী' প্ৰকাশ পায়। ক্ৰমান্বয়ে সাহিত্য চৰ্চাৰ প্ৰতি তেওঁৰ মন ঢাল খোৱাৰ লগে লগেই পাঠ্যবিষয়ৰ প্ৰতি আকৰ্ষণ নাইকিয়া হ'বলৈ ধৰে আৰু ফলস্বৰূপে বি.এছ.ছি. পৰীক্ষাত অকৃতকাৰ্য হৈ তাতেই কলেজীয়া জীৱনৰ ইতি পেলায়। দৰাচলতে, কৈশোৰ অৱস্থাতেই মাতৃবিয়োগ, বিভিন্ন ঠাই আৰু ভিন ভিন সংসাৰত বসবাস, নিজ ভাতৃসকলৰ লগত মানসিক সম্পৰ্কৰ অভাৱ, আৰু মাণিকৰ অন্তৰ্নিহিত উদাসীনতা আৰু বিশৃংখল স্বভাৱ আদিয়ে তৰুণ বয়সতেই এওঁক আত্মীয় স্বজনৰ মাজত ভিন্নৰূপে প্ৰতিষ্ঠিত কৰিছিল। লগতে, দুটাকৈ পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈয়ো স্নাতক পৰীক্ষাত অকৃকাৰ্য হোৱাৰ কাৰণ উদ্ধাৰ কৰাৰ প্ৰচেষ্টা তেওঁৰ আত্মীয়-স্বজনৰ মাজত দেখাৰ পৰিবৰ্তে, তেওঁলোকে এই বেপৰোৱা যুৱকজনৰ লগত সম্পৰ্কহে বিচ্ছেদ কৰিছিল। ফলস্বৰূপে মাণিক হৈ পৰিছিল নিতান্তই অকলশৰীয়া আৰু নিজকে সম্পূৰ্ণৰূপে সাহিত্য সাধনাতেই নিবিষ্ট কৰে।

সাহিত্যসাধক হ'লেও এওঁ মূলতঃ বৈজ্ঞানিক দৃষ্টিভংগীৰ অধিকাৰী আছিল। বিজ্ঞানৰ প্ৰতি থকা তেওঁৰ একনিষ্ঠ প্ৰীতিৰ বাবেই 'জাত বৈজ্ঞানিকের কেনধৰ্মী জীৱন জিজ্ঞাসাক গল্প উপন্যাসৰ মাজত ঠাই দি বঙলা সাহিত্যত শ্ৰেষ্ঠতৰ আসন অধিকাৰ কৰিছে। ১৯২৮ চনৰ পৰা ১৯৩৫ চনলৈ 'বিচিত্ৰা','বংগশ্ৰী' আৰু 'ভাৰতবৰ্ষ' পত্ৰিকাত মাণিক বন্দোপধ্যায়ৰ কালজয়ী ৰচনাসমূহ প্ৰকাশিত হয়। এওঁৰ প্ৰথম উপন্যাস 'জননী' গ্ৰন্থাকাৰে প্ৰকাশ পায় ১৯৩৫ চনৰ মাৰ্চ মাহত। শৰৎচন্দ্ৰৰ আদৰ্শত ৰচনা কৰা 'জননী' উপন্যাস সম্পৰ্কত এইদৰে বিজ্ঞাপন দিয়া হৈছিল—

"জননীকে কেন্দ্ৰ কৰিয়া এ ধরনের ক্রন্দনবিহীন বাস্তব উপন্যাস বাংলা সাহিত্য আর নাই।"

একেবছৰে আগষ্ট মাহত 'দিবাৰাত্ৰিৰ কাব্য' উপন্যাস আৰু ডিচেম্বৰ মাহত 'অতসী মামী ও অন্যান্য গল্প' নামেৰে দহটা গল্পৰ সংকলন এখনিও প্ৰকাশ হয়। আধুনিক যুগৰ সাহিত্যত যি form বা content ৰ পৰীক্ষা-নীৰীক্ষা আৰম্ভ হৈছিল 'দিবৰাত্ৰিৰ কাব্য' উপন্যাসত তাৰ প্ৰথম উল্লেখযোগ্য প্ৰতিফলন ঘটে। ইয়াৰ ঠিক এবছৰ পিছতেই প্ৰকাশিত হয় এওঁৰ অন্যতম কালজয়ী ধ্ৰুপদী উপন্যাস 'পদ্মা নদীৰ মাঝি' আৰু 'পুতুল নাচেৰ ইতিকথা' আৰু 'জীৱনেৰ জটিলতা'। ইয়াৰে প্ৰথম দুয়োখন উপন্যাসতেই মানৱ মনস্তত্ব আৰু মানৱ চৰিত্ৰৰ জটিলতা চিত্ৰণত অভিনৱত্ব প্ৰকাশ পায়। কিন্তু, অত্যাধিক পৰিশ্ৰমৰ বাবেই এই সময়ত মাণিক বন্দোপধ্যায় মৃগীৰোগত আক্ৰান্ত হয়। জীৱনৰ প্ৰাৰম্ভিক সময়তেই আৰম্ভ হোৱা এই ৰোগৰ লগত এওঁ মৃত্যু পৰ্যন্ত সংগ্ৰাম কৰিব লগা হয়। নানান চিকিৎসাৰ অন্ততো এই ৰোগৰ পৰা আৰোগ্য নোহোৱাত নিজেই শেষত তাক সম্পূৰ্ণৰূপে আওকাণ কৰি সুৰাপান কৰিবলৈ লয়। আনকি,দাৰিদ্ৰয়ো তেওঁৰ এই সুৰাপানৰ আ.ক্তি এৰুৱাব নোৱাৰিলে। ১৯৩৪ চনৰ প্ৰথমাৰ্ধত আৰ্থিক সংস্থাপনৰ বাবে 'নবাৰুণ' পত্ৰিকাৰ সম্পাদকৰ পদ খালী হোৱাত তাত যোগদান কৰে যদিও ১৯৩৭ চনত সেই কামো এৰি দিয়ে। ইতিমধ্যে, এওঁৰ দেউতাকে অবসৰ গ্ৰহণৰ পাছত তালিগঞ্জত বন্ধা নিজাঘৰতেই মাণিকে পিতৃ আৰু তিনিভাতৃৰ সৈতে থাকিবলৈ লয় আৰু ১৯৩৮ চনৰ ১১ মেত বিক্ৰমপুৰ পঞ্চসাৰ নিবাসী সুৰেন্দ্ৰনাথ চট্টোপধ্যায়ৰ তৃতীয় কন্যা কমলাদেৱীৰ লগত মাণিকৰ বিবাহ সম্পন্ন হয়। এইবছৰে জুলাই মাহত 'অমৃতস্য পুত্ৰাঃ' উপন্যাসখনি গ্ৰন্থাকাৰে প্ৰকাশ হয় আৰু বাৰটা গল্পৰ এখনি গল্পগ্ৰন্থ 'মিহি ও মোটা কাহিনী' প্ৰকাশ পায়। আনহাতে, নিজাকৈ প্ৰকাশন প্ৰতিষ্ঠান এটি খোলাৰ বাবে জেষ্ঠ্য ভাতৃৰ পৰা আৰ্থিক সহায় বিচাৰে যদিও শেষত কোনো ধৰণৰ সহায় নোপোৱাকৈয়ে প্ৰকাশন প্ৰতিষ্ঠানৰ কাম আৰম্ভ কৰে আৰু তাৰপৰাই ১৯৩৯ চনত ৰমাপতি বসুৰ সম্পাদনাত '১৩৪৫ এৰ শ্ৰেষ্ঠ কবিতা' নামেৰে কবিতা সংকলন এটি প্ৰকাশ হয় য'ত মাণিক বন্দোপধ্যায়ৰ প্ৰথম দীৰ্ঘ কবিতা 'উত্তৰ দক্ষিণ' কবিতাটিও অন্তৰ্ভুক্ত হয়। কিন্তু, অসুস্থতা, দাৰিদ্ৰ্যতা আৰু সুৰাপানৰ ত্ৰিমুখী জ্বালাত আচ্ছন্ন মাণিকক বিবাহেও সেই জ্বালাৰপৰা মুক্ত কৰিব নোৱাৰিলে। চাৰিটা সন্তানেৰে পৰিপূৰ্ণ তেওঁলোকৰ অভাৱগ্ৰস্ত সংসাৰখন বাংলা সাহিত্যৰ প্ৰয়োজনতেই যেন ঘৈণীয়েকে কোনোৰকমে ধৰি ৰাখিলে।

১৯৩৯ চনত বাৰটা গল্পৰ সংকলনৰূপে 'সৰীসৃপ' গ্ৰন্থ প্ৰকাশ হয় যাৰ মাজেৰে মাণিকৰ ফ্ৰয়েডীয় চৰ্চা কুটিল জটিল চাপ সুস্পষ্টভাৱে দেখা যায়। তাৰ পিছৰ বছৰত নিজৰ প্ৰকাশন প্ৰতিষ্ঠানৰপৰাই 'বৌ' গল্প সংকলনখনি প্ৰকাশ হয়। ১৯৪০ চনৰ জুলাই মাহত 'সহৰতলী ১ ম পৰ্ব' উপন্যাস প্ৰকাশ হয় আৰু ই বামপন্থী বুদ্ধিজীৱী মহলত তুমুল আলোড়নৰ সৃষ্টি কৰে। ১৯৪১ চনত 'সহৰতলী ২ য় পৰ্ব' আৰু 'ধৰাবাঁধা জীৱন' নামৰ উপন্যাস দুখনিৰ লগতে 'অহিংসা' উপন্যাসো প্ৰকাশ পায়।

ইফালে 'ৰংগশ্ৰী'ৰ পৰা পদত্যাগ কৰাৰ পাছত ১৯৩৯ চনত নেশ্যনেল ওয়াৰফ্ৰন্টৰ প্ৰভিন্সিয়াল অৰ্গেনাইজাৰ আৰু বেংগল দপ্তৰত পাবলিচিটি এচিষ্টেন্টৰূপে যোগদান কৰি ১৯৪৩ চনলৈকে তাত থাকে। ইতিমধ্যে দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰৱল ঢৌৱে ভাৰবতবৰ্ষৰ লগতে বাংলাদেশৰ সমাজ জীৱনতো প্ৰচণ্ড আলোড়োনৰ সৃষ্টি কৰিছিল। এই সময়তে মাণিক বন্দোপধ্যায় মাৰ্ক্সীয় চেতনাৰ প্ৰতি আকৃষ্ট হয় আৰু ১৯৪৪ চনৰ শেষৰফালে সক্ৰিয়ভাৱেই এওঁ কমিউনিষ্ট পাৰ্টিত যোগদান কৰে। পাৰ্টিত বিভিন্ন কামকাজৰ লগতে নিজৰ দাৰিদ্ৰ্য পীড়িত সংসাৰখনত

থাকি সাহিত্য চৰ্চাৰ কামো এওঁ সমানেই চলাই গ'ল। ১৯৪৩ চনত বাৰটা গল্পৰ সংকলন 'তমুদ্ৰেৰ স্বাদ' প্ৰকাশ পায় আৰু একেবছৰতে 'প্ৰতিবিম্ব' উপন্যাসো প্ৰকাশ হয়। দ্বিতীয় বিশ্বযুদ্ধৰ অন্তত দেখা পোৱা সমাজ জীৱনক কেন্দ্ৰ কৰি ৰচনা কৰা 'দৰ্পণ' উপন্যাস ১৯৪৫ চনত প্ৰকাশ হয়। একেসময়তে, দহটা গল্পৰ সংকলন 'হলুদ পোড়া' প্ৰকাশ হয়। ১৯৪৬ চনত মাণিক বন্দোপাধ্যায়ৰ 'সহৰবাসেৰ ইতিকথা' আৰু চিন্তামণি' উপন্যাসৰ লগতে 'আজকাল পৰশুৰ গল্প' আৰু পৰিস্থিতি' নামৰ ক্ৰমে যোল্লটা আৰু বাৰটা গল্পৰ সংকলন দুখনৰ লগতে একমাত্ৰ নাটক 'ভিচেমাটি' প্ৰকাশ হয়। দৰাচলতে, এওঁৰ সাহিত্যিক জীৱনৰ প্ৰাথমিক আৰু শেষ বয়সৰ কিছু ৰচনাৰ কথা বাদ দি বেছিভাগেই নগৰকেন্দ্ৰিক। কোলকতা চহৰতে এওঁ সাহিত্য জীৱন অতিবাহিত কৰাৰ বাবে কোলকতাৰ লগত এওঁৰ প্ৰাণৰ নিবিড় সংযোগ স্থাপন হয় আৰু আপোন প্ৰাণৰ অভিজ্ঞতাৰে চহৰৰ নানাবিধ সমস্যা আৰু দৈনন্দিনতাৰ গ্লানি বৈজ্ঞানিক দৃষ্টিৰে উপলব্ধি কৰিছিল। ১৯৪৭ চনত মাণিকৰ সাহিত্যক জীৱনৰ অন্যতম কীৰ্তিস্তম্ভ 'চিহ্ন' উপন্যাস প্ৰকাশ পায়। একেদৰে, সাম্প্ৰদায়িক .. ভিত্তিক দহটা গল্পৰ সংকলন 'খতিয়ানো' এই সময়তেই প্ৰকাশ হয়। একেবছৰতে 'আদায়েৰ ইতিহাস' নামৰ উপন্যাসখনিও প্ৰকাশ হয়। য'ত সুস্থ জীৱনাদৰ্শৰ আকাংক্ষাৰ প্ৰতি আগ্ৰহী এক অস্থিৰচিত্ত বিকৃতমনা যুৱকৰ কাহিনী আছে। আনহাতে, ১৯৪৮ চনত মাণিকৰ ফ্ৰয়েডীয় চেতনাৰ জটিল ৰূপায়ণ 'চতুষ্কোণ' নামৰ উপন্যাসখন আৰু 'মাটিৰ মানুহ' নামৰ বাৰটি আৰু' ছোটবড়' নামৰ চৈধ্যটি গল্পৰ সংকলন দুখনিও প্ৰকাশ হয়।

১৯৪৯ চনৰ ফ্ৰেব্ৰুৱাৰী মাহত আৰ্থিক সংকটত পৰি তেওঁলোকৰ টালিগঞ্জৰ পৈতৃক গৃহ বিক্ৰী কৰিব লগা হয় আৰু পিতৃ আৰু তিনিভাতৃৰ সৈতে বৰানগৰ গোপাললাল ঠাকুৰ ৰোডত বাস কৰিবলৈ লয়। এই সময়তে জাৱনৰ চিৰন্তন সমস্যাবোৰৰ লগতে গৃহ সমস্যায়ো এওঁক বিপৰ্যস্ত কৰি তোলে। ১৯৫০ চনত ' মাণিক গ্ৰন্থৱলী ১ম খণ্ড' প্ৰকাশ হোৱাৰ লগতে এওঁৰ 'জীয়ন্ত' নামৰ উপন্যাসখনিও প্ৰকাশ পায়। পিছৰ বছৰত এওঁৰ চাৰিখন উপন্যাস প্ৰকাশিত হয়- 'পেশা', 'স্বাধীনতাৰ স্বাদ', 'সোণাৰ চেয়ে দামী'ৰ ১ম খণ্ড আৰু 'ছন্দ পতন'। এইসময়ত এওঁ সমাজ জীৱনৰ যাৱতীয় অসংগতি লক্ষ্য কৰি সেইবোৰৰ সঠিক সমাধান সুস্পষ্ট ইংগিত গল্প উপন্যাসৰ পাতত লিপিবদ্ধ কৰিছিল। আকৌ, ১৯৫২ চনত এওঁৰ চাৰিখন উপন্যাস প্ৰকাশ হয়- 'সোণাৰ চেয়ে দামী'ৰ ২য় খণ্ড, 'ইতিকথাৰ পৰেৰ কথা', 'পাশাপাশি আৰু 'সাৰ্বজনীন'। পুনৰ, এই সময়তে 'মাণিক গ্ৰন্থাৱলী'ৰ ২য় খণ্ড প্ৰকাশ হয়। ১৯৫৩ চনত 'আৰোগ্য', 'নাগপাশ', 'চালচলন', 'তেইশ বছৰ আগে পৰে' নামৰ উপন্যাস চাৰিখন আৰু 'ফেৰিৱালা' আৰু 'লাজুকলতা' নামৰ গল্প সংকলন দুখন প্ৰকাশ হয়। দুৰ্ভাগ্যক্ৰমে ১৯৫৪ চনত মাণিক বন্দোপাধ্যায় অসুখ, অশান্তি আৰু অনাটনৰ ধাৰাবাহিক আক্ৰমণত সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰে। তথাপিও, এই সময়তে 'হৰফ' উপন্যাস প্ৰকাশ পায় য'ত বিধৃত হৈছে লেখক, লেখকতা আৰু প্ৰকাশনা সংক্ৰান্তীয় আনুসংগিক যাৱতীয়া সমস্যাৰ লগতে শ্ৰেণীচেতনাও। এই বছৰতে পুনৰ আন এখনি উপন্যাস প্ৰকাশ হয় 'শুভাশুভ' নামেৰে। ১৯৫৫ চনৰ ফেব্ৰুৱাৰী মাহত গুৰুতৰভাৱে অসুস্থ অৱস্থাত নানান বন্ধু আৰু শুভকাংক্ষীৰ চেষ্টাত এওঁক ইসলামিয়া হাস্পতালত ভৰ্তি কৰা হয়। ৰোগশয্যাত থকা অৱস্থাতে 'পৰাধীন প্ৰেম' উপন্যাসৰ পাণ্ডুলিপি প্ৰস্তুত কৰে আৰু এই বছৰতে উপন্যাসখনি প্ৰকাশ হয়। হাস্পত্ৰলত এ মাহ থকাৰ পাছতে তেওঁ নিজেই তাৰ পৰা গুছি আহে কিন্তু পুনৰবাৰ অসুস্থ হোৱাত এওঁক লুম্বিনী পাৰ্ক হস্পাতালত ভৰ্তি কৰা হয় আৰু তাতো দুমাহ থাকি তেওঁ ঘৰলৈ উভটি আহে। ১৯৫৬ চনত এওঁৰ 'হলুদ নদী' আৰু 'মশাল' উপন্যাস দুখনি প্ৰকাশ হয়। এই বছৰৰে ৩০ নবেম্বৰত হঠাতে এদিন অজ্ঞান হৈ পৰাত এওঁক নীলৰতন সৰকাৰ হস্পাতালত ভৰ্তি কৰা হয় আৰু তাতেই তিনি ডিচেম্বৰ তাৰিখে মাত্ৰ ৪৮ বছৰ বয়সতেই এওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ আগে আগে এওঁ ৰচনা কৰা উপন্যাস 'শান্তিলতা', 'মাঝিৰ ছেলে' আৰু 'প্ৰাণেশ্বৰৰ উপাখ্যান' মৃত্যুৰ পাছতহে প্ৰকাশ হয়। আনহাতে, 'মাটি ঘেষা', 'মাটিৰ কাছেৰ কিশোৰ কবি' আৰু 'মশাল' উপন্যাস তিনিখন অসমাপ্ত হৈ ৰয়।

মুঠতে, মাণিক বন্দোপাধ্যায়ে বঙলা সাহিত্যৰ চুটিগল্প আৰু উপন্যাস এই দুয়োটা দিশতেই অভূতপূৰ্ণ বৰঙণিৰে নিজৰ নাম জিলিকাই ৰাখিবলৈ সক্ষম হৈছে আৰু এইবাবেই বঙলা সাহিত্যৰ কথাশিল্পী ৰূপে এওঁৰ কীৰ্তি আৰু প্ৰভাৱ দিগন্তপ্ৰসাৰী হৈ আছে। এই প্ৰসংগতে ক'ব পাৰি "সাহিত্যেৰ ধাৰায় মাণিক এক নতুন যুগেৰ সন্ধান দিয়েছিলেন। সমাজেৰ সমস্ত ধাৰণা ও বিশ্বাসেৰে মূল ধৰে তিনি আশ্চৰ্যভাবে নাড়া দিয়েছিলেন। গভীৰ অন্তৰ্দৃষ্টি তাঁৰ অন্যতম বিশেষত্ব।" (প্ৰেমেন্দ্ৰ মিত্ৰ)।❑


<u>সহায়ক গ্ৰন্থপঞ্জী</u> ঃ-

১। কথাশিল্পী মাণিক বন্দোপধ্যায় ঃ বিশ্ববন্ধু ভট্টাচাৰ্য
২। মাণিক বন্দোপধ্যায় ঃ নিতাই বসু
৩। ভাৰতীয় সাহিত্য সংকলন ঃ পৰাগ কুমাৰ ভট্টাচাৰ্য, পৰমানন্দ ৰাজবংশী
৪। ভাৰতীয় সাহিত্য অধ্যায়ন ঃ ড° বিনীতা বৰা দেৱচৌধুৰী
৫। ভাষা সাহিত্য সংস্কৃতিৰ জিলিকনি ঃ (সম্পাদক) ড° মুকুল চক্ৰবতী






# অসমীয়া কবিতাত মানৱতাবাদ



ৰুদ্ৰ কলিতা
জ্যেষ্ঠ প্ৰবক্তা,অসমীয়া বিভাগ

অসমীয়া কবিতাত মান-ৱতাবাদ এই বিষয়টো এটা অতি গুৰুত্বপূৰ্ণ বিষয়। কবিতাৰ বাদ বৈচিত্ৰ্যৰ কথা আলোচনা কৰিলে আমি বিশেষকৈ ভক্তিবাদ, ধ্ৰুববাদ, ৰমন্যাসবাদ, কান্তিবাদ, প্ৰতীকবাদ,চিত্ৰকল্পবাদ আদিৰ যিদৰে বহল ব্যাখ্যা বিচাৰি পাওঁ, ঠিক তেনেদৰে মানৱতাবাদ এই বিষয়টো বহল অৰ্থত বিচাৰি পাবলৈ টান। কিন্তু অসমীয়া কবিতাত মানৱতাবাদী দৃষ্টি ভংগীক উপেক্ষা কৰি চলিবও নোৱাৰি। অসমীয়া কবিতাত মানৱতাবাদ বিষয়টো আলোচনা কৰাৰ আগতে মানৱতাবাদনো কি সেই বিষয়ে জনাটো অতি প্ৰয়োজনীয়।

যি কোনো কাৰ্য বা চিন্তা বা মতবাদ, য'ত মানুহ হিচাপে মানুহৰ স্বাৰ্থক আৰু মানৱীয় মূল্যবোধ আৰু সন্মানক গুৰুত্ব দিয়া হয়, তাকেই চমু কথাত, মানৱতাবাদ বুলি অভিহিত কৰিব পাৰি। মানৱ জাতিৰ কল্যাণ কামনা আৰু হক ৰক্ষা কৰা কাৰ্যত আত্মনিয়োগো এই মতবাদৰ অন্যতম প্ৰধান উপাদান। আন যি কোনো মতবাদৰ দৰেই মানৱতাবাদো এক স্বতন্ত্ৰ দৃষ্টি ভংগী।

যি কোনো কাৰ্য বা চিন্তা বা মতবাদ, য'ত মানুহ হিচাপে মানুহৰ স্বাৰ্থক আৰু মানৱীয় মূল্যবোধ আৰু সন্মানক গুৰুত্ব দিয়া হয়, তাকেই চমু কথাত, মানৱতাবাদ বুলি অভিহিত কৰিব পাৰি। মানৱ জাতিৰ কল্যাণ কামনা আৰু হক ৰক্ষা কৰা কাৰ্যত আত্মনিয়োগো এই মতবাদৰ অন্যতম প্ৰধান উপাদান। আন যি কোনো মতবাদৰ দৰেই মানৱতাবাদো এক স্বতন্ত্ৰ দৃষ্টি ভংগী। অলৌকিক জগত বা প্ৰকৃত জগত বা ইহতৰ প্ৰাণীৰ জগতখনতকৈ মানৱ সমাজখনৰ প্ৰতিহে এই দৃষ্টিভংগী অধিক উৎসুক আৰু কৌতূহলী। মতবাদ হিচাপে ই এক নৱন্যাসিক মতবাদ। মানৱতাবাদৰ উদ্ভৱ হৈছিল চতুৰ্দশ শতাব্দীৰ ইটালীত। কবিসকল মানুহৰ আমাৰ প্ৰতিনিধি। যুগে যুগে সময় পৰিবৰ্তিত হয়। সমাজখন বিচিত্ৰ ৰঙেৰে ৰঞ্জিৎ হৈ উঠে। মানুহৰ মনতো ঢৌৰ সৃষ্টি হয়। এই ঢৌৱে সৃষ্টি কৰে এবিধ কলা আৰু এই কলাবিধেই হৈছে সাহিত্য। এনেবোৰ ঢৌৰ কপঁনিৰ ফলত সৃষ্টি হয় সাহিত্যৰ বিভিন্ন ধাৰাৰ। কবিসকলেও নতুনত্ব প্ৰয়াসী মানৱ মনৰ বাৰ্তা বাহক হৈ কবিতাৰ মাজৰ নতুন নতুন মতবাদ তথা ধাৰাৰ সৃষ্টি কৰে। এই ধাৰাবিলাকৰ ভিতৰত মানৱতাবাদ উল্লেখযোগ্য।

অসমীয়া কবিতাত মানৱতাবাদী দৃষ্টিভংগী ৰোমান্টিক যুগৰে পৰা উত্থাপন হৈ আহিছে। প্ৰত্যেক যুগতে কবি সকলে কবিতাক নিজস্ব ধ্যান-ধাৰণা প্ৰচাৰৰ মাধ্যম কৰি আহিছে। ৰমন্যাসিক কবিতাৰ শ্ৰেষ্ঠতম অৱদান হ'ল মানুহৰ অসীম সম্ভাৱনাৰ স্বীকৃতি। ধ্ৰপদী সাহিত্যৰ দেৱতা আৰু ৰাজপুৰুষৰ ঠাইত ৰমন্যাসিক সাহিত্যই স্বীকৃতি দিছিল সুখে-দুখে ভৰা সাধাৰণ মানুহৰ এই সৰল সাধাৰণ মানুহখিনি সকলো ধৰণৰ স্বাভাবিক চৰিত্ৰ আৰু সমস্যাৰ সৈতে কবিতাত জিলিকি উঠিছিল। চন্দ্ৰকুমাৰ আগৰৱালাৰ পৰা আৰম্ভ কৰি বৰ্তমানৰ কবিতাসমূহৰ মাজতো আমি মানৱতাবাদী দৃষ্টি ভংগী পৰিলক্ষিত হোৱা দেখা পাওঁ। সুগভীৰ মানৱ প্ৰেম চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। তেওঁৰ মানৱ বন্দনা, বীণবৰাগী আনকি কাহিনী গীতসমূহৰ মাজত মানৱীয় স্বাৰ্থ আৰু মানৱীয় সন্মানক গুৰুত্ব দিয়া হৈছে মানৱ যে সকলো বস্তুৰ মূল সম্পদ মানৱ বন্দনাত প্ৰকাশ পাইছে । চন্দ্ৰকুমাৰৰ প্ৰতিহত অনুভূতিয়ে মানৱ প্ৰেমত সান্ত্বনা বিচাৰে। মানুহ বিশ্ব

সৃষ্টিৰ পৰিপ্ৰেক্ষিতত ঈশ্বৰৰ প্ৰতীক। মানৱ বন্দনাত এনে এটা মহত্ব আৰু সুৰ স্পন্দনে আমাৰ গভীৰ তন্ত্ৰী কপাই তোলে। মানৱ সমাজৰ সুখ-দুখ সৰলতা কুটিলতা মৰম ঘৃণা আদিৰ প্ৰতিছবি অংকনত কবি যথেষ্ট কৃতকাৰ্য্য হৈছে।

মানৱতাবাদী দৃষ্টিভংগীৰ এগৰাকী শ্ৰেষ্ঠ কবি হৈছে জ্যোতিপ্ৰসাদ আগৰৱালা। জন কল্যাণৰ বাবে মনে প্ৰাণে কামনা কৰা জ্যোতিপ্ৰসাদ আগৰৱালাই কবিতাৰ মাজদি এখন সুন্দৰ সাংস্কৃতিক জগত সৃষ্টিৰ কামনা কৰিছিল। নিজকে সদায় শিল্পী হিচাপে পৰিচয় দিয়া কবিজনে জনতাৰ সন্মুখৰ অন্ধাৰ বিনাশ কৰিবলৈ মানুহৰ মনলৈ চিৰ সুন্দৰৰ আদৰ্শ নমাই আনিবলৈ আন্তৰিকতাৰে প্ৰচেষ্টা চলাইছিল। জনতাৰ কপালৰ অন্ধকাৰক পোহৰেৰে ধুই মহাজীৱনৰ আদৰ্শত প্ৰতিষ্ঠা কৰিবলৈ সাহসিকতাৰে তেওঁ আগ বাঢ়িছিল। অপসংস্কৃতিৰে ঠাহ খাই পৰা সমাজখনত বিপ্লৱৰ শঙ্খ বজোৱা কবিয়ে ব্যক্তি স্বাৰ্থৰ সংকীৰ্ণতাৰ সকলো শিকলি ছিঙি সমূহীয়া স্বাৰ্থৰ হকে গাণ্ডীৱধাৰী অৰ্জুনৰ দৰে সমাজ জীৱনৰ পথাৰখনত আগ বাঢ়িছিল। নিষ্পেষিত,শৃঙ্খলিত জনতাৰ হৃত মানৱীয় অধিকাৰ পুনৰুদ্ধাৰৰ বাবে তেওঁ চেষ্টা কৰিছিল। তেওঁ শোষক আৰু শোষিতৰ মাজত চলি থকা সংঘাত গভীৰভাৱে অনুভৱ কৰি তাৰ বিনাশৰ বাবে জনতাক একত্ৰিত কৰা সুবিধাবাদীৰ দলক তেওঁ সাৱধান বাণী শুনাইছিল। তেওঁ নিশ্চিত আছিল সুবিধাবাদীসকলৰ ভণ্ডামীৰ মুখা এদিন নিশ্চয় খোলা খাব। সুবিধাবাদী শ্ৰেণীয়ে জনতাক মূৰ্খ বুলি ভাবিলেও সময়ৰ গতিত জনতাই জ্ঞানৰ সন্ধান পাইছে আৰু সেই জ্ঞানে জনতাক সুবিধাবাদীৰ স্বৰূপ জনাত সহায় কৰিছে। এনেদৰে জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত মানৱ জাতিৰ কল্যাণ কামনাৰ কথা প্ৰকাশ হৈছে।

অমূল্য বৰুৱাৰ কবিতাসমূহৰ মাজেদি আমি মানৱতাবাদী ভাৱধাৰা প্ৰকাশ হোৱা দেখা পাওঁ। অমূল্য বৰুৱাই অন্ধ,তমসাবৃত আৰু ক্ষয়িষ্ণু সভ্যতাৰ মোহ আঁতৰাই বৈপ্লৱিক চিন্তা ধাৰাৰে এখন নতুন সমাজ গঢ়াৰ প্ৰয়াসেৰে কবিতা লিখিছিল। তেওঁ আছিল তীব্ৰ সমাজ সচেতন কবি। সমাজ জীৱনৰ কদৰ্য বাস্তৱৰ ছবি স্পষ্টভাৱে ফুটি উঠা সমাজিক অন্যায়ৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদৰ সুৰ ধ্বনিত হোৱা অমূল্য বৰুৱাৰ কবিতাসমূহ সমাজ চেতনাৰে উজ্বল। সমাজৰ পুনৰ নিৰ্মাণৰ ভাবধাৰা আগত ৰাখি সম্পূৰ্ণ এক বৈপ্লৱিক চিন্তাধাৰাৰে অমূল্য বৰুৱাই তেওঁৰ অন্যতম কবিতা 'বিপ্ল ৱী' ৰচনা কৰিছিল। যুগ আৰু পৰিস্থিতিৰ লগত মিলি গৈ সমাজৰ বাবে, বিশ্ব মানৱৰ বাবে সুগভীৰ আৰু দৃঢ় সভ্যতা গঢ়াৰ সংস্কৃতিৰ নতুন মন্দিৰ গঢ়াৰ প্ৰয়াস কবিতাটিত দেখা যায়। বৰ্তমান সময়ত কিছুমান মানুহে কিদৰে দুঃখ দুৰ্দশা, যাতনাৰ সন্মুখীন হৈ জীৱন নিৰ্বাহ কৰিছে, সেই কথাৰ ওপৰত কবিয়ে আলোকপাত কৰিছে। এই লোকসকলে গেলা,দুৰ্গন্ধি,অস্বাস্থ্যকৰ পাৰিপাৰ্শ্বিকতাৰ ওপৰত নিৰ্ভৰ কৰি নৰক কেন্দ্ৰীক দেহৰ দুৰ্ভোগ সহ্য কৰিছে যদিও অন্তৰৰ গতিশীলৰ শক্তিয়ে কিন্তু তেওঁলোকক সততে ভৱিষ্যতৰ ৰঙীন দিনলৈ আগবঢ়াই নিছে।

শ্ৰেণী বৈষম্যৰ প্ৰকৃত স্বৰূপ উদঙাই দি কবিয়ে সমাজৰ নিষ্পেষিতসকলৰ প্ৰতি যি মনোভাৱ প্ৰকাশ কৰিছে তাৰ জৰিয়তে মানুহৰ স্বাৰ্থক আৰু মানৱীয় মূল্যবোধক গুৰুত্ব দিছে। সমাজৰ দৰিদ্ৰ নিপীড়িত লোকসকলৰ জীৱননিৰ্বাহৰ প্ৰক্ৰিয়া দেখি কবি অতি ক্ষুব্ধ হৈ পৰিছিল। কবিয়ে সমাজৰ এই নিপীড়িত, নিষ্পেষিতৰ কল্যাণৰ হকে কাম কৰিছিল। অসমীয়া কবিতাত মানৱতাবাদৰ এয়া এক শ্ৰেষ্ঠ নিদৰ্শন। কবি অজিত বৰুৱাই 'তীখা' নামৰ কবিতাৰ মাজেদি নতুন সমাজ গঢ়াৰ বলিষ্ঠ প্ৰয়াস কৰিছিল। বৈপ্লৱিক চিন্তাধাৰাৰে এখন নতুন সামাজৰ ভেটি নিৰ্মাণৰ বাবে শ্ৰমজীৱী জনতাই কায়িক আৰু মানসিক শ্ৰমেৰে আগ বাঢ়ি অহাৰ শংখধ্বনি নিনাদিত হৈছে। সমাজ ব্যৱস্থাত ঘুণে ধৰাৰ কাৰণ সমূহ কবিয়ে উপলব্ধি কৰিব পাৰিছে। এই সমাজ ব্যৱস্থাত এনে কিছুমান প্ৰচলিত ৰীতি-নীতি, নিয়ম-কানুন, আচাৰ-ব্যৱহাৰ আছে-যিবোৰে সমাজ জীৱনৰ প্ৰগতিত অন্তৰায় হৈ থিয় দিছে। কল্যাণৰ হকে কাম কৰাৰ প্ৰয়াস কৰিছে।

হেম বৰুৱাৰ কবিতাৰ বিশ্লেষণ কৰিলে আমি মানৱতাবাদী সুৰ প্ৰকাশি উঠা দেখিবলৈ পাওঁ। তেওঁৰ কবিতাত পুঁজিবাদী সমাজ ব্যৱস্থাত দেখা দিয়া শ্ৰেণী বৈষম্যৰ বিৰুদ্ধে তীব্ৰ বিদ্বেষ প্ৰকাশ পাইছে। শোষকৰ প্ৰতি ঘৃণা, আপোচহীন প্ৰতিৰোধৰ ভাব যন্ত্ৰণাক্লিষ্ট, হতাশগ্ৰস্ত জনতাক নতুন সমাজ গঢ়াৰ প্ৰবুল আগ্ৰহ আৰু আশা তেওঁ প্ৰকাশ কৰিছে। শোষিত নিপীড়িত,দুখীয়া জনতাৰ প্ৰতি কবিৰ গভীৰ সহানুভূতি আছে, তেওঁলোকৰ সুখ-দুখ হাঁহি-অশ্ৰু,আশা-নিৰাশাৰ অনুভূতি কবিয়ে সহানু ভূতিশীল অন্তৰেৰে অনুভৱ কৰি সমাজখন নতুনকৈ গঢ় দিয়াৰ কল্পনা কৰিছে। এই নতুন সমাজ গঢ়াৰ বাবে লাঠি বেয়নেট আদি হাতিয়াৰৰ প্ৰয়োজনীয়তা কবিয়ে অনুভৱ কৰা নাই। কাৰণ এই সমাজ গঢ়াৰ হাতিয়াৰ হ'ল মানুহদলিত নিপীড়িত মানুহ। কবিয়ে এই শ্ৰেণী মানুহক প্ৰতিনিধিত্ব কৰি মানৱ জাতিৰ কল্যাণ সাধন



কৰিবলৈ বিচাৰিছে। শেহতীয়া জনতাৰ দুখ কষ্টৰ প্ৰতি কবি সজাগ। তেওঁলোকৰ দুখ-দৈন্যৰ প্ৰতি তেওঁৰ গভীৰ সহানুভূতি আছে। দৰিদ্ৰ, ক্ষুধাতুৰ জনতাৰ অভাৱৰ ইতিহাস কবিয়ে প্ৰকাশ কৰিবলৈ বিচাৰে। সেই ইতিহাসত কবিয়ে মানুহৰ বুকুৰ প্ৰতিচ্ছবি, মানুহৰ জীয়াই থকাৰ স্বপ্ন দেখা পাইছে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আছিল সমাজ সচেতন কবি। জনজীৱনৰ অসন্তুষ্টিয়েই তেওঁৰ কবিতাৰ মূল বস্তু। খাতি খোৱা মানুহ শ্ৰেণীৰ প্ৰতি তেওঁৰ আছিল অসীম দৰদ। কবিয়ে সমাজবাদী আদৰ্শৰ প্ৰতি থকা আস্থা,মানুহৰ প্ৰতি থকা বিমল সহানুভূতি আৰু সত্য, অহিংসা আৰু ন্যায়ৰ ভেটিত প্ৰতিষ্ঠিত গণতান্ত্ৰিক আদৰ্শৰ প্ৰতি শ্ৰদ্ধা প্ৰকাশ কৰিছে। ধনতন্ত্ৰবাদৰ অৱসান ঘটাই জনতাক সিংহাসনত অধিষ্ঠিত কৰাৰ প্ৰয়াস তেওঁৰ কবিতাত দেখা যায়। সেয়েহে দেশ কালৰ সীমা চেৰাই বিশ্বৰ জনসমুদ্ৰৰ মাজলৈ তেওঁ জনতাক গতি কৰাইছে। বিশেষকৈ নিম্ন মধ্যবিত্ত জীৱনৰ দুখ-দুৰ্দশা, অভাৱ অনাটনৰ প্ৰতি তেওঁ গভীৰভাৱে সজাগ। পৃথিৱীৰ মাটিৰ বুকুৰ পৰা অন্যায়,হত্যা,নিপীড়িত জনতাই মুক্তি পোৱাটো কবিয়ে বিচাৰিছে। জনতাই এদিনাখন স্বৰ্গ ৰাজ্যৰ অধিপতি হ'ব। জনতাৰ এই জয় যাত্ৰাত শোষক ধনবাদীসকলে তেওঁলোকৰ সমস্ত কলুষিত স্বাৰ্থ প্ৰয়োগ কৰি শান্তি ব্যাহত কৰিবলৈ যত্ন কৰিব। এই অশুভ প্ৰক্ৰিয়াক বিনাশ কৰিবলৈ কল্যাণময় শুভ বুদ্ধিৰ প্ৰয়োডনীয়তা কবিয়ে উপলব্ধি কৰিছে আৰু মানৱতাবাদী দৃষ্টিভংগী প্ৰকাশ কৰিছে।

অসমীয়া কবিতাত মানৱতাবাদ আগশাৰীৰ কবি কেশৱ মহন্তৰ কবিতাৰ মাজেৰেও আমি আলোচনা কৰিব পাৰো। দুখীয়া,শোষিত,নিপীড়িত জনতাৰ দুখ কষ্টৰ অনুভূতিৰ সৈতে নিজৰ কাব্যানুভূতিৰ মিলন ঘটাই এইজনা কবিয়ে মাটিৰ মানুহৰ বুকুৰ তেজৰ ইতিহাস ৰচনা কৰিছে। সমাজ চেতনাৰ আধাৰত কবিতা ৰচনা কৰা এইজনা কবিৰ নিজস্ব স্পষ্ট আদৰ্শ আছে। সৰ্বহাৰাৰ মুক্তি আৰু মংগল কামনা কবিৰ অন্যতম আদৰ্শ। কবিৰ কবিতাত বিশেষকৈ গাঁৱলীয়া শ্ৰমজীৱী মানুহৰ বুকুৰ হিয়া ভগা কান্দোনৰ প্ৰতিচ্ছবি বিচাৰি পোৱা যায়। ইয়াক স্পষ্ট প্ৰমাণ তেওঁৰ 'সোণজিৰা মাহীৰ নাড়ী' কবিতাত পোৱা যায়। এগৰাকী দুঃখীয়া নাৰীৰ প্ৰতি যি মনোভাৱ কবিয়ে লৈছে তাৰ জৰিয়তে মানৱতাবাদী দৃষ্টিভংগীৰ প্ৰকাশ হৈছে। দৰিদ্ৰ,হালোৱা,বনুৱাক সমাজ জীৱনক মূল সোঁতৰ মাজলৈ আনি সিহঁতৰ অপহৃত স্বাধীনতা পুনৰ উদ্ধাৰ কৰিবলৈ সংকল্প ৱদ্ধ হোৱা কবিৰ অটল বিশ্বাস যে শোষকৰ হাতৰ পৰা সিহঁতক উদ্ধাৰ কৰিবলৈ হ'লে নিপীড়িত মানুহৰ সন্মিলিত ঐক্যৱদ্ধ সংগ্ৰমৰ প্ৰয়োজন হ'ব। শোষিত মানুহৰ বৈপ্লৱিক চিন্তাধাৰাৰ এই বিপ্লৱে শোষকক ত্ৰস্ত কৰিব আৰু শেষ মু হূৰ্তত শেষিতৰ জয়ৰ পথ ৰচনা হ'ব- মানুহৰ জয় হ'ব সত্যৰ আকাশত প্ৰেমৰ পতাকা উৰিব।

মানুহৰ স্বাৰ্থক, মানৱীয় মূল্যবোধক আৰু মানৱ জাতিৰ কল্যাণ কামনাক গুৰুত্ব দিয়া ৰাম গগৈৰ কবিতাৰ মাজত দেখা পাওঁ। ৰাম গগৈ আছিল জনতাৰ কবি। জনজীৱনৰ দুখৰ বেদনা ভৰা ইতিহাস তেওঁ সহানুভূতিশীল অন্তৰেৰে উপলব্ধি কৰিছে। মানুহৰ কল্যাণৰ বাবে তেওঁ উৎসৰ্গা কৰিছে হাতুৰীৰে গঢ়ি পিটি লোৱা বুকুৰ কলিজাৰ কবিতা। তেওঁৰ কবিতা যেন শোষিত, লাঞ্জিত মানুহৰ শোষকীয় শক্তিৰ বিৰুদ্ধে বলিষ্ঠ পদক্ষেপ। শ্ৰেণী চেতনা শোষিতৰ প্ৰতি গভীৰ অনুভূতি, সমাজ পৰিৱৰ্তনৰ বাবে নতুন বলিষ্ঠ চেতনা, সামাজিক অন্যায় আৰু বৈষম্যৰ বিৰুদ্ধে ক্ষোভ আৰু প্ৰতিবাদ তেওঁৰ কবিতাৰ মাজেৰে মূৰ্ত হৈছে। গতিকে দেখা যায় ৰাম গগৈৰ কবিতাসমূহৰ মাজেতো মানৱতাবাদী দৃষ্টিভংগী ফুটি উঠা পৰিলক্ষিত হয়। এনেদৰে আমি ৰোমান্টিক যুগৰ পৰা আধুনিক যুগলৈকে প্ৰকাশিত কবিতাবিলাকৰ মাজত কিছু পৰিমাণে হ'লেও মানৱতাবাদী ভাবধাৰাৰ প্ৰকাশ হোৱা বুলি ক'ব পাৰো।❑


<u>গ্ৰন্থপঞ্জী</u> ঃ-

১। কটকী ড°প্ৰফুল্ল ঃ সাহিত্য আৰু সংজ্ঞা

২। ডেকা হাজৰিকা ড°কৰবী ঃ অসমীয়া কবিতা

৩। ভট্টাচাৰ্য্য ড°পূৰ্ণ ঃ আধুনিক অসমীয়া কবিতা

৪। তালুকদাৰ নন্দ ঃ কবি আৰু কবিতা

৫। শইকীয়া নগেন ঃ সাহিত্যত বাদবৈচিত্ৰ্য


## মহৎলোকৰ বাণী

❑ মাত্ৰ এটা বস্তুৱেই যাৰ প্ৰিয়, সেই মানুহতকৈ ভয়ংকৰ আন কোনো নাই। তেওঁৰ পৰা সাৱধানে থাকিবা

— জি কে চেষ্টোচন।



তৰুণ চন্দ্ৰ ভাগৱতী
জ্যেষ্ঠ প্ৰবক্তা,বুৰঞ্জী বিভাগ।

# বজালীৰ তাম্ৰ শাসনৰ আৰু এক নতুন সংযোজন

সমল হৈছে বুৰঞ্জীৰ প্ৰাণ। উপযুক্ত সমল নহ'লে বুৰঞ্জীৰ সৃষ্টি অসম্ভৱ। ঐতিহাসিক দৃষ্টিকোণৰ পৰা মুখ্য সমল সমূহ বুৰঞ্জীৰ সত্য নিৰূপণৰ প্ৰধান আহিলা। শিলালিপি, তাম্ৰলিপি, প্ৰাচীন কীৰ্তিচিহ্ন আদি হৈছে প্ৰত্নতাত্ত্বিক সমলৰ অন্তৰ্গত। এই সমলসমূহে কোনো ঘটনা প্ৰবাহৰ সম্পূৰ্ণ সত্যতা উদ্ধাৰ কৰি বুৰঞ্জীৰ পূণৰ্গঠনত সহায় কৰে। আমাৰ ওচৰে পাজৰেও এনে সমল কিছুমান এতিয়াও আগোচৰ হৈ আছে, যিটো বুৰঞ্জী অধ্যয়নৰ প্ৰতি আমাৰ অনীহাৰ সাক্ষী।

ইতিহাস প্ৰসিদ্ধ ভাস্কৰ বৰ্মাৰ ডুবি তাম্ৰ শাসনৰ উপৰিও বজালী পৰগনাৰ ৫ খন তাম্ৰপট্ট বা তাম্ৰফলিৰ তথ্য অসম চৰকাৰৰ ৰাজ্যিক সংগ্ৰহালয়, কামৰূপৰ উপায়ুক্তৰ কাৰ্যালয়ৰ মহাফেজ খানাৰ মহজৰ বহী আৰু কামৰূপ অনুসন্ধান সমিতিৰ তথ্য বহীত লিপিবদ্ধ আছে। ড° মহেশ্বৰ নেওগ সম্পাদিত আৰু অসম প্ৰকাশন পৰিষদ প্ৰকাশিত 'প্ৰাচ্য-শাসনাবলী' (পুৰ্ণবৰ্দ্ধিত ২য় সংস্কাৰণ ২০০৩) নামৰ গ্ৰন্থত সমগ্ৰ অসম (পুৰ্বৰ প্ৰাগজ্যোতিষ কামৰূপ)ত উদ্ধাৰ হোৱা মুঠ ১৫৬ খন ফলকৰ বৃত্তান্ত পোৱা যায়। ড° নেওগে তেখেতৰ এই অমূল্য গ্ৰন্থত ফলকসমূহক ক্ৰমিক নং অনুসাৰে চিহ্নিত কৰি অসমীয়া আৰু ইংৰাজীত ইয়াৰ বিশ্লেষন আগবঢ়াইছে। ইতিহাসপ্ৰেমী আৰু গবেষক সকলৰ বাবে ই অমূল্য সম্পদৰ ভঁৰাল আৰু জ্ঞান পিপাসুসকলৰ বাবে পৰম অমৃত।



এনে ১৫৬ খন শাসনাবলীৰ ভিতৰত বজালী পৰগণাত উদ্ধাৰ হোৱা ৫ খন তাম্ৰফলিৰ বিৱৰণ এনে ধৰণৰ—

১।নং ৭৫ ১৬৮৭/১৭৬৫ শক/চন ঃ বজালী পৰগণাৰ প্ৰানপতি ব্ৰাহ্মণৰ ভূমি তামৰ ফলি।

২।নং ৭৬ ১৬৮৭/১৭৬৫ ঐ ঃ বজালী পৰগণাৰ মহাজনৰ ভূমি-দানৰ তামৰ ফলি।

৩।নং ৮৭ ১৬০৯/১৭৮৭ ঐ ঃ বজালী, নামবৰভাগ,বৰনগৰ আদি পৰগণাৰ হৰিদেৱী পন্থৰ মেধিৰ ভূমিদান আৰু পাইকৰ নিবন্ধনৰ ফলি।

৪।নং ১৩৫ ১৬৬৪/১৭৪২ ঐ ঃ বজালী পৰগণাৰ বিসিকুচি গাঁৱৰ ব্ৰহ্মোত্তৰ তামৰ ফলি।

৫।নং ১৩৬ ১৬৬৫/১৭৪৩ ঐ ঃ বজালী পৰগণাৰ বিচনকুচি গাঁৱৰ ব্ৰহ্মোত্তৰৰ তামৰ ফলি।

এতিয়ালৈ প্ৰকাশিত চৰকাৰী তথ্যমতে বজালী পৰগণাত ১৭৪২ চনৰ আগৰ কোনো তাম্ৰফলি উদ্ধাৰ হোৱা আৰু কৰবাত আছে যদিও সি অগোচৰ। শেহতীয়াভাৱে এই প্ৰবন্ধ লিখকে আঞ্চলিক ইতিহাসৰ সমলৰ ওপৰত চলোৱা এক গবেষণামূলক অনুসন্ধানত বজালী পৰগণা (মহকুমা)ৰ পাটাছাৰকুছিৰ নিকটবৰ্ত্তী বৰনলিকুছি (টঙ্গাৰকুৰ) গাঁৱৰ ˚মোহিনী মোহন শৰ্মাৰ পুত্ৰ শ্ৰীগোপেশ চন্দ্ৰ শৰ্মা (গোবিন্দ)ৰ পৰা এখন পূৰণি তাম্ৰফলিৰ সম্ভেদ পায় আৰু ইয়াক প্ৰত্যক্ষ কৰি সেয়া ১৬৬৩ শকৰ ২৩ শ্ৰাবনত স্বৰ্গদেব শিবসিংহই বৰফুকন শ্ৰীতৰুন দুৱাৰাৰ দ্বাৰা বৰদেউৰী শ্ৰীদেবিদত্ত ব্ৰাহ্মনক ব্ৰহ্মোত্তৰ ভূমি দানৰ ফলি বুলি চিহ্নিত কৰে। পৰৱৰ্তী পদক্ষেপত লিখকে ইয়াৰ পাঠোদ্ধাৰ কাৰ্যত মনোনিবেশ কৰি সফল হয়। অসমীয়া আখৰৰ এই ফলিখনত সৰ্বমুঠ ১৮ শাৰী আখৰ আছে। প্ৰথম দফাৰ ভাষা সংস্কৃত, দ্বিতীয় দফা অসমীয়া আৰু আহোম বঙালী সংমিশ্ৰনৰ। (২৬.৫ X ১৬.৫) চেন্টিমিটাৰ আয়তাকাৰ ফলিখনৰ বৰ্তমানৰ ওজন প্ৰায় ৫৭০ গ্ৰাম। ফলিখনৰ দীঘ বহল অৰশ্যে ৪ টা দিশৰ সম্পূৰ্ণ সমান





নহয়। আখৰবোৰ সুন্দৰকৈ বটালী বা কোনো জোঙা অস্ত্ৰৰে খোদিত আৰু তাত বগাৰং ঘহা। আখৰ বোৰ এতিয়াও অক্ষত অৱস্থাত আছে। ফলিখনৰ একেবাৰে ওপৰৰ সোমাজত প্ৰথম শাৰী 'শ্ৰীশ্ৰীজনাৰ্দ্দন' আৰু একেবাৰে শেষৰ শাৰীত সক ১৬৬৩ তাৰিখ ২৩ শ্ৰাবন লিখা আছে। আখৰবোৰৰ জোখ আৰু শাৰীৰ ব্যৱধান প্ৰায় সমান (.০৫ চেন্টিমিটাৰ) ওপৰৰ ফালে সোমাজত প্ৰায় (১X১) ইঞ্চি আগবঢ়া আৰু আঁৰি থব পৰাকৈ এটা বিন্ধা আছে।

ফলিখনৰ আকাৰ আৰু ভাষা বিচনকুছি আৰু বিসিকুচি তাম্ৰফলিৰ সদৃশ। চন তাৰিখলৈ মন কৰিলে দেখা যায় প্ৰত্যেকখন ফলিৰ সময়ৰ অন্তৰ প্ৰায় ১ বছৰ। তিনিওখন ফলিৰ দাতা স্বৰ্গদেব শিবসিংহ আৰু পাত্ৰ তৰুণ দুৱৰা বৰফুকন। ফলিখনৰ লিখনি এনে ধৰণৰ ঃ—

শ্ৰীশ্ৰীজনাৰ্দ্দন
দত্তা শ্ৰীশিবসিংহনামনৃপতেঃ পূণ্যাৰ্থ
মূৰ্ব্বিভূজাংমৌলানাংগণলাঞ্চিতাংঘ্ৰিযুগল
স্বৰ্গাধিৰাজস্যবৈ।। এযাতাম্ৰফলীবিচিত্ৰ
কুশলান্যুত্তাৰিণী সাধ্বসাতমন্ত্ৰিশ্ৰীদুৱৰা
কুলাব্জঁতৰুণাদিত্যেনবিপ্ৰোত্তৰা।।

˚৭ কামৰুপদেশৰবড়ুৱাওবড়কায়স্থওচৌধাৰিপ
টোৱাৰিওতালুকদাৰঠাকুৰিয়াআনোসকলে
সাবধানেজানিবেকবজালিপৰগণাৰপূবপা
ৰৰডলুবাকুচিপাঞ্চবাকএইদুইগ্ৰামৰহাচি
লাজমিপক্কা১এক বিহিবাড়িমাটিওচয়
পূড়া ˚˚ পূণ্যে˚ বড়দেউৰিশ্ৰীদেবিদত্ত
ব্ৰাঁহ্মণকতাম্ৰফলিকৰিব্ৰঁহ্মোত্তৰদিয়াগেল
পৌত্ৰপৌত্ৰাদিক্ৰমেভোগকৰিবেকইহাৰকৰকাঁ
টলপদপঞ্চকবেঠবেগাৰজলকৰজবক্ষাৰচো
ৰচিনালাধুমুসিমাড়েসাডণ্ডবন্ধদানখুটচৌ
কিহাটঘাটসবৰ্বাবপৰিত্যাগহৈল ইতি
সক ১৬৬৩ তাৰিখ ২৩ শ্ৰাবণ—

প্ৰায় ২৬৭ বছৰৰ আগৰ এই তাম্ৰফলিখন নিঃসন্দেহে আঞ্চলিক বা স্থানীয় ইতিহাসৰ এক গুৰুত্বপুৰ্ণ মুখ্য সমল। ফলিখনৰ সম্পূৰ্ণ পাঠ উদ্ধাৰ হ'লে কিছু নতুন তথ্যৰ সম্ভেদ পোৱা যাব বুলি অনুমান কৰা হৈছে আৰু পুৰ্বৰ তাম্ৰ শাসনৰ লগত এক নতুন অথচ প্ৰাচীন তথ্যৰ সমল বুলি পৰিগণিত হ'ব। ফলিৰ নকল ইতিমধ্যে কামৰূপ অনুসন্ধান সমিতিৰ কাৰ্যালয়লৈ অধিক অধ্যয়নৰ বাবে প্ৰেৰণ কৰা হৈছে। সমিতিয়ে ইয়াক এক গৌৰৱময় অৱদান বুলি প্ৰমাণ পত্ৰ দিছে।

টোকা আৰু প্ৰসঙ্গ

বৰদেউৰীঃ পুৰোহিত
কৰ ঃ মাটি খোৱা বাবে ৰজাক দিব লগা সামগ্ৰী বা ধন।
কাটল ঃ পাইকে মাটি খোৱা বাবে ৰজাঘৰত দিব লগীয়া খাটনিৰ সলনি ভৰিব লগীয়া ধন।
পদ ঃ পাইকে বিষয় পালে ৰজাঘৰত দিব লগা ধন।
পঞ্চকঃ এক প্ৰকাৰ কৰ ; বৰঙণি ; পচা
বেঠ ঃ ৰজাঘৰীয়া হাতী,মহ আদি জন্তুবোৰ ধৰা বাব।
বেগাৰ ঃৰজাৰ প্ৰয়োজন মতে বন কৰি দিয়া বাব।
জলকৰ ঃনৈ বিল আদিত মাছধৰা কৰ
জবক্ষাৰ ঃহিলৈৰ খাৰ তৈয়াৰ কৰাবৰ নিমিত্তে ঘৰে প্ৰতি জবক্ষাৰ (জখাৰ) দিব লগা বাব।
চোৰ ঃ সৰু সুৰা চুৰিৰ শাস্তি
চিনলাঃ ব্যভিচাৰ দোষৰ শাস্তি
ধুমচি ঃ নিঃবংশ মানুহৰ সম্পত্তি ৰজাই পোৱা বাব।
মাড়েসা ঃ বিয়াৰ হোমৰ মাটিৰ বাবে দিব লগা কৰ।
দান ঃ বেচিবলৈ অনা বস্তুৰ বাবে ৰজাক দিব লগা কৰ
খুত ঃ মাটিৰ বাহিৰে আন বস্তুৰ ওপৰত লগোৱা ৰাজহ।
দণ্ড ঃ জগৰৰ নিমিত্তে দিয়া পীড়ন।
বন্ধ ঃ জগৰৰ নিমিত্তে বন্ধা
হাট ঃ নিৰূপিত সময়ত বা দিনত অনেক মানুহ গোটখাই কিনাবেচা কৰা ঠাই।
চকী ঃ ৰজাৰ নগৰৰ বা গড়ৰ পৰা দিয়া ঠাই (outpost)
ঘাট ঃ পাৰঘাটৰ বাবে দিব লগা
হাচিলাঃ জংগলেৰে আবৃত্ত/জংগলা
জমি ঃ মাটি
বিহি ঃ মাটিৰ পৰিমাণ বিশেষ
ব্ৰহ্মোত্তৰঃ ব্ৰাহ্মণক দিয়া দান
˚৭ ঃ আঞ্জী (ওঁ সদৃশ)

গ্ৰন্থপঞ্জী ঃ-

পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ- কামৰূপ শাসনাৱলী পৃঃ ৫৫-৫৬
ডঃ মহেশ্বৰ নেওগ সম্পাদিত-প্ৰাচ্য শাসনাৱলী পৃঃ ১৫৩-১৫৮
ডঃ সূৰ্য্য কুমাৰ ভূঞা- আহোমৰ দিন পৃ ঃ ৫১-৫২
NEIHA Proceedings, Vol. XXI, 2000, P 34.

# কথাশিল্পী শীলভদ্ৰ আৰু তেওঁৰ সুখপাঠ্য আঞ্চলিক উপন্যাস 'মধুপুৰ' ঃ এক আলোচনা।



মনোজ কুমাৰ শৰ্মা
জ্যেষ্ঠ প্ৰবক্তা অসমীয়া বিভাগ

'শীলভদ্ৰ' অসমীয়া সমাজত তথা সাহিত্যৰ পাঠক সকলৰ বাবে চিনাকী নাম। অসমীয়া সাহিত্যৰ পাঠক সকলে 'শীলভদ্ৰ' নামটো 'ছদ্মনাম' বুলি কয়। কিন্তু শীলভদ্ৰই ভদ্ৰ ভাবে দাবী কৰে "শীলভদ্ৰ মোৰ ছদ্মনাম নহয়। 'শীলভদ্ৰ' নামটো লিখিবৰ বাবে ব্যৱহাৰ কৰিছিলো— ইট ইজ এ নেম আই এডোপ্টেড ফৰ ৰাইটিং। তেওঁৰ আচল নাম হৈছে ৰেৱতীমোহন দত্তচৌধুৰী। ৰেৱতীমোহন জন্ম হৈছিল ১৯২৪ চনৰ ১৮ চেপ্তেম্বৰত অসমৰ পশ্চিম সীমান্তৰ এখন ঠাই গৌৰীপুৰত (বৰ্তমান ধুবুৰী জিলাত)। তেওঁৰ পিতৃৰ নাম ৰমনীমোহন দত্তচৌধুৰী আৰু পিতৃ অমিয়লতা দত্তচৌধুৰী। গৌৰীপুৰতেই শিক্ষা জীৱন আৰম্ভ কৰা ৰেৱতীমোহনৰ হাইস্কুলীয়া শিক্ষা হৈছিল গৌৰীপুৰৰ পি-চি-ইনষ্টিটিউশ্যনত। কটন কলেজৰ পৰা আই-এচ-চি পঢ়ি তেতিয়াৰ পূৰ্ববংগৰ (বৰ্তমান বাংলাদেশ) ৰংপুৰৰ কাৰমাইকেল কলেজত বি-এছ-চি পঢ়ে আৰু ১৯৪৬ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পিয়'ৰ মেথেমেথিক্সত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰি স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। শিক্ষা গ্ৰহণৰ পাছত অ'ত-ত'ত কিছুদিন শিক্ষকতা কৰি ১৯৪৭ চনত ৰেৱতীমোহনে কটন কলেজৰ প্ৰৱক্তা ৰূপে যোগদান কৰি কৰ্মজীৱনৰ পাতনি মেলে। ইয়াৰ পাছত তেওঁ ঠিকাদাৰ, ট্ৰিবিউন কাকতৰ উপ সম্পাদক চাহবাগিচাৰ সহকাৰী পৰিচালক আদি কাম কৰি ১৯৫৭ চনত অসম ইঞ্জিনিয়াৰিং কলেজৰ গণিতৰ প্ৰৱক্তাৰূপে যোগদান কৰি ১৯৮২ চনত অৱসৰ গ্ৰহণ কৰে। ইয়াৰ মাজতে গুৱাহাটী বিশ্ববিদ্যালয়ত অংশকালীন প্ৰৱক্তাৰূপে সেৱা আগবঢ়ায়। জ্ঞানৰ্গভ ধীৰ স্থিৰ স্থিতপ্ৰজ্ঞ নিৰহংকাৰী ব্যক্তিৰূপে অসমীয়া সমাজত পৰিচিত কথাশিল্পী, শিক্ষাবিদ ৰেৱতীমোহনে ২০০৮ চনৰ ২৯ ফেব্ৰুৱাৰীৰ নিশা ৮-২০ বজাত নশ্বৰ দেহা ত্যাগ কৰে। 'শীলভদ্ৰ' এই গোছাকী নামত ৩৮ খন অনন্য গ্ৰন্থেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা ৰেৱতীমোহন অসমীয়া সমাজত সদায় স্মৰণীয় হৈ ৰ'ব।

শীলভদ্ৰৰ উপন্যাস সৰ্বমুঠ আঠখন ক্ৰমে- (ক) মধুপুৰ (খ) তৰংগিনী (গ) আগমনিৰ ঘাট (ঘ) আঁহতগুৰি (ঙ) অবিচ্ছিন্ন (চ) প্ৰাচীৰ (ছ) গধুলি (জ) অনুসন্ধান। ইয়াৰ উপৰি ২২ খন চুটিগল্প সংকলন অসমীয়া কথা সাহিত্যত অমূল্য সম্পদ। হিন্দী, বঙলা আৰু ইংৰাজী ভাষাতো কিছু পুথি তেখেতে ৰচনা কৰিছে।

শীলভদ্ৰ 'মধুপুৰ' এখন আঞ্চলিক উপন্যাস। অবিভক্ত গোৱালপাৰাৰ গৌৰীপুৰতেই শীলভদ্ৰৰ মধুপুৰৰ কাহিনীভাগ জড়িত। মধুপুৰতেই তেওঁৰ জন্মৰ পৰা জীৱনৰ আদি চোৱাৰ কেবাটাও বছৰ অতিবাহিত কৰিছিল। প্ৰাকৃস্বাধীনতা কালৰ এখন ঐতিহ্যপূৰ্ণ স্থানৰ বাস্তৱ চিত্ৰ স্মৃতি ৰোমন্থনৰ যোগেদি উপন্যাসখনত দাঙি ধৰাৰ প্ৰয়াস কৰিছে। ঔপন্যাসিকৰ বাবে 'মধুপুৰ' ইমানেই আপোন যে সেই ঠাইৰ চৰিত্ৰবোৰৰ উপন্যাসখনত সমাবেশ ঘটাবলৈ তেওঁ নিজেই অসুস্থ হৈছে গুৱাহাটীৰ ঘৰত। তেওঁৰ খা-খবৰ ল'বলৈ অহা মানুহৰ সৰহভাগেই মধুপুৰৰ। প্ৰত্যেকজন ব্যক্তিয়েই লেখকৰ ওচৰলৈ অতীত স্মৃতিৰ টোপোলা কঢ়িয়াই লৈ আনে।

উপন্যাসখনৰ মাজেৰে মধুপুৰৰ শিক্ষা, সমাজ ব্যৱস্থাৰ বৰ্ণনা দাঙি ধৰা হৈছে। মধুপুৰ অসমত হ'লেও সেই সময়ত বঙলা মাধ্যমৰ স্কুলত শিক্ষা গ্ৰহণ কৰিব লগা হৈছিল। প্ৰাক্‌স্বাধীনতা কালৰ বিষয়বস্তুৰ উপৰিও স্বাধীনতাৰ পাছত মধুপুৰৰ মানুহৰ অসমীয়া ভাষা সংস্কৃতি গ্ৰহণৰ বৰ্ণনা, জমিদাৰ বংশৰ ঐতিহ্য পৰম্পৰাৰ বৰ্ণনা উপন্যাসখনত অতি সুন্দৰ ভাবে উপস্থাপন কৰা হৈছে।

গোৱালপাৰা অসমৰ যেন অৱহেলিত অঞ্চল ইয়াৰ মানুহে যে পাব লগা সুবিধা নাপায় তেনেকুৱা ভাব আৰু সংঘাতৰ চিত্ৰ দুই এটা চৰিত্ৰৰ মাজেৰে প্ৰকাশ কৰিব বিচাৰিছে। কিন্তু





ঔপন্যাসিক অসমৰ ঐক্য সম্প্ৰীতিৰ প্ৰতি সা-সুবিধা নপোৱাত গজেনে আক্ষেপ কৰাত ঔপন্যাসিকৰ এক প্ৰকাৰ খঙ উঠিছে। তেখেতে টানকৈয়ে কৈছে—"গোৱালপাৰা চোৱালপাৱালৈ কথা নহয়। আচলতে খাতিৰৰ কথা। কথাযাৰ এই ধৰণে কিয় লৈছা।" পৃ.৪. গোৱালপাৰা বঙ্গদেশৰ দাতিকাষৰীয়া হোৱাত এই অঞ্চলৰ মানুহৰ শব্দৰ উচ্চাৰণ বেলেগ। বঙলা ঠাচ এটা লক্ষ্য কৰা যায়। ঔপন্যাসিকে নিজেই এই সমস্যাত পৰি বঙাল বুলি অপবাদ ল'ব লগা হৈছে। শৈশৱ কালত তেওঁ কামৰূপৰ পেহীয়েকৰ ঘৰলৈ আহোতে 'সুৰুজমুখী' উচ্চাৰণ কৰিবলৈ দিয়াত— 'হুৰুজমুখী' আৰু 'থুৰুজমুখী' উচ্চাৰণ কৰিছে। এই উচ্চাৰণৰ ভিন্নতাৰ মূল কাৰণ যে ভিন্ন ভৌগোলিক অৱস্থান তাক লেখকে নিজেই স্বীকাৰ কৰিছে। ঔপন্যাসিকৰ ককাদেউতাকেই মধুপুৰলৈ গৈছিল। তেখেতৰ মাতবোল আছিল ইফালৰ। মধুপুৰৰ মানুহে সেই লৈ তেখেতক জোকাইছিল। দেউতাকৰ মাতবোল আছিল সিফালৰ। তেওঁ পঢ়িছিল কলিকতাৰ স্কটিচ চাৰ্চ কলেজত। লেখক পঢ়িছে গুৱাহাটীৰ কটন কলেজত। তেখেতৰ ল'ৰা ছোৱালীয়ে গোৱালপৰীয়া মাত মাতিব নোৱাৰে। লেখকৰ ভাষাত-"এশ বছৰৰো কম সময়ৰ ভিতৰতে এটা চক্ৰানুবৰ্তন সম্পূৰ্ণ।"

'মধুপুৰ' উপন্যাসখনত সেই সমাজৰ চৰিত্ৰবোৰ এটাৰ পাছত এটাকৈ উপস্থাপন কৰা হৈছে আৰু সেই চৰিত্ৰবোৰৰ যোগেদি মধুপুৰৰ আৰ্থসামাজিক জীৱনৰ চিত্ৰ অঙ্কন কৰাৰ চেষ্টা কৰা হৈছে। যতেই সুৰুঙা পাইছে তাতেই জনজীৱনৰ আচাৰ নীতি, কৃষ্টিৰ আভাস দিবলৈ যত্ন কৰিছে। কৃষিজিৱী আৰু শ্ৰমজিৱী মানুহেৰে ভৰা মধুপুৰ। মানুহবোৰ সহজ সৰল।

প্ৰাচীন কালত কামৰূপৰ মানুহে জীৱিকাৰ সন্ধানত লুইতেৰে ভটিয়াই গৈ মধুপুৰ, কোচবিহাৰ আদি ঠাইত থিতাপি লৈছিল আৰু সেই ঠাইৰ জনজীৱনৰ লগত মিলি গৈছিল। এনেকুৱা বৰ্ণনাত প্ৰাচীন কামৰূপৰ দুই এখন ঠাইৰ নামো উপন্যাসখনত সোমাই পৰিছে। উপন্যাসখনৰ পটভূমি প্ৰাক্-স্বাধীনতা কালত আৰম্ভ হৈছে যদিও স্বাধীনোত্তৰ কালৰ বিষয়বস্তুও সামৰি লোৱা হৈছে। সেই সময়ত মধুপুৰত জমিদাৰী প্ৰথা আছিল। জমিদাৰৰ আমোলত পৰিয়াল সমূহক কেনেকৈ খাদ্য, ৰচদপতি যোগান ধৰা হৈছিল, উৎসৱ-পাৰ্বন কেনেকে পালন কৰা হৈছিল তাৰ এক হুবহু বৰ্ণনা উপন্যাসখনত দাঙি ধৰা হৈছে। মধুপুৰত জমিদাৰৰ স্বজাতিৰ মানুহ হ'লে অনেক সুবিধা পাইছিল। আনকি পৰিয়ালৰ ল'ৰাৰ পঢ়া খৰচৰ পৰা ছোৱালীৰ বিয়ালৈ সকলো খৰচ জমিদাৰেই বহন কৰিছিল। সেই সময়ত মধুপুৰ হাইস্কুল অসমৰ প্ৰাচীনতম হাইস্কুলৰ অন্যতম। তাত পঢ়াৰ মাচুল দিব নালাগে। ছাত্ৰাবাসত থকা-খোৱা বিনামূল্যে। কামৰূপৰ বহুত ল'ৰাই শিক্ষা গ্ৰহণৰ কাৰণে সেই সময়ত মধুপুৰলৈ গৈছিল।

উপন্যাসখনত এফালে প্ৰতিপত্তিশালী জমিদাৰ শ্ৰেণীৰ জীৱন ধাৰণৰ ইতিবৃত্ত আনহাতে কৃষিজিৱী সাধাৰণ শ্ৰেণী মানুহৰ জীৱনচৰ্য্যাৰ বৰ্ণনা উপন্যাসখনত দাঙি ধৰা হৈছে। জমিদাৰৰ দুৰন্তপ্ৰতাপ, আইন-আদালত, বিচাৰ-ব্যৱস্থা সমস্ত জমিদাৰে নিজৰ হাতত লৈ কেনেকৈ বাঁহডালা দি শাসন কৰিছিল তাৰ আভাসো উপন্যাসখনত দাঙি ধৰা হৈছে। সেই সময়ৰ সমাজ ব্যৱস্থাত প্ৰচলিত উচ্চ-নীচ মনোভাব, উচ্চ সম্প্ৰদায়ৰ মানুহে নীচ লোকৰ ঘৰত খোৱা-লোৱাত বাধা-নিষেধ, সংকীৰ্ন মনোভাব আদিৰ বৰ্ণনা নিঃসংকোচে উপন্যাসখনত বৰ্ণনা কৰা হৈছে। কিন্তু সমাজ গতিশীল ঔপন্যাসিকৰ ককাকৰ বিপৰীতে দেউতাকে কিছু পৰিমানে পৰিবৰ্তনশীল সমাজ ব্যৱস্থাৰ আদৰ্শৰে পৰিপুষ্ট হোৱাত মধুপুৰৰ সমাজত নিজকে নাৰীৰ স্থান, বহু পত্নীৰ ব্যৱস্থা, স্বামী-স্ত্ৰীৰ মিলনত কঠোৰতা আদিৰ বৰ্ণনাও উপন্যাসখনত দিয়া হৈছে। সেই সময়ত নাৰী আছিল সমাজত চোতাল কুঁৱৰী। দুটা সন্তান জন্ম হোৱাৰ পিছতো নিজৰ গিৰীয়েকক চিনি নোপোৱাৰ উদাহৰণ ঔপন্যাসিকে বৰ্ণনা কৰিছে।

ইংৰাজৰ আগমনৰ লগে লগে মধুপুৰৰ জীৱন ধাৰাৰ পৰিবৰ্তন হৈছে। বাস্তৱ জীৱনত শৈশৱৰ পৰা লাভ কৰা মধুপুৰৰ আৰ্থসামাজিক বিভিন্ন কথা আৰু শৈশৱত আইতাকৰ মুখৰ পৰা শুনা মধুপুৰৰ অতীত কথাবোৰ মুখৰ পৰা শুনা মধুপুৰৰ অতীত কথাবোৰ ঔপন্যাসিকে বিভিন্ন চৰিত্ৰ আৰু পৰিবেশৰ মাজেৰে উপন্যাসখনত বৰ্ণনা কৰিছে। সেইফালৰ পৰা উপন্যাসখন মধুপুৰৰ এখন দলিল বুলিব পাৰি। মধুপুৰত মধু আছে অৰ্থাৎ সকলো বস্তুৰেই উভৈনদী। অতীতত মধুপুৰত স্ত্ৰী শিক্ষাৰ প্ৰচলন নাছিল। মধুপুৰৰ জমিদাৰ ধীৰেন্দ্ৰ নাৰায়নেই মধুপুৰত স্ত্ৰী শিক্ষাৰ কাৰণে প্ৰথম মাইনৰ স্কুল এখন পাতি দিয়ে। কিন্তু এই কামো সমাজৰ লোকে সহজভাবে ল'ব পৰা নাছিল। আনকি মাইনৰ স্কুলখনত কাম কৰা ব্ৰাহ্ম শিক্ষক-শিক্ষয়িত্ৰী হালকো সমাজে কেৰাহীকৈ চাইছিল। মধুপুৰৰ সম্ভ্ৰান্ত বংশৰ ছোৱালীয়ে অভি ভাৱকৰ মনৰ অনিশ্চাতহে শিক্ষা গ্ৰহণ কৰিব লগা হৈছিল। বিদেশী কৰ্মচাৰীৰ ছোৱালী, জমিদাৰৰ আশ্ৰিত পৰিয়ালৰ ছোৱালীহে মাইনৰ স্কুল শিক্ষা গ্ৰহণ কৰিছিল।

এই শান্ত মধুপুৰতো এদিন স্বাধীনতা আন্দোলনৰ বতাহ বলিল। ১৯৪২ চনত মধুপুৰৰ কৌটিকলীয়া ধাৰণা আৰু আদৰ্শ

ঠানবান হৈ পৰে দ্বিতীয় মহাযুদ্ধৰ তীব্ৰবেগী বতাহত। মহাযুদ্ধই মধুপুৰৰ জীৱন ধাৰাৰ অভূতপূৰ্ব পৰিবৰ্ত্তন আনি দিয়ে এম-ই-এচ-অ'ৰ বৰবাবুৰ ক্ষমতা বিশেষ ক্ষেত্ৰত জমিদাৰৰ ক্ষমতাতকৈ বেচি হ'ল। বজাৰৰ বস্তুৰ দাম চৰিল। এটা সময়ত যুদ্ধ শেষ হ'ল যদিও জোকাৰণিত মধুপুৰৰ পুৰণি কাঠাম ভাঙি চুড়মাৰ হ'ল। সহজলভ্য টকা উপাৰ্জনেৰে সমাজত কিছুমান নতুন ধনীৰ সৃষ্টি হ'ল। তেওলোকে মধুপুৰৰ জমিদাৰতকৈও ওখ অট্টালিকা নিৰ্মান কৰিব পৰা হ'ল।

১৯৪৭ চনত সমগ্ৰ ভাৰতবৰ্ষৰ লগতে মধুপুৰো স্বাধীন হ'ল। মধুপুৰ অঞ্চলৰ মানুহে সাৰ পাই নিজৰ সত্তা বিচাৰিলে। মনত পৰিল মহাৰাজ নৰনাৰায়নৰ নাম, গুৰুজনাৰ স্মৃতি চিলাৰায়ৰ কথা। জাতীয়তাবাদী ভাবধাৰাই মানুহক আকৃষ্ট কৰিলে। স্কুলবোৰত অসমীয়া ভাষাৰ প্ৰচলন হ'ল, সাহিত্য সভাৰ শাখা স্থাপন হ'ল। ৰাজস্থানৰ পৰা অহা ব্যৱসায়ী হনুৎমলৰ পুত্ৰ মনিলালেও জমিদাৰৰ বংশৰ মানুহক সমিহ নকৰা হ'ল। জমিদাৰী প্ৰথা উচ্ছেদ হ'ল।

ঔপন্যাসিকে মধুপুৰৰ অতীতৰ ভাল বেয়া সকলো কথাই নিঃসঙ্কোচে উপন্যাসখনত বৰ্ণনা কৰিছে। তেওঁ ব্যস্ততাৰ মাজতো মাজে মাজে গৈ মধুপুৰৰ ক্ষয় ক্ষতিৰ বুজ লৈছে। তেওঁ প্ৰত্যক্ষ কৰিছে পতনশীল সমাজ ব্যৱস্থাৰ ধ্বংসমুখী ৰূপ, আত্মীয় স্বজন সকলোৰে বিষাদৰ ছাঁ, পৰাজয়ৰ চিত্ৰ। নানাধৰণৰ কামত অত্মীয় স্বজন গুৱাহাটীলৈ আহে, ঔপন্যাসিকক দেখা কৰে, কথা-বতৰা হয়। সকলোৱে মাথো আক্ষেপ কৰে— "তোমালোকেই যি লিখা পঢ়া শিকি ওলাই আহিলা। আন কাৰো একো নহ'ল।" কিন্তু তাৰ মাজতে ভগীৰথ দাসৰ ল'ৰা প্ৰবীনে ইঞ্জিনিয়াৰ হোৱা বা প্ৰবীণৰ ভনীয়েক আৰতিয়ে সুখ্যাতিৰে কেমেষ্ট্ৰিত এম.এচ.চি পঢ়ি থকাতো ঔপন্যাসিকৰ বাবে সুখকৰ যদিও সাধাৰণ মানুহৰ তাৰ প্ৰতি লক্ষ্য নাই। উপন্যাসখনৰ শেষৰ ফালে মধুপুৰৰ পৰাশৰ মণ্ডলৰ নাতিনী ছোৱালী 'মামী' আৰু তেজপুৰৰ যুৱক 'দীপক'ৰ দাম্পত্য জীৱনৰ মিলনৰ জৰিয়তে আঞ্চলিকতা ভেদ কৰি অসমৰ ঐক্য সংহতিৰ এনাজৰি সুদৃঢ় কৰিব বিচাৰিছে। লগতে সাধাৰণ পৰিয়ালৰ এইহাল অসমীয়া দম্পতিৰ বিদেশ যাত্ৰাৰ ইঙ্গিতেৰে অসমীয়াৰ জ্ঞানৰ বিস্তাৰ বিশ্ব জ্ঞানৰ মহাসমুদ্ৰত একাকাৰ হোৱাৰ আশা আৰু আন্তৰিক আশীৰ্বাদেৰে উপন্যাসখনৰ সামৰণি মৰা হৈছে।❑

## —ঃ মহৎ লোকৰ অমৰ বাণী ঃ—

- মই সংগ্ৰামহীন জীৱন কল্পনাকে কৰিব নোৱাৰো। সংগ্ৰাম আৰু সংঘাট মোৰ জীৱনৰ শ্বাস-প্ৰশ্বাস। — কলম্বাচ।
  — আব্দুল কালাম।
- যি নিজকে চিনি পায় তেওঁ ভগৱানকো চিনি পায়। — ৰবাৰ্ট কালিস্মাৰ।
- দহোটা আঙুলিয়েই হ'ল এজন মানুহৰ প্ৰকৃত বন্ধু।
- আমি চৰাইৰ দৰে উৰিবলৈ শিকিছো, মাছৰ দৰে সাঁতুৰিব শিকিছো কিন্তু পৃথিৱীত ভাতৃত্বৰ দৰে বাস কৰিবলৈ শিকা নাই। — মাৰ্টিন লুথাৰ।
- অহংকাৰী নহবা, কাৰণ অহংকাৰক মানুহ আৰু ঈশ্বৰেও ঘৃণা কৰে। — আনন্দৰাম ঢেকীয়াল ফুকন।
- ঈশ্বৰ নিৰ্মিত বায়ু পানীৰ দৰে সকলো বস্তুতে সকলোৰে সমান অধিকাৰ। — মহাত্মা গান্ধী।
- তুমি ভগৱান আৰু ধন দুয়োৰে উপাসনা একেলগে কৰিব নোৱাৰা। — মেথিউ।
- অৱগুণ নাৱৰ ফুটাৰ নিচিনা সৰু বা ডাঙৰ, এদিন সি ডুবাবই। — কালিদাস।
- পশুৰ আনন্দ ইন্দ্ৰিয় তৃপ্তিত হয়, আৰু মানুহৰ আনন্দ বুদ্ধিগত হয়। — বিবেকানন্দ।





# আয়ুৰ্বেদ

বিনীমা পাটগিৰি
প্ৰবক্তা, সংস্কৃত বিভাগ

আয়ুৰ্বেদৰ মূল উদ্দেশ্য হৈছে — যিহেতু স্বাস্থ্যই পৰম সম্পদ সেয়ে সুস্থসকলৰ স্বাস্থ্য অটুট ৰখা আৰু ৰোগাক্ৰান্তসকলৰ ৰোগ নিৰাময় কৰা। মনুষ্যৰ আয়ুস হ্ৰাস হোৱা দেখি আয়ুৰ্বেদক আঠটা অংগত বিভাজিত কৰা হয়। সেই আঠ অংগ হ'ল— শল্য, শালাক্য, কায়চিকিৎসা, ভূতবিদ্যা, কৌমাৰভৃত্য, অগতন্ত্ৰ, ৰসায়ন তন্ত্ৰ আৰু বাজীকৰণ তন্ত্ৰ।

যি শাস্ত্ৰৰ দ্বাৰা মানুহে জীৱন লাভ কৰে তাকে আয়ুৰ্বেদ বোলা হয়। আয়ুৰ্বেদক ঋগ্বেদৰ উপবেদ বুলি কোৱা হয়। আয়ুৰ্বেদৰ মহান জ্ঞানৰ ইতিহাস মনকৰিবলগীয়া। আয়ুৰ্বেদ শাস্ত্ৰৰ প্ৰথম সৃষ্টিকৰ্তা ব্ৰহ্মা। আয়ুৰ্বেদ সম্পৰ্কে অলৌকিক তথ্য কল্পিত বৰ্ণনাপোৱা যায় যে ব্ৰহ্মাই (সৃষ্টিকৰ্তাই) দক্ষ প্ৰজাপতিক আয়ুৰ্বেদৰ জ্ঞান দান কৰিছিল। দক্ষৰ পৰা অশ্বিন আৰু অশ্বিনকুমাৰদ্বয়ৰ পৰা এই বিদ্যা ইন্দ্ৰই লাভ কৰিছিল। ইন্দ্ৰৰ পৰা আয়ুৰ্বেদৰ জ্ঞান লাভ কৰাটো অতি কঠিন কাম। সেয়ে ঋষিসকলে পৱিত্ৰ ধাম হিমালয়ত একত্ৰিত হয়। হিমালয়ত একত্ৰ হোৱা কল্যাণকামী ঋষিৰ সংখ্যা ৫২ জন আছিল। তেওঁলোকে আলোচনা কৰি ঋষি ভৰদ্বাজক ইন্দ্ৰৰ ওচৰলৈ পঠিয়াই তেওঁৰ দ্বাৰাই আয়ুৰ্বেদৰ জ্ঞান পৃথিৱীলৈ আনে।

আয়ুৰ্বেদৰ মূল উদ্দেশ্য হৈছে — যিহেতু স্বাস্থ্যই পৰম সম্পদ সেয়ে সুস্থসকলৰ স্বাস্থ্য অটুট ৰখা আৰু ৰোগাক্ৰান্তসকলৰ ৰোগ নিৰাময় কৰা। মনুষ্যৰ আয়ুস হ্ৰাস হোৱা দেখি আয়ুৰ্বেদক আঠটা অংগত বিভাজিত কৰা হয়। সেই আঠ অংগ হ'ল— শল্য, শালাক্য, কায়চিকিৎসা, ভূতবিদ্যা, কৌমাৰভৃত্য, অগতন্ত্ৰ, ৰসায়ন তন্ত্ৰ আৰু বাজীকৰণ তন্ত্ৰ।

আয়ুৰ্বেদৰ জ্ঞান লিপিবদ্ধ হোৱা বাবে এই চিকিৎসা বিষয়ক গ্ৰন্থক আয়ুৰ্বেদ বোলে। আয়ুৰ্বেদ শব্দৰ অৰ্থ- জীৱনৰ বিজ্ঞান। আয়ুৰ্বেদ চিকিৎসাৰ অৰ্থ হ'ল মানসিক, শাৰীৰিক আৰু আধ্যাত্মিকতাৰ লগত প্ৰকৃতিৰ সংযোগ। আয়ুৰ্বেদৰ মূল সূত্ৰ হ'ল— বায়ু, পিত্ত, কফ আদি ত্ৰিদোষ সিদ্ধান্ত।

প্ৰাচীন ভাৰতীয় চিকিৎসা পদ্ধতি কেতিয়াৰ পৰা আৰম্ভ হৈছিল সঠিকভাৱে ক'ব নোৱাৰি। বৈদিক যুগত ভাৰতত ব্যাপক ৰূপত আয়ুৰ্বেদৰ চৰ্চা হৈছিল। চিকিৎসা শাস্ত্ৰৰ লক্ষ্য কেৱল ৰোগ নিৰ্মূল কৰাটোৱেই নহয়, ইয়াৰ লক্ষ্য হোৱা উচিত ৰোগত নপৰাকৈ মানুহে কেনেকৈ স্বাস্থ্য ৰক্ষা কৰিব পাৰে। আয়ুৰ্বেদাচাৰ্য্যসকলৰ ভিতৰত চৰক, সুশ্ৰুত আৰু বাণগভট্টই প্ৰধান। ইয়াৰ ভিতৰত চৰকে ৰচনা কৰা অতি প্ৰাচীন গ্ৰন্থখন হৈছে 'চৰক-সংহিতা'। গদ্য-পদ্যমিশ্ৰিত চৰকসংহিতাখনত আছে নানা খনিজ, প্ৰাণীজ তথা উদ্ভিজ পদাৰ্থৰ গুণাগুণ, বহু বিচিত্ৰ ৰোগৰ লক্ষণ, গৰ্ভাশয় বিদ্যা, আহাৰ বিজ্ঞান, বিভিন্ন ৰোগৰ প্ৰতিকাৰৰ উপায়। মানৱ দেহৰ বৰ্ণনা আৰু চিকিৎসা পদ্ধতিৰো সুন্দৰ বৰ্ণনা আছে চৰক সংহিতাত। চৰক সংহিতা আঠটা ভাগত বিভক্ত— সূত্ৰস্থান, নিদানস্থান, বিমনস্থান, শৰীৰস্থান, ইন্দ্ৰীয়স্থান,চিকিৎসাস্থান,কল্পস্থান আৰু সিদ্ধিস্থান। খ্ৰীষ্টীয় অষ্টম আৰু নৱম শতিকাত চৰক, সুশ্ৰুত আদি আয়ুৰ্বেদ গ্ৰন্থসমূহ ৰজা হাৰুণ আৰু মজুৰৰ দিনত আৰবী ভাষালৈ অনুবাদ কৰা হয়।

আয়ুৰ্বেদ পদ্ধতিৰ অন্য এক বিখ্যাত নাম হ'ল সুশ্ৰুত। সুশ্ৰুতই ৰচনা কৰা গ্ৰন্থখন হ'ল 'সুশ্ৰুত সংহিতা'। এই গ্ৰন্থখন শল্য চিকিৎসাৰ গ্ৰন্থ। শল্য চিকিৎসাৰ দ্বাৰা অংগ সংস্থাপন আৰু ৰোগ নিৰাময়ৰ বিস্তৃত বৰ্ণনা এই সংহিতাত পোৱা যায়। ইয়াত মানুহৰ হাড় জোৰা দিয়, মাংস জোৰা দিয়া আদিৰো বৰ্ণনা আছে। সুশ্ৰুতৰ সমকালীন ঔপধেনব নামৰ এজন পণ্ডিতে শল্য চিকিৎসাৰ ওপৰত 'ঔপধেনব' নামৰ এখন তন্ত্ৰ-গ্ৰন্থ ৰচনা কৰে।

আয়ুৰ্বেদৰ মতে ৰোগী তিনি শ্ৰেণীৰ। বেছিভাগ ৰোগীক চিকিৎসাৰে আৰোগ্য কৰিব পাৰি, তেওঁলোকৰ বাবে যাৱতীয় সামগ্ৰীবোৰ প্ৰকৃতিয়ে দান কৰিছে। তিতা, কেঁহা, লুণীয়া, জ্বলা, টেঙা আৰু মিঠা এই ছয়টা সোৱাদৰ প্ৰতিটোৱেই শৰীৰত বেলেগ বেলেগ ধৰণে ক্ৰিয়া কৰে। প্ৰকৃতি প্ৰদত্ত সামগ্ৰীবোৰ নিয়মানুসাৰে ৰোগীয়ে প্ৰয়োগ কৰিলে আৰোগ্য হোৱাটো নিশ্চিত। আয়ুৰ্বেদ চিকিৎসাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীবোৰ সহজলভ্য।

আয়ুৰ্বেদ পদ্ধতিৰ আন এটা খ্যাত নাম হ'ল বাগ্‌ভট। সিংহগুপ্তৰ পুত্ৰ বাগ্‌ভটে অষ্টাঙ্গহৃদয় আৰু অষ্টাঙ্গসংগ্ৰহ নামৰ গ্ৰন্থ লিখে। পাশ্চাত্যদেশৰ পণ্ডিতসকলে বাগ্‌ভটক এজন বৌদ্ধধৰ্মী বুলি আখ্যা দিয়ে, কিন্তু জীৱন নিৰ্বাহত তেওঁক হিন্দু বুলি অনুমান কৰা হয়। অষ্টাঙ্গসংগ্ৰহৰ ওপৰত প্ৰতিষ্ঠিত অষ্টাঙ্গহৃদয়ক "অষ্টাঙ্গহৃদয় সংহিতা" বোলা হয়।

ভাৰতৰ বাহিৰেও গ্ৰীচ, ৰুছ, চীন আদি উন্নত দেশলৈ আয়ুৰ্বেদ প্ৰভাৱ বিস্তাৰিত হয় আৰু বৰ্তমানও আয়ুৰ্বেদ পদ্ধতিৰ ওপৰত ব্যাপক গৱেষণা চৰ্চা হৈছে। চিকিৎসা বিদ্যাৰ অন্যতম অংগ হিচাপে স্বীকৃত হৈছে আয়ুৰ্বেদ।❑

# ধৰণীৰ যেতিয়া কঁপনি উঠে

অংকিতা দেৱী
স্নাতক প্ৰথম বৰ্ষ

'ভূমিকম্প' পৃথিৱীৰ অন্য এক নৃত্য। যিয়ে পৃথিৱীৰ কোনো এক অংশ নিমিষতে শেষ কৰি পেলায়। ভূমিকম্প সম্পৰ্কে আমি সকলোৱে কিছু পৰিমাণে জানো। যেতিয়া আমি পৃথিৱীৰ কোনো অংশ কপিউঠা অনুভৱ কৰো তেতিয়া তাক ভূমিকম্প বুলি জ্ঞান কৰো। যেতিয়া আমি সৰু আছিলো, তেতিয়া আইতাই আমাক কৈছিল যে এই পৃথিৱীখন হাতীয়ে তুলি ধৰি ৰাখিছে আৰু সেই হাতীটোৱে যেতিয়া গা লৰাই দিয়ে তেতিয়া ভূমিকম্পৰ সৃষ্টি হয়। ই এটা মাত্ৰ সাধুকথা কিন্তু এনেকুৱা অন্ধবিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত কাল্পনিক কাহিনীবোৰৰ কোনো বাস্তৱ ভিত্তি নাই।

বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ ৰূপত বিশ্বৰ অনেক ঠাইতে মাজে সময়ে প্ৰলয় হৈ থকাৰ বাতৰি আমি প্ৰায়ে পাই থাকো তাৰ ভিতৰত ভূমিকম্প অন্যতম। ভূমিকম্প হোৱাৰ এটি কাৰণ হ'ল- আগ্নেয়গিৰি উদ্‌গীৰণ। আগ্নেয়গিৰি উদ্‌গীৰণৰ সময়ত ভূ-গৰ্ভৰপৰা প্ৰচণ্ড শক্তিয়ে ওলাই অহা গলিত ধাতু,শিল,বালি,বোকা আৰু বাষ্প আদিয়ে ইয়াৰ দুয়োকাষৰ অঞ্চলত চাপৰ সৃষ্টি কৰে। ইয়াৰ ফলত ভূত্বকত জোকাৰণিৰ সৃষ্টি হয়। এই জোকাৰণি আগ্নেয়গিৰি উদ্‌গীৰণৰ শক্তি কমি নোযোৱালৈকে চলি থাকে।

ভূ-বিজ্ঞানীসকলে অনুমান কৰিছে যে পৃথিৱীৰ বহুতো পৰ্বতমালাৰ দাতিকাষৰীয়া অঞ্চলবোৰ এতিয়াও সুস্থিৰ অৱস্থালৈ অহা নাই। পৃথিৱীৰ খোলাটোৰ অংশবিলাক ইয়াৰ ঠিক তলতে থকা জুলীয়া আধাজুলীয়া পদাৰ্থবোৰৰ ওপৰত সমতা স্থাপন কৰি ওপঙি আছে। ইয়াৰ কোনো এটা অংশৰ ওজনৰ হ্ৰাস-বৃদ্ধি হ'লেই ই ওপৰৰ পৰা তললৈ যাব আৰু তেতিয়াই সেই অঞ্চলৰ জোকাৰণি অনুভূত হয়।

ভূমিকম্পই তিনিবিধ তৰংগৰ সৃষ্টি কৰে। যেনে - (ক) প্ৰাথমিক তৰংগ (খ) গৌণ তৰংগ (গ) দীৰ্ঘ তৰংগ। প্ৰাথমিক তৰংগই যি দিশত গতি কৰে সেই একে দিশতে শিলৰ বা ভূত্বকৰ সংকোচন বা প্ৰসাৰণ ঘটে। কিন্তু গৌণ তৰংগই যি দিশত গতি কৰে তাৰ উলম্ব দিশতহে শিলৰ বৃত্বকৰ সংকোচন বা প্ৰসাৰণ ঘটে। প্ৰাথমিক তৰংগৰ গতিকো বাকী দুটাৰ গতিতকৈ বেছি সেয়েহে এইবিধ তৰংগ সোনকালেই বিয়পি পৰে আৰু মৃদু জোকাৰণিৰ সৃষ্টি হয়। আনহাতে গৌণতৰংগই সৃষ্টি কৰা জোকাৰণি প্ৰাথমিক তৰংগতকৈ তীব্ৰ। আকৌ দীৰ্ঘ তৰংগই অতি ভয়ানক জোকাৰণিৰ সৃষ্টি কৰে এই কাৰণেই কোনো এঠাইত ভূমিকম্পৰ সৃষ্টি হ'লে প্ৰথমে মৃদু জোকাৰণিৰ সৃষ্টি হয় আৰু ক্ৰমান্বয়ে জোকাৰণিৰ তীব্ৰতা বাঢ়ি যাবলৈ ধৰে।

ভূমিকম্পৰ প্ৰাবল্য জুখিবৰ বাবে তিনিবিধ স্কেল ব্যৱহাৰ কৰা হয়। এবিধ স্কেল হ'ল 'ৰ'ছি ফৰেল স্কেল'। এইবিধ স্কেলৰ সৰ্বোচ্চ প্ৰাবল্য ১০ আৰু সৰ্বনিম্ন প্ৰাবল্য ভূমিকম্পৰ ঢৌ বা তৰংগৰ স্বৰূপ প্ৰায় শামানুপতিক। আন এবিধ 'ৰিখটাৰ স্কেল' ইয়াৰ সৰ্বোচ্চ প্ৰাবল্য ১২আৰু সৰ্বনিম্ন ১। তৃতীয়বিধ হৈছে'মাৰ্কলি স্কেল'। এই স্কেল ভূমিকম্পৰ ক্ষয়-ক্ষতিৰ লগত জড়িত।

ভূমিকম্পৰ ফলত হোৱা ক্ষতি বা ধ্বংসলীলাৰ স্বৰূপ ঠাই বিশেষে বেলেগ বেলেগ হোৱা দেখা যায়। ইয়াৰ প্ৰধান কাৰণ হ'ল ভূমিকম্পটোৰ প্ৰাবল্য, বিপৰ্যয় হোৱা ঠাইৰ পৰা ভূমিকম্পটোৰ উৎপত্তি হোৱা স্থানৰ দূৰত্ব, নাভীৰ গভীৰতা আদি বিভিন্ন কাৰকৰ ওপৰত নিৰ্ভৰ কৰে।

ভূমিকম্পৰ সময়ত পশু-পক্ষীৰ বিভিন্ন আচৰণ দেখা যায়। যেনে—

(ক) ঘনে ঘনে চৰাইবোৰ বাহৰ পৰা ওলোৱা সোমোৱা কৰি থাকে।

(খ) গৰু, ছাগলী, ভেড়া আদিৰ কাণ ঠিয় হৈ যায় আৰু সিহঁতে ঘাঁহ খাব নিবিচাৰে।

(গ) কীট-পতংগবোৰে গাতৰ বাহিৰ ওলাই পলাব খোজে।

ভূমিকম্প হৈ থকা সময়ত পালনকৰিবলগীয়া নিয়মসমূহ হ'ল—

(ক) ধৈৰ্য ধৰি স্থিৰেৰে থাকক, সাহস গোটাওক আৰু আনকো সাহস দিয়ক, আতংকিত নহ'ব।

(খ) স্থিৰেৰে থাকি অৱস্থাৰ বুজ ল'লে সম্ভাব্য বিপদৰ পৰা ৰক্ষা পাব পাৰিব।

(গ) ঘৰ-বাৰী ধ্বংস হোৱা, আয়না আদি ভাঙি পৰা বা ওপৰৰ পৰা বস্তু আদি খহি পৰিলেও শব্দৰ সৃষ্টি হ'ব পাৰে। কিন্তু মনত ৰখা দৰকাৰ যে যেতিয়ালৈকে গাত কিবা এটা খহি নপৰে ভূমিকম্পৰ জোকাৰণিয়ে কোনো ক্ষতি নকৰে।

(ঘ) মমবাতি, লেম্প আদি জ্বলাব নালাগে। টৰ্চ হাততে পোৱাতে ৰাখিব লাগে। সুবিধা হ'লেই ঘৰৰ মেইন চুইচটো বন্ধ কৰি দিব লাগে।

(ঙ) টেবুল,খাট নাথাকিলে মাজৰ বেৰৰ কাষত থিয় হ'ব লাগে। অৱশ্যে লক্ষ্য কৰিব লাগে যাতে বেৰখনত বিদ্যুৎ সংযোগ ব্যৱস্থা নাথাকে।

ভূমিকম্প হৈ যোৱাৰ সময়ত কৰণীয় কামসমূহ হ'ল—

(ক) অধৈৰ্য নহৈ সুস্থিৰে থাকিব লাগে।

(খ) ঠাই চাবলৈ ওলাই যোৱা অনুচিত।

(গ) ঘৰৰ পানী, বিজুলী, গেছ আদিৰ লাইন পৰীক্ষা কৰিহে ব্যৱহাৰ কৰা উচিত।

(ঘ) উৰা বাতৰিত বিশ্বাস তথা তেনে বাতৰি প্ৰচাৰ কৰিব নালাগে।

(ঙ) নিৰাপদ বুলি নোকোৱা পৰ্যন্ত ঘৰৰ ভিতৰত সোমাব নালাগে।

ভূমিকম্পৰ বুৰঞ্জী পৃথিৱীৰ বুৰঞ্জীৰ সমানেই পুৰণি। গড়ে প্ৰতিবছৰে গোটেইপৃথিৱীত প্ৰায় ১৫ হাজাৰ মানুহৰ মৃত্যু তথা বিপুল পৰিমাণৰ ধনৰ ক্ষয়-ক্ষতি হৈছে। ভূমিকম্প আটাইতকৈ ভয়ানকপ্ৰাকৃতিক দুৰ্যোগবুলি বিবেচিত হৈছে। কিয়নো ই যেনেকৈ হঠাতে কোনো আগজাননী নিদিয়াকৈ আহে ঠিক একেদৰে ইয়াৰ ধ্বংসলীলাও হয় মুহূৰ্তৰ ভিতৰতে। □

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
অধ্যয়ন কেন্দ্ৰ
নিৰ্মল হালৈ মহাবিদ্যালয়, পাটাছাৰকুছি, বৰপেটা, স্নাতক প্ৰস্তুতি পাঠ্যক্ৰম (বি.পি.পি)
*Bachelor Preparatory Programme (BPP)*
১৮ বছৰৰ বয়সৰ ওপৰৰ যিকোনো ব্যক্তিয়ে এই পাঠ্যক্ৰমত অৱতীৰ্ণ হ'ব পাৰিব।
পৰীক্ষাৰ সময় ঃ জুন আৰু ডিচেম্বৰ
ভৰ্তি মাচুল ঃ মুঠ ৮৫০/- টকা
যোগাযোগৰ ঠিকনা ঃ অধ্যক্ষ , নিৰ্মল হালৈ মহাবিদ্যালয়, পাটাছাৰকুছি।

# ৰহস্যবাদী কবি নলিনীবালা দেৱীৰ জীৱন দৰ্শন

মিছ মুনমি আহমেদ
স্নাতক প্ৰথম বৰ্ষ

মহিলা কবি নলিনীবালা দেৱী অসমীয়া সাহিত্য জগতত এটি পৰিচিত নাম। তেওঁ হেমন্ত কুমাৰী দেৱীৰ গৰ্ভত ১৮৯৮ চনৰ ২৩ মাৰ্চ তাৰিখে বৰপেটাত জন্ম গ্ৰহণ কৰে। 'সন্ধিয়াৰ সুৰ', 'আপোন সুৰ', 'পৰশমণি', 'যুগদেৱতা', 'জাগৃতি' আৰু 'অলকানন্দা' তেওঁৰ উল্লেখযোগ্য কবিতা পুথি। ইয়াৰ উপৰি 'স্মৃতিতীৰ্থ' আৰু 'বিশ্বদীপা' দুখন জীৱন গ্ৰন্থ। ১৯৫৪ চনত হোৱা অসম সাহিত্য সভাৰ যোৰহাট অধিবেশনত তেওঁ সভানেত্ৰীৰ পদ গ্ৰহণ কৰে আৰু ভাৰত চৰকাৰৰ দ্বাৰা তেও পদ্মশ্ৰী উপাধি লাভ কৰে। কবি গৰাকীয়ে ১৯৬৮ চনত তেওঁৰ 'অলকান্দা' পুথিখনিৰ বাবে 'সাহিত্য একাডেমী পুৰস্কাৰ লাভ কৰে।

সৰু কালৰে পৰাই সাহিত্য সাধনাৰ প্ৰতি নলিনীবালা দেৱীৰ আগ্ৰহ থকা দেখা যায়। কলেজীয়া শিক্ষা নোপোৱা নলিনীবালা দেৱীৰ আগ্ৰহ থকা দেখা যায়। কলেজীয়া শিক্ষা নোপোৱা নলিনীবালা দেৱীয়ে ঘৰুৱা শিক্ষক গোপাল কৃষ্ণ দেৱ তলত শিক্ষা লাভ কৰে। তেওঁৰ ১০ বছৰ বয়সত 'পিতা' নামৰ কবিতা এটি প্ৰকাশ পায়। নলিনীবালা দেৱীৰ ১৯০৮ চনত মাহেকীয়া আলোচনী কাকত প্ৰকাশ পায়। ইমান কম বয়সতে সৰ্বনিয়ন্তা পৰমেশ্বৰক উপলক্ষ্য কৰি লিখা কবিতাটোৱে তেওঁৰ কাব্য প্ৰতিভাৰ চিনাকী দিয়ে।

"হেৰা প্ৰভাতৰ অৰুণ কিৰণ
ক'ত পালা এনে উজ্বল বৰণ
ইমান কোমল মধুৰীসনা
যিজনে বিলালে এই উজ্বলতা
সিজনে আমাৰ পিতা
আমাৰ পিতা চিৰ স্নেহময়
চৰণত কৌটিবাৰ চিৰ স্নেহময়
চৰণত কৌটিবাৰ প্ৰণামিছো মই।"

১৯৯৯ চনত মাহেকীয়া 'আলোচনী' কাকতত প্ৰকাশিত আন এটা কবিতা হৈছে —

'সন্ধ্যা'

"সুবিমল সন্ধিয়াত পূব আকাশৰ গাত
সোণোৱালী তৰা উঠে এটি দুটি ফুটি
ধীৰে মলয়া বৈ যায়
মধুৰ ফুলৰ গোন্ধ আহে তাতে উটি।"

কবি নলিনীবালা দেৱীয়ে কম বয়সতে অৰ্থাৎ মাত্ৰ ১১ বছৰ বয়সতে শিৱসাগৰৰ ব্ৰাহ্মণ পৰিয়ালৰ জীয়ৰী জীৱশ্বেৰ চাং কাকতিৰ লগত বিয়া হয়। কিন্তু তেওঁৰ স্বামীক দাম্পত্য জীৱনৰ ৯ বছৰ শেষ নৌহওতেই এই সংসাৰৰ পৰা বিদায় লৈ যায়। তেওঁৰ ধুনীয়াকৈ সজোৱা সংসাৰখন ক্ষন্তেকতে ছাৰখাৰ হৈ গ'ল। কপালৰ পৰা ফোঁট আঁতৰি গ'ল। স্বামীৰ অন্তিম শ্ৰাদ্ধ শেষ কৰি শিৱসাগৰৰ পৰা গুৱাহাটীলৈ আহি তেওঁ দেউতাকৰ লগত থাকিবলৈ ল'লে আজি দেউতাকৰ ঘৰত বহি অতীতৰ এৰি অহা সপোন স্মৃতিবোৰ স্বামীক অকালতে হেৰুৱা বিয়োগত ভাগৰি পৰিছে। পাঁচোটি অনাথ সন্তান বুকুত বান্ধি লৈ দেউতাকৰ আশ্ৰম লৈ আহিছে। সন্মুখত সীমাহীন ভৱিষ্যত।

নলিনীবালা দেৱীয়ে কিবা নিৰ্দেশ পাবৰ বাবে অধ্যয়নত আত্মনিয়োগ কৰিলে। তেওঁৰ পূজনীয় শিক্ষক গোপাল কৃষ্ণ দেই লাইব্ৰেৰীৰ পৰা বছা বছা কিতাপবোৰ আনে আৰু তত্ত্বগধুৰ গ্ৰন্থসমূহ অধ্যয়ন কৰি শান্তি লাভ কৰে। তেওঁৰ লিখনি সমূহত ভগবানৰ প্ৰতি গভীৰ আস্থা আৰু আত্মসমৰ্পণৰ ছাপ ফুটি উঠে। ভোগ, সুখবিলাক লৈ দাৰুণ বিতৃষ্ণা আহিল। কবিগুৰু ৰবীন্দ্ৰনাথৰ 'গীতাঞ্জলি'ৰ গীত কেইটিমান জীৱনৰ ধ্যানমন্ত্ৰ স্বৰূপ হ'ল। গধুলি সময়ত হিয়া উজাৰি গীত গাই সান্ত্বনা লভে। ক্ৰমে ৰবীন্দ্ৰনাথ 'গীতাঞ্জলি' 'শ্ৰীমদ্ভাগৱত গীতা' আৰু অন্যান্য তত্ত্বগধুৰ গ্ৰন্থ অধ্যয়ন কৰি লাহে লাহে নলিনীবালা দেৱীয়ে চিৰসুন্দৰ ভগৱন্তৰ ওচৰ চাপি গৈছে। স্বামী বিয়োগৰ বেদনা মনৰ পৰা আঁতৰি নোযোৱাৰ আগতে আন এটি শোকৰ ঘটনা ঘটে। তেওঁৰ পাঁচ বছৰীয়া পুত্ৰ পুতুলীৰ জুইত পৰি মৃত্যু হৈছে। স্বামী বিয়োগ আৰু পুত্ৰ বিয়োগৰ শোকে অন্তৰত এটি বিষাদৰ কৰুণ সুৰ হৈ বাজি উঠিল আৰু তাৰেই প্ৰকাশ 'সন্ধিয়াৰ সুৰ'ৰ প্ৰত্যেকটি কবিতা মোৰ সংঘাতময় জীৱনৰ হৃদয় মথি ওলোৱা বেদনাৰ অৰ্ঘ্য জীৱনৰ আশ্ৰয়, আশা ভৰসা।

কবি গৰাকীৰ লিখনিত প্ৰধানকৈ মানৱীয় সহানুভূতি,ভগৱৎ প্ৰেম আৰু স্বদেশানুৰাগৰ উচ্ছাস দেখিবলৈ পোৱা যায়। তেওঁৰ 'সন্ধিয়াৰ সুৰ'ৰ,'নাটঘৰ' কবিতাটিত তেওঁ লিখিছে —

"বিফলতাৰেয়ে এই ৰচিলো জীৱন গীত
সৰি পৰে দুচকুৰ নীৰ
বিশাল বিশ্বত মাথোঁ নয়নৰ লোৰে মোৰ
উপচিল সাগৰ তীৰ।"

প্ৰকৃতিৰ সৌন্দৰ্যত বিহগত আকুল তানত, মূৰ্তত সুন্দৰী প্ৰকৃতিৰ প্ৰতি অঙ্গতে কবিয়ে অবিনশ্বৰ আত্মৰ অনন্ত জীৱনৰ চিন দেখা পাইছে। মানুহৰ অন্তৰৰ অসীম সৌন্দৰ্য তৃষ্ণাই অনন্ত সুন্দৰ কোনোৱা এজনৰ মহা আকৰ্ষণৰ সূচনা কৰিছে। কবিৰ চিত্ৰ প্ৰতীক্ষা মালা —

কোন কাৰ জগতৰ কোন কাৰ মৰমৰ
চকুৰ চিনাকি দুদিনৰ
অসীমত ৰূপ-তৃষ্ণা অসমীমত বুৰ যাব
খাই গ'লে জৰী মৰমৰ।

কবি নলিনীবালা দেৱীৰ ইয়াৰ বাহিৰেও দুই এটা কবিতাত স্বদেশানুৰাগৰ উচ্ছাস দেখিবলৈ পোৱা যায়।

মেলিলো প্ৰথম চকু তোমাৰ কোলাতে আই
জীৱনৰ আদিম পুৱাতে
মুদিম আকৌ চকু তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।

কবি গৰাকীয়ে ১৯৬২ চনত চীনা আক্ৰমণৰ সময়ত 'জাগৃতি' পুথিখনি ৰচনা কৰে। তেওঁ দেশাত্মবোধ জগাই তুলিবৰ বাবে কবিয়ে কিছুমান গীতি-কবিতাও ৰচনা কৰিছে।

সাহিত্য সাধনৰ উপৰিও কবি গৰাকী কিছুমান জনকল্যাণমূলক কামত জড়িত আছিল। গোলাঘাটত অনুষ্ঠিত 'অসম প্ৰাদেশিক মহিলা সামিতি'ত পৌৰোহিত্য কৰিছিল। তেওঁ ১৯৫০ চনত সদৌ অসম পাৰিজাত কানন নামৰ শিশু অনুষ্ঠান এটি স্থাপন কৰে। এসময়ত তেওঁ আন্তৰ্জাতিক শিক্ত কল্যাণ সমিতিৰ অসম শাখাৰ সভানেত্ৰীও নিৰ্বাচিত হৈছিল। নলিনীবালা দেৱীয়ে জীৱনত যিমানে আঘাত পাইছে, যিমান শোক পাইছে, সিমানে চিৰসুন্দৰ ভগৱন্তলৈ মনত পৰিছে। ভগৱন্তক সম্বোধন কৰি ৰচা কবিতাবোৰত এক আকুল ভক্তিৰ আৰু আত্মসমৰ্পনৰ সুৰ কঁপি উঠিছে।

অ' মোৰ পৰম প্ৰিয়।
নিষ্ঠুৰ আঘাতে চূৰ্ণ হৃদয় সিৰে চিৰস্মৰণীয়,
অ' মোৰ পৰম প্ৰিয়।

নলিনীবালা দেৱীৰ মৃত্যুৰ এবছৰ আগতে লিখা 'আত্ম জীৱনী এৰি অহা দিনবোৰ' তেওঁৰ সাহিত্য জগতৰ অপূৰ্ব সৃষ্টি। আত্মজীৱনীখনিত তেওঁৰ দাৰ্শনিক চিন্তাধাৰা স্পষ্ট হৈ উঠিছে। কবি চিৰসুন্দৰ ভগৱন্তৰ পদপ্ৰাপ্তত অশ্ৰিতা এতিয়া জৰাজীৰ্ণ ভাগৰুৱা জীৱনে জিৰণি বিচাৰিছে। নগৰৰ কোলাহল এৰি জাতিৰ পিতাৰ পাদপীঠত শৰণীয়া পৰ্বতৰ গাত এৰি জিৰণি পজাঁ সাজি শেষ বিদায়ৰ ক্ষণ গণিছে। চকুৰ জেউতি নুমাই আহিছে। জিৰণি বিচাৰিছে আত্মাই। সচাকৈ এদিনাখন তেওঁৰ চকুৰ জেউতি নুমাই আছিল। ১৯৭৭ চনৰ ২৪ ডিচেম্বৰ শনিবাৰৰ নিশা তেওঁৰ আত্মাই অনন্ত শান্তি পথলৈ যাত্ৰা কৰিলে ৰৈ থাকিল মাথোঁ উত্তৰ পুৰুষৰ বাবে তেওঁৰ জীৱন দৰ্শন।❑

## —ঃ মহৎলোকৰ বাণী ঃ—

❑ যি জন মানুহে জীৱনত এবাৰ হ'লেও প্ৰাণ খুলি হাঁহিছে তেওঁ সম্পূৰ্ণ ৰূপে কেতিয়াও অসৎ হ'ব নোৱাৰে।
— কাৰ্লাইল।

❑ শ্ৰমৰ ভৰত কোনো লোকৰ মৃত্যু হোৱা বুলি মই কেতিয়াও শুনা নাই। কিন্তু সন্দেহৰ বশৱৰ্তী হৈ কিমান লোকৰ যে মৃত্যু ঘটিছে।
— চাৰ্লছ হোৱাছ মেয়।

# সাম্প্ৰতিক সময়ত নাৰীৰ ভূমিকা

ৰূপাঞ্জলী ডেকা
স্নাতক প্ৰথম বৰ্ষ

**বৰ্তমান স্ত্ৰী শিক্ষাৰ প্ৰসাৰতাই মানুহৰ মনৰ পৰা মলিনতা দূৰ কৰি সমাজৰ কু-সংস্কাৰবোৰৰ প্ৰসাৰণত বাধা দিব পাৰিছে। নাৰীয়ে সমাজৰ বা নিজৰ ঘৰৰ উন্নতিত আদৰ্শ নাৰী হিচাপে, মাতৃ হিচাপে, প্ৰকৃত গৃহিনী হিচাপে সহায় কৰিব পাৰিছে।**

আজি সমগ্ৰ বিশ্বতে নাৰীৰ স্থান বহু ওপৰত। শিক্ষা-দীক্ষা, কাম-কাজ আদি সকলোতে বৰ্তমান সমাজত নাৰী কোনো দিশতে পিছ পৰি থকা নাই। পুৰুষ আৰু নাৰীৰ মাজত ব্যৱধান বৰ্তমান অৱস্থাই কমাই আনিছে। আজি সেই দিন নাই। এসময়ত নাৰীয়ে এহাত ওৰণিৰ তলত মুখ লুকাই ওলাব লাগিছিল। স্ত্ৰী শিক্ষাৰ বহুল প্ৰচাৰেই নাৰীক ওচৰত পুৰুষক হেয় প্ৰতিপন্ন কৰিব খোজা নাই। পুৰুষৰ সন্মান,মৰ্য্যদাও কোনো গুণে কম নহয়। নিৰ্দিষ্ট কিছুমান কামতহে পুৰুষ আৰু নাৰীৰ মাজত পাৰ্থক্য দেখা যায়। দেশ এখন চলাবলৈ আজি নাৰী আগ বাঢ়ি আহিছে। মহাকাশত নাৰী,সাগৰ তলিত নাৰীয়ে বিচৰণ কৰিবলৈ গৈ সফলতা অৰ্জন কৰিছে।

পুৰণি কালত মানুহে স্ত্ৰী শিক্ষাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাছিল। ছোৱালীয়ে পঢ়া-শুনা কৰি শিক্ষা লাভ কৰাটো অদৰকাৰী বুলি ভাবিছিল। ল'ৰাইহে পঢ়িব লগে বুলি মনত ধাৰণা সোমাই ৰাখিছিল। কিন্তু আজি সেই দিন নাই। ল'ৰা-ছোৱালী,পুৰুষ-মহিলা সকলোৱে সমান। সকলোৱে সুশিক্ষা ল'ব লাগিব,সকলোৱে একোজন সুনাগৰিক হৈ নিজৰ তথা দেশৰ হৈ কাম কৰিব লাগিব। এই ধাৰণা আজি প্ৰত্যেকে উপলব্ধি কৰিব পাৰিছে। স্ত্ৰীজাতি সমাজৰ উন্নতিৰ এক অঙ্গস্বৰূপ। শিক্ষাৰ ক্ষেত্ৰত কোনো জাতি বা শ্ৰেণী বিচৰাৰ দৰ্কাৰ নাই। সীমাবদ্ধ শিক্ষাই আপোনপেটো স্বভাৱটোহে দৰ্শায়।

বৰ্তমান স্ত্ৰী শিক্ষাৰ প্ৰসাৰতাই মানুহৰ মনৰ পৰা মলিনতা দূৰ কৰি সমাজৰ কু-সংস্কাৰবোৰৰ প্ৰসাৰণত বাধা দিব পাৰিছে। নাৰীয়ে সমাজৰ বা নিজৰ ঘৰৰ উন্নতিত আদৰ্শ নাৰী হিচাপে, মাতৃ হিচাপে,প্ৰকৃত গৃহিনী হিচাপে সহায় কৰিব পাৰিছে। উদাহৰণ স্বৰূপে, আমি ভাৰত বৰ্ষৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী স্বৰ্গীয়া ইন্দিৰা গান্ধীৰ কথা উল্লেখ কৰিব পাৰো। এগৰাকী নাৰীৰ চাৰিত্ৰিক বৈশিষ্টই এখন দেশৰ সামাজিক, ৰাজনৈতিক আদি সকলো দিশতে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। উদাহৰণস্বৰূপে মাদাৰ টেৰেছাৰ কথা উল্লেখ কৰিব পাৰি। মাদাৰ টেৰেছা হ'ল "The mother of the world" যিগৰাকী মহিয়সী নাৰীৰ কৰ্মৰাজিয়ে সমগ্ৰ বিশ্বত এক আদৰ্শ নাৰীৰ সৃষ্টি কৰিলে। সেই গৰাকী মহান নাৰীৰ আদৰ্শই বিশেষকৈ ভাৰতবৰ্ষত এক নতুন যুগৰ সূচনা কৰি থৈ গ'ল।

আজি বিজ্ঞানৰ যুগ। এই বিজ্ঞানৰ যুগত নাৰী জাতিয়ে আগ বঢ়োৱা অৱদান পুৰুষৰ সমানেই প্ৰশংসনীয়। উদাহৰণস্বৰূপে আমি প্ৰথম ভাৰতীয় মহিলা মহাকাশচাৰী কল্পনা চাওলাৰ কথা ক'ব পাৰো। নতুন শতিকাত আজি সকলোবোৰ বিভাগতে নাৰীয়ে মুখ্য ভূমিকা পালন কৰিব পাৰিছে। ভাৰতবৰ্ষত যুঁজাৰু বিমান, ৰেলগাড়ী আদিৰ চালকৰ আসনত পুৰুষৰ সমানে মহিলাও আগবাঢ়িছে।

আদৰ্শ নাৰী হব লাগিলে তেওঁৰ যি সু-নাগৰিকত্বৰ জ্ঞানৰ প্ৰয়োজন সেই জ্ঞান আহৰণ কৰিব পৰা যায় শিক্ষাৰ মাধ্যমেৰে। প্ৰাচীন কামৰূপতো স্ত্ৰী শিক্ষাৰ প্ৰচলন আছিল। জয়মতী,ৰাধা,ৰুক্মিনী আদি বীৰাংগনাৰ নাম সকলোৱে শুনিছে। তেওঁলোক তেজস্বিনী আছিল। গতিকে তেওঁলোকক শিক্ষিতা বুলি কব পাৰি। সতী জয়মতীয়ে গদাপানীৰ দৰে বীৰজনকো পৰামৰ্শ দিব পাৰিছিল। তিৰোতা শিক্ষিত নহ'লে চাৰিওফালে কেৰোণ ধৰে, বিশৃংখল জীৱনৰ সূত্ৰপাত হয়। তিৰোতা শিক্ষিতা হ'লে দুখ-কষ্ট আৰু বিবিধ অভাৱবোৰে পৰিপূৰ্ণ ঘৰ এখনিতো আনন্দৰ পদুম ফুল ফুলি উঠে। গতিকে সমাজ উন্নতিৰ বাবে স্ত্ৰীশিক্ষাৰ প্ৰয়োজন অনিবাৰ্য।❑



# বিশ্ববাসী আই মাদাৰ টেৰেছা

লাৱণ্য কলিতা
স্নাতক প্ৰথম বৰ্ষ



জন্ম আৰু শৈশৱ ১৯১০ চনৰ আগষ্ট মাহৰ ২৭ তাৰিখে ইউৰোপ মহাদেশৰ অনাবেনিয়া নামৰ চহৰত এগনেছ নামৰ ছোৱালীজনীৰ জন্ম হয়। মাদাৰ টেৰেছা অথবা মাদাৰ টেৰিজাক সৰুতে মাক-দেউতাকে নাম থৈছিল 'এগনেছ'। সকলোবোৰ ল'ৰা-ছোৱালীৰ দৰে খেলা-ধুলা কৰি ফুৰে এগনেছে। এগনেছ নামৰ ছোৱালীজনীয়ে আৰ ঘৰত আম খাই, তাৰ ঘৰত বগৰী খাই, চেংগুটি খেটি, পখিলাৰ পাছে পাছে দৌৰি শৈশৱৰ দিনবোৰ কটাইছিল। ১৯১৪ চনত এগনেছৰ বয়স মাত্ৰ ৪ বছৰ। সমগ্ৰ পৃথিৱীতে যুদ্ধৰ ৰণশিঙা বাজি উঠিল। আৰম্ভ হ'ল প্ৰথম বিশ্বযুদ্ধ। গোটেই পৃথিৱীৰ মানুহকে যুদ্ধই কম বেছি পৰিমানে বিপদত পেলালে। কিছু সংখ্যক লোকে প্ৰত্যক্ষভাৱে অৰ্থাৎ চিধাচিধিকৈ আৰু কিছু সংখ্যক পৰোক্ষভাৱে অৰ্থাৎ আওপকীয়াকৈ হ'লেও বিপদত পৰিল। গোটেই পৃথিৱীতে দুৰ্ভিক্ষ, অনাটনে ভৰি পৰিল। এগনেছহঁতেও এই দুৰ্যোগৰ বলি নোহোৱাকৈ নাথাকিল। এনে অৱস্থাৰ মাজতে এগনেছৰ ৭ বছৰ বয়সত ১৯১৭ চনত পিতৃৰ মৃত্যু হয়। অকলশৰীয়া মাকে এগনেছ আৰু দুই সন্তান মুঠ তিনিটা সন্তানক লৈ বহু কষ্টৰ সন্মুখীন হ'লেও মনৰ সাহস নেহেৰুৱালে। শৈশৱৰ পৰা মাদাৰ টেৰেছা আছিল এগৰাকী চিন্তাশীল, পৰোপকাৰী আৰু আধ্যাত্মিক ভাবাপন্ন ছোৱালী।

ভাৰতলৈ আগমন ঃ- স্কুলীয়া শিক্ষা গ্ৰহণ কৰি থাকোঁতে মাদাৰ টেৰেছাই 'মেৰীৰ ছদেলিটি' নামৰ এটি ধৰ্মীয় অনুষ্ঠানৰ সংস্পৰ্শলৈ আহে। ইয়াৰ ফলত তেওঁৰ মন দলিত নিপীড়িত আৰু অসহায়সকলক সহায় কৰাৰ কাৰণে উগ্ৰ হৈ পৰে। সেয়েহে ১৮ বছৰ বয়সত প্ৰতিষ্ঠিত হওঁক। এই কথাকে মনত ৰাখি নিজৰ সকলো ইচ্ছা আকাংক্ষা ত্যাগ কৰি মহিলাসকলৰ 'লৰিটো' নামৰ খ্ৰীষ্টান সংস্থা এটিত যোগ দি ভাৰতৰ পশ্চিমবংগত সেবা কাৰ্যত ব্ৰতী হ'ল বুলি স্থিৰ কৰে। লৰিটো সংস্থাৰ স্কুল আগৰে পৰা কলিকতা আৰু দাৰ্জিলিঙত চলি আছিল। ১৯২৮ চনৰ ভাৰতৰ পদাৰ্পণ কৰা টেৰেছাই এই স্কুলত কাম কৰাৰ ওঠৰ বছৰ পিছত ১৯৪৬ চনৰ ছেপ্টেম্বৰৰ নিশা ৰেলেৰে দাৰ্জিলিঙলৈ যোৱাৰ পাছত দৈৱবাণীৰ দৰে ভগৱানৰ আদেশ শুনিছিল দৰিদ্ৰ সেৱাত আত্মনিয়োগ কৰিবলৈ। এই আহ্বান ক্ৰমেই তেওঁ স্কুলৰ কাম এৰি দি ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰি দৰিদ্ৰ সেৱাৰ বাবে আত্মনিয়োগ কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হৈছিল।

নানা অনুষ্ঠান স্থাপন ঃ- স্কুলৰ পৰা যিদিনা ওলাই আহিছিল সিদিনা মাদাৰৰ হাতত আছিল মাত্ৰ পাঁচ টকা। এই পাঁচ টকাকে সম্বল কৰি তেওঁ নিজ কাৰ্যত অগ্ৰসৰ হয়। প্ৰথমতে পাটনাত কিছুদিন প্ৰশিক্ষণ লৈ মতিঝীল নামৰ অতি পিছপৰা অঞ্চল এটিত এখন স্কুল খোলে। ইয়াত অতি সাধাৰণ শ্ৰেণীৰ ল'ৰা-ছোৱালীবোৰক কোনো সা-সঁজুলি নোহোৱাকৈ শিক্ষা দিবলৈ লৈছিল। ইয়াৰ পিছত তেওঁ কালীঘাটৰ ৰাস্তাৰ কাষত পৰি থকা নিৰাশ্ৰয়সকলৰ কাৰণে 'নিৰ্মল হৃদয়' স্থাপন কৰে। এই অনুষ্ঠান স্থাপন কৰাৰ প্ৰধান উদ্দেশ্য আছিল পদদলিত, নিৰ্যাতিত, অৱহেলিত ব্যক্তিসকলে আৰোগ্য লাভ নকৰিলেও যাতে শান্তিৰে জীৱনৰ শেষ মুহূৰ্তত মৃত্যুবৰণ কৰিব পাৰে। অৱশ্যে এই কামত প্ৰথমতে বহুতো লোকে বাধা দিছিল, কিন্তু পিছত তেওঁলোকৰ কেইবাজনেও ইয়াত আশ্ৰয় ল'ব লগা হৈছিল। মাদাৰ টেৰেছাই প্ৰতিষ্ঠা কৰা মিছনেৰিছ অৱ চেৰিটিজত দিনে দিনে বহুতো শুশ্ৰূষা

কাৰিণীয়ে যোগদান কৰি তেওঁক সহায় কৰিবলৈ লোৱাত অনুষ্ঠানটোৰ শ্ৰীবৃদ্ধি হ'বলৈ ধৰে। ইয়াৰ উপৰি ১৯৫০ চনত এই অনুষ্ঠানটোৱে ভাৰত চৰকাৰৰ অনুমোদন লাভ কৰে। ইয়াৰ পিছত তেওঁ কলিকতাৰ আচাৰ্য্য জগদীশ বসু ৰোডত অনাথ শিশুসকলৰ বাবে 'নিৰ্মলা' শিশু ভৱন প্ৰতিষ্ঠা কৰে। ইয়াৰ প্ৰায় ৩০০ শিশুক তেওঁ পৰিচৰ্যা কৰি শিক্ষিত কৰি তুলিছিল। মাদাৰ টেৰেছাৰ আন এটা মহান কাম হ'ল সকলোৱে ঘৃণিত, অৱহেলিত কুষ্ঠৰোগীসকলক ৰাস্তাৰ পৰা বুটলি আনি 'গান্ধী কুষ্ঠ আশ্ৰম' আৰু আচানচোলত 'শান্তি নগৰ' স্থাপন কৰি পৰিচৰ্য্য কৰিবলৈ লৈছিল। তেখেতে ১৯৫৬ চনত বিভিন্ন লোকৰ আমন্ত্ৰণ ক্ৰমে লণ্ডন, ডেনিজুৱেলা, আমেৰিকা, জাৰ্মানী, অষ্ট্ৰেলিয়া আদি ঠাইত বহুতো সেৱা কেন্দ্ৰ স্থাপন কৰে।

বঁটা আৰু সন্মান ঃ- মাদাৰ টেৰেছাৰ নিস্বাৰ্থ সেৱা, অফুৰন্ত কৰ্মপ্ৰেৰণাৰ বাবে ভাৰত তথা বিশ্বৰ বহুতো দেশে তেওঁক নানা বঁটা আৰু সন্মানেৰে সন্মানিত কৰিছে। ১৯৬২ চনত ভাৰত চৰকাৰৰ ফালৰ পৰা 'পদ্মশ্ৰী' উপাধি প্ৰদান কৰা হয়। একে বছৰতে ফিলিপাইনৰ 'ৰমন মেগেছেছে' বঁটা লাভ কৰে। ১৯৭৯ চনৰ আক্টোবৰ মাহৰ ১৭ তাৰিখে বিশ্বৰ সৰ্বোচ্চ নবেল বঁটা শান্তি প্ৰচাৰৰ কাৰণে চলোৱা প্ৰচেষ্টাৰ বাবে লাভ কৰে। ইয়াৰ উপৰি মাদাৰ টেৰেছাই বিভিন্ন আন্তজাতিক অনুষ্ঠানৰ পৰা বিভিন্ন পুৰস্কাৰ লাভ কৰে। এইবিলাক হৈছে পোপসকলৰ 'এয়োৰিং শান্তিৰ পুৰস্কাৰ' নিউয়ৰ্কৰ গুড চামৰিটান পুৰস্কাৰ' মোচেফ কেনেডী ফাইওেচন' পুৰস্কাৰ আদি তেওঁ লাভ কৰে। তেওঁৰ মহান কৰ্মৰাজিৰ বাবে লাভ কৰা ডক্টৰজ অৱ লেটাৰজ আৰু 'দেলিকোওস' দুটা ডাঙৰ উপাধি লাভ কৰে। মানৱ সেৱাৰ বাবে এই গৰাকী মহিলাই ইমানবোৰ পুৰস্কাৰ লাভ কৰাৰ দৃষ্টান্ত ইতিহাসত বিৰল।

সামৰণি ঃ- জীৱিত অৱস্থাতে এই গৰাকী মহিয়সী নাৰী কিংবদন্তিত পৰিণত হৈ নিজৰ লগতে ভাৰতক বিশ্বৰ ভিতৰত এখন আদৰ্শবান দেশত পৰিণত কৰি তুলিছিল। কিন্তু দুখৰ বিষয় এনেহেন মহিয়সী অফুৰন্ত কৰ্মশক্তি সম্পন্ন ত্যাগী নাৰী এগৰাকী ১৯৯৭ চনত ৫ চেপ্টেম্বৰ তৰিখে শুক্ৰবাৰে নিশা প্ৰায় ৯-৩০ মান বজাত বিশ্ববাসীক অনাথ কৰি শুই পৰিল চিৰদিনৰ বাবে। তেওঁৰ মৃত্যু ভাৰত তথা সমগ্ৰ বিশ্বৰ বাবে এক অপূৰণীয় ক্ষতি। তেওঁৰ আদৰ্শ কৰ্মপ্ৰেৰণা আৰু মহানুভৱতা সকলোৰে বাবে আদৰ্শ হৈ ৰ'ব। ১৩ ছেপ্টেম্বৰৰ দিনা শোকাৰ্ত কলিকতাবাসী তথা ভাৰতবাসীৰ লগতে পৃথিৱীৰ প্ৰায় আশীখনৰো অধিক দেশৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, বিভিন্ন উচ্চপদস্থ ৰাজ প্ৰতিনিধিৰ লগতে ভাৰতৰ ৰাষ্ট্ৰপতি প্ৰধান মন্ত্ৰীকে ধৰি অসংখ্য বিশিষ্ট ব্যক্তিয়ে কলিকতাৰ নেতাজী ইণ্ড'ৰ ষ্টেডিয়ামত মাদাৰৰ অন্ত্যেষ্টি ক্ৰিয়াত যোগদান কৰি তেখেতলৈ শেষ বিদায় জনালে।❑

### —ঃ মহৎ লোকৰ বাণী ঃ—

যিবিলাক মানুহে সদায় মনত ৰাখিবা কোনো সমালোচকৰ স্মৃতিত কোনো মূৰ্তিনিৰ্মাণ কৰা হোৱা নাই। — জাঁ চিবেলিয়াছ।

❑ সমালোচনালৈ চকু নিদি কাম কৰি যোৱা। এটা কথা সদায় মনত ৰাখিবা কোনো সমালোচকৰ স্মৃতিত আজিলৈকে ক'তো মূৰ্তিনিৰ্মাণ কৰা হোৱা নাই। — জাঁ চিবেলিয়াছ।

❑ সফল মানুহে জীৱনকালত বহু কৰ্কথনা গৰিহণা খাব লগা হয়, যিদৰে ফল ধৰা আম গছহে শিলবৃষ্টিৰ কোব খায়। শিলগুটিৰ কোব খালে বুলিয়েই আমজোপা পিছৰ ভছৰত নলগাকৈ নাথাকে। — শিব খেৰা।

— চাৰ্লছ ৰিত।

❑ সৌন্দৰ্য এক শক্তি, হাঁহি হ'ল তাৰ তৰোৱাল।

❑ তুমি সাহসী হোৱা, পিছে কাৰোবাক হত্যা কৰিবলৈ নহয়, তুমি ঘিণ কৰাজনৰ প্ৰেমেৰে আঁকোৱালি ল'বলৈহে। — মাডাৰ টেৰেছা।

— জৰ্জ বাৰ্ণাৰ্ড শ্ব।

❑ চিগাৰেটৰ এটা মূৰত জুই আৰু আনটো মূৰত এজন মূৰ্খ থাকে।



# বন্ধুত্বৰ অনুভূতি

" The value of a friend
can not be mearkred
it only treasured."

অনুপ কলিতা
স্নাতক, দ্বিতীয় বাৰ্ষিক

প্ৰতিগৰাকী ব্যক্তিৰ জীৱনত বন্ধুত্ব এক সুকীয়া আসন আছে। জীৱনৰ সুখ-দুখবোৰ শ্ৰৱনীয় কৰিবলৈ একোজন বন্ধুৰ প্ৰয়োজন। মানুহৰ জীৱনত এনে কিছুমান কথা থাকে যিবোৰ সকলোকে কব নোৱাৰি অথচ নক'লেও বুকুৰ বোজা নকমে, মন ফৰকাল নহয়; কামত মন নবহে। কিন্তু জীৱনত সংঘটিত সেই সকলোবোৰ কথা যদি কাৰোবাক ক'ব পৰা যায়, ঘটনাবোৰ যদি কাৰোবাৰ সতে আলোচনা কৰিব পৰা যায়, মন পাতল হয় তথা কাম কৰাৰ উৎসাহ বাঢ়ে। বন্ধু সিজন যিয়ে সকলো উপলব্ধি কৰিব পাৰে। প্ৰকৃত বন্ধু এখন দাপোণৰ দৰে, য'ত এজন আনজনক স্পষ্টভাৱে দেখা যায়।

বন্ধুত্ব মানে এটা টকাৰ দুটা পিঠি বা দুটা শৰীৰৰ এটা মন। বন্ধুত্ব সদায় এটা মিঠা দায়িত্ব কিন্তু সুযোগ নহয় আৰু এই দায়িত্ব পালন কৰাৰ বাবে প্ৰয়োজন এক প্ৰকৃত তথা ভাল বন্ধুৰ। খুব কম মানুহে বন্ধুহীন হোৱা দেখা যায়। সকলো মানুহৰে একোজন বন্ধু থাকে। কিন্তু এনেকুৱা বন্ধুহে পোৱা টান, যিয়ে অপ্ৰিয় সত্যও হজম কৰিব পাৰে। ভাল বন্ধু মানুহৰ এজন বা দুজনহে থাকিব পাৰে। কিন্তু দৰাচলতে যিয়ে সকলোৰে বন্ধু তেওঁ আচলতে কাৰো বন্ধু নহয়।

ভালবন্ধু লাভৰ যোগ্যতা হ'ল নিজে এজন ভাল বন্ধু হোৱা। বন্ধুত্ব কাৰ লগত কেতিয়া গঢ়ি উঠে কব নোৱাৰি। একে চৰিত্ৰৰ একে বয়সৰ লগতহে যে কেৱল বন্ধুত্ব গঢ়ি উঠে এনে নহয়। ভাল বেয়া আদি বিভিন্ন চৰিত্ৰৰ ব্যক্তিৰ মাজতো গঢ়ি উঠিব পাৰে বন্ধুত্ব। আনকি নিজতকৈ বহুত ডাঙৰ বা সৰুজনৰ লগতো গঢ়ি উঠিব পাৰে এবাৰ নোৱাৰা বন্ধুত্ব। এজন মানুহৰ শৈশৱতে হোৱা বন্ধুত্ব তেওঁৰ সমস্ত জীৱনতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। জীৱনৰ সকলো বয়সতে বন্ধুত্বৰ গুৰুত্ব থাকে। বৃদ্ধসকলৰো বন্ধুত্বৰ প্ৰয়োজন আছে। তেওঁলোকেও বন্ধুত্বৰ মাজতে শেষ দিন কেইটা পাৰ কৰি দিব বিচাৰে। বন্ধুত্ব ইমানেই মধুৰ আৰু দৃঢ় বিশ্বাসী যে আজীৱন স্থায়ী হৈ ৰয়।

বন্ধুত্ব কেতিয়াও মনৰ আকৰ্ষণ নহয় ই দেহ আৰু মনৰ সংমিশ্ৰণৰ গঢ় লোৱা অত্যন্ত কঠিন সম্বন্ধ। জ্ঞান-আদৰ্শ আৰু বিশ্বাসৰ গাঢ়তাই বন্ধুত্বৰ ৰূপ দিয়ে। যদি এজনে আনজনক বিশ্বাস কৰিব পাৰে; হৃদয় উজাৰি ভাল পাব পাৰে তেনেহ'লে বন্ধুত্ব অনিবাৰ্য আৰু এই বন্ধুত্ব কোনো দিনে ভাঙি নাযায়। এই সম্পৰ্ক চিৰস্থায়ী হৈ ৰয়।

পশ্চিমৰ এজন চিন্তাবিদে কৈছিল যে নাৰী হেনো পুৰুষৰ বন্ধু হ'ব নোৱাৰে। তেওঁ কৈছিল যে — "Man may be friends, but women can only be acquaintances" অৰ্থাৎ পুৰুষহে পুৰুষৰ বন্ধু হ'ব পাৰে, নাৰী পৰিচিত ব্যক্তিহে। কাৰণ নাৰীয়ে হেনো ভিতৰৰ পৰা অন্য এজন নাৰীক ভাল পাব নোৱাৰে, সেয়ে নাৰীৰ মাজত বন্ধুত্ব সম্ভৱ নহয়। নৰ-নাৰীৰ মাজত সম্পৰ্ক বন্ধুত্ব পৰ্যায়লৈ যাব নোৱাৰে বুলি ক'লে মানি ল'ব পাৰি। কাৰণ নাৰীয়ে নাৰীক প্ৰতিহিংসা কৰে। নাৰীয়ে জন্মগতভাৱে লাভ কৰা সৌন্দৰ্যতাৰ অলংকাৰ। আৰু এই সৌন্দৰ্যতাৰ কাৰণে প্ৰতিজনী নাৰীয়ে নিজকে আনতকৈ বেছি ধুনীয়া বুলি মনত অহংকাৰ ভাব এটা কঢ়িয়াই লৈ ফুৰে। কোনে জানে নাৰীৰ এই স্বভাৱগত অহংকাৰেই কিজানি প্ৰতিহিংসাৰ সৃষ্টি কৰে। যাৰ ফলত নাৰীৰ মাজত বন্ধুত্ব গঢ় লৈ নুঠে। কিন্তু নাৰী আৰু পুৰুষৰ মাজত বন্ধুত্ব গঢ় লৈ নুঠে বোলা কথাযাৰ মানি ল'ব নোৱাৰি। কাৰণ পৃথিৱীৰ হাজাৰ বিজাৰ নাৰীয়ে সংগোপাতি বন্ধুত্বৰ বান্ধোনেৰে মচগুল হৈ থকাতো বন্ধুত্ব সঁচাকৈ সম্ভৱ নহয় নেকি?

কিন্তু কবলৈ গ'লে জ্ঞান-আদৰ্শ আৰু বিশ্বাসৰ গাঢ়তাই বন্ধুত্বৰ ৰূপ দিয়ে। কিন্তু নাৰী-পুৰুষৰ সম্বন্ধত প্ৰায়ে নিমজ্জিত হৈ থাকে যৌন চেতনা। সেই যৌন চেতনাই বন্ধুত্বৰ সম্বন্ধ গঢ় লবলৈ নিদিয়ে। যিহেতু পৃথক-পৃথককৈ দেহ আৰু মনৰ আকৰ্ষণ গণনা কৰা সম্ভৱ নহয়, কিন্তু তীব্ৰতাক অনুচৰ কৰিব পাৰি। প্ৰেমত দেহ আৰু মনৰ আকৰ্ষণৰ মাত্ৰা সমান কিন্তু বন্ধুত্বত মনৰ আকাৰ্যণৰ মাত্ৰা বহুগুণে বেছি। নাৰী-পুৰুষৰ সম্বন্ধত যৌনতাই স্বাৰ্থলৈ ৰূপান্তৰিত হোৱা বাবে প্ৰেম বা বন্ধুত্বতকৈ পৃথক। কাৰণ প্ৰকৃত বন্ধুত্বৰ স্বাৰ্থৰ কথা নাহে। সেয়ে নাৰী আৰু পুৰুষৰ মাজত প্ৰকৃততে বন্ধুত্ব হ'ব নোৱাৰে।

বন্ধুত্ব আৰু প্ৰেমৰ মাজত ওতপ্ৰোত সম্বন্ধ থকা দেখা যায়। প্ৰেমৰ বীজ বন্ধুত্বৰ পৰাই আৰম্ভ হয়। কাব্যিক ভাষাত বন্ধুত্ব কেতিয়াবা প্ৰেমত বিলীন হৈ যায়; কিন্তু বন্ধুত্বত প্ৰেম কেতিয়াও মানে বন্ধুত্বৰ শেষ পৰিণতি প্ৰেম হোৱা দেখা যায়, কিন্তু প্ৰেমৰ শেষ পৰিণতি বন্ধুত্ব খুব কমেই দেখা যায়।

আজিৰ সমাজত প্ৰকৃত বন্ধুত্ব বিচাৰি পোৱাতো কিছু জটিল হৈ পৰিছে। আত্মস্বাৰ্থৰ মগ্ন আজিৰ মানুহে নিজৰ স্বাৰ্থৰ বাবে বন্ধুত্বৰ অভিনয় কৰে আৰু পিচত স্বাৰ্থ সিদ্ধি হ'লে বিশ্বাসঘাতকতা কৰিবলৈকো নাপাহৰে। সেয়া বন্ধুত্বৰ নামত কলংক।❑

# সাক্ষাৎকাৰ

সাংবাদিকতাৰ যোগেৰে অসমীয়া সাহিত্যজগতত আত্মপ্ৰকাশ কৰা অনুৰাধা শৰ্মা পূজাৰী বৰ্তমান অসমীয়া সাহিত্যজগতত এটি জনপ্ৰিয় আৰু সৰ্বপৰিচিত নাম। শৰ্মা পূজাৰীৰ গল্প-উপন্যাস সমূহৰ বিষয়বস্তুৰ বিষয়বস্তু নিৰ্বাচন, পৰিৱেশ বিশ্লেষন আৰু কথন ৰীতিৰ ক্ষেত্ৰত এক সুকীয়া ষ্টাইল পৰিলক্ষিত কৰা যায়। যাৰ ফলত তেওঁৰ গল্প বা উপন্যাসমূহ পঢ়ুৱৈ সমাজৰ মাজত অতি জনপ্ৰিয় হিচাপে চিহ্নিত হয়। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ চুকে-কোণে ভ্ৰমণ কৰি বিভিন্ন মানুহ আৰু বিচিত্ৰ পৰিৱেশৰ সংস্পৰ্শলৈ অহাৰ অভিজ্ঞতা সমূহকেই মূলধন কৰি সূক্ষ্ম পৰ্যবেক্ষণেৰে তেখেতে গল্প-উপন্যাস সৃষ্টি কৰি আহিছে। অসমীয়া গদ্য সাহিত্যত তেখেতৰ লেখাই এক নতুন মাত্ৰাৰ সংযোজন কৰিছে। এই গৰাকী সাহিত্যিকৰ মন কথা জানিবলৈ আমি সৈতে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা তেওঁৰ কাষ চাপিছিলো। মহাবিদ্যালয়খনৰ আলোচনী সম্পাদক দীপজ্যোতি শৰ্মাৰ সৈতে তেওঁৰ অন্তৰংগ আলাপৰ হুবহু ৰূপ তলত উল্লেখ কৰা হ'ল।



সাক্ষাৎকাৰৰ মুহূৰ্তত অনুৰাধা শৰ্মা পূজাৰীৰ লগত দীপজ্যোতি শৰ্মা

**দীপজ্যোতি ঃ** বাইদেউ, নমস্কাৰ।

**অনুৰাধা বাইদেউ ঃ** নমস্কাৰ।

**দীপজ্যোতি ঃ** নৱপ্ৰজন্মৰ এগৰাকী জনপ্ৰিয় সু-সাহিত্যিক তথা সাংবাদিক হিচাপে আপোনাৰ অনুভৱ কেনেকুৱা ?

**বাইদেউ ঃ** প্ৰথম কথা মই নিজকে এতিয়ালৈকে সাহিত্যিক হিচাবে ভবা নাই। জনপ্ৰিয়তাৰ কথাটো প্ৰকৃততে মই ক'ব নোৱাৰিম, পাঠকে যদি মোৰ লিখনিবিলাক পঢ়ি ভাল পায়, তেন্তে ইয়ে মোক আনন্দ দিয়ে, আৰু লগতে নতুন সৃষ্টিৰ বাবে উৎসাহ যোগায়। তৃতীয়তে, মোৰ বহুত কাম কৰিবলৈ বাকী আছে, কিন্তু এবছৰ দুবছৰকৈ সময়হে পাখিলগা কাঁড়ৰ নিচিনা গৈ আছে। গতিকে কাম যিহেতুকে হোৱা নাই সেই অনুভৱটোৱেহে মোক বেছি হতাশ কৰি তুলিছে।

**দীপজ্যোতি ঃ** আপোনাৰ জন্মস্থান আৰু জন্মঘৰখনৰ পৰিৱেশৰ বিষয়ে অলপ ক'ব নেকি ? যি পৰিৱেশত আপোনাৰ মনটোৱে লিখাৰ প্ৰতি আগ্ৰহী হৈছিল ?

**বাইদেউ ঃ** সৰুৰে পৰাই মই এটা খুব ভাল পৰিৱেশ পাইছিলো। মোৰ মা-দেউতাই খুব কিতাপ পঢ়িছিল আৰু সেয়েহে মইও বহুতো কিতাপ পঢ়িবলৈ পাইছিলো। মই এটা কোঠালি পাইছিলো, য'ত ছবি অঁকাৰ গান গোৱাৰ পৰিৱেশ এটা পাইছিলো আৰু মই ভবো এখন ঘৰত সেইখিনি পোৱাটোৱেই ডাঙৰ কথা। তাদুপৰি মই এটা প্ৰাকৃতিক পৰিৱেশত ডাঙৰ-দীঘল হৈছিলো। অৰ্থাৎ মই বিভিন্ন জীৱ-জন্তু যেনে হাঁহ-পাৰ, গৰু-ছাগলী, বিভিন্ন চৰাই-চিৰিকটিৰ লগত ওমলাৰ উপৰি নিজেই বিভিন্ন ফুলৰ খেতিও কৰিছিলোঁ।

Reporting ৰেই আৰম্ভ লিখাটো মই প্ৰথম অভিজ্ঞতা হ'ল।

কৰিছিলো। তাৰ পিছত জীৱন সম্পৰ্কে অলপ কিতাপ এখন লিখিলোঁ আৰু দেখিলো সেইখন মানুহে খুব ভালদৰে আদৰিছে। দ্বিতীয়খন কিতাপৰ বাবে মোক প্ৰকাশকে তাগিদা দিবলৈ ধৰিলে আৰু প্ৰকাশকৰ তাগিদাতে মই দ্বিতীয়খন কিতাপ লিখিলো। তাৰপিছত দেখিলো তিনি চাৰিটা প্ৰকাশন গোষ্ঠী আগ বাঢ়ি আহি মোক তাগিদা দিছে। গতিকে পঢ়ুৱৈ আৰু প্ৰকাশকৰ তাগিদাই মোক প্ৰবোধ দিছে যে মোৰ কিতাপ মানুহে পঢ়িছে অৰ্থাৎ মই লিখিব পাৰিছো, নহ'লে হয়তো মই কেতিয়াও এনেদৰে লিখিব নোৱাৰিলো হেঁতেন।

**দীপজ্যোতি ঃ** আপুনি সৰু বয়সৰ পৰা এতিয়ালৈকে অনুসৰণ কৰা জীৱন-যাপন প্ৰণালীৰ এটা চমু আভাস আমাক দিবনে ?

**বাইদেউ ঃ** মই কোনো বিশেষ জীৱন-যাপন প্ৰণালী অনুসৰণ কৰা নাই। সাধাৰণ মধ্যবিত্ত পৰিয়াল এটাত মানুহ যেনেকৈ ডাঙৰ হয়, মইও ঠিক তেনেকৈয়ে ডাঙৰ হৈছোঁ। কিন্তু মোৰ দেউতাই চাহ বাগিচাত কাম কৰাৰ সূত্ৰে মই সৰুৰে পৰাই





বহুতো বিদেশী মানুহৰ লগত ঘনিষ্ঠ হোৱাৰ সুযোগকণ পাইছিলো। সামাজিক, সাংস্কৃতিক আৰু সাহিত্যৰ এটা পৰিৱেশত মই ডাঙৰ-দীঘল হৈছিলোঁ আৰু সেই পৰিৱেশ এতিয়াও আছে।

**দীপজ্যোতি ঃ** বৰ্তমান সময়ত আপুনি 'সাদিন' আৰু 'সাতসৰী'ৰ সম্পাদক। এগৰাকী সুগৃহিণী অৰ্থাৎ বোৱাৰী, পত্নী আৰু মা- এই গোটেইখিনি সম্পৰ্কৰ ভাৰসাম্য ৰখাৰ লগতে আপুনি এগৰাকী সু-লিখিকা প্ৰতিটো ক্ষেত্ৰতে নিজকে প্ৰতিষ্ঠা কৰিও আপুনি পাঠকক সুন্দৰ উপন্যাস উপহাৰ দিয়ে, কেনেকৈ ?

**বাইদেউ ঃ** Manage কৰিব পাৰিলে সকলো কামেই সুন্দৰকৈ কৰিব পাৰি। প্ৰধান কথাটো হ'ল মোক ঘৰত সকলোৱে সহযোগ কৰে, মোৰ husband এও মোক ঘৰুৱা কামত সহায় কৰে। এনেদৰে বিভিন্ন কামৰ মাজতো মই সময় উলিয়াই পৰিয়াল, আত্মীয়স্বজনৰ লগত সময় কটাওঁ, নাটক-চিনেমা আদি চাওঁ, বিভিন্ন ঠাই আদি ভ্ৰমণ কৰো। অৰ্থাৎ মই অকল যে লিখিয়েই থাকো এনেকুৱা নহয়, লিখাটো বৰঞ্চ কমকৈহে কৰোঁ।

**দীপজ্যোতি ঃ** 'চাহেবপুৰাৰ বৰষুণ'ৰ বাবে আপুনি ২০০৩ বৰ্ষত সাহিত্য সভাৰ 'কুমাৰ কিশোৰ সোঁৱৰণী বঁটা' লাভ কৰে। এই বঁটাই আপোনাৰ মন, জীৱন আৰু লিখনিত কেনেদৰে প্ৰভাৱ পেলাইছে ?

**বাইদেউ ঃ** পুৰস্কাৰ পালে ভালেই লাগে। এইখিনিতে উল্লেখ কৰিব খোজো যে 'নাহৰৰ নিৰিবিলি ছাঁ'ৰ বাবে মোক সাহিত্য সভাই বাসন্তী বৰদলৈ বঁটাও আগ বঢ়াইছিল। কিন্তু উক্ত বঁটা মই ওভোটাই দিছো, কাৰণ মই সাহিত্য সভাৰ এটা বঁটা ইতিমধ্যে লাভ কৰিছোঁ। গতিকে নতুন কোনো লেখিকাই যদি ভাল লিখিছে তেতিয়াহলে তেওঁকহে এই বঁটাটো দিয়া উচিত। এইটোৱেই প্ৰমাণ কৰে যে পুৰস্কাৰে মোৰ ওপৰত প্ৰভাৱ পোলোৱা নাই, নহ'লে 'বাসন্তী বৰদলৈ' বঁটা টো মই লৈ থলোঁহেতেন।

**দীপজ্যোতি ঃ** আপোনাৰ অতীত জীৱনলৈ ঘূৰি চাই কথা আপোনাৰ ভাল লাগে আৰু কি কথা বেয়া লাগে ?

**বাইদেউ ঃ-** অতীত জীৱনলৈ ঘূৰি চাই মোৰ এটা কথাই ভাল লাগে যে মোৰ সমান অভিজ্ঞতা, জীৱনৰ সকলো দিশৰ পৰা খুব কম ছোৱালীয়েহে পাইছে। এই অভিজ্ঞতাবোৰে মোৰ পৰিপক্কতা বা maturity আনি দিয়ে। কিন্তু মই ভাবো একেইখিনি অভিজ্ঞতা অলপ দেৰিকৈ অহা হ'লে ভাল আছিল। কাৰণ মই নৱম শ্ৰেণীত থাকোঁতে যিমান পৰিপক্ক আছিলো, স্নাতক শ্ৰেণীত থাকোঁতেও সমানেই পৰিপক্ক আছিলো, অৰ্থাৎ নৱম শ্ৰেণী আৰু স্নাতক শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত চাৰিটা বছৰৰ যিটো ব্যৱধান থকিব লাগে, মোৰ ক্ষেত্ৰত কিন্তু বিশেষ তফাৎ নাছিল। বয়সতকৈ আগতে পৰিপক্ক হোৱাৰ ফলস্বৰূপে মই শৈশৱক উপভোগৰ পৰা বঞ্চিত হওঁ আৰু তাৰ বাবে কেতিয়াবা বেয়াও লাগে।

**দীপজ্যোতি ঃ** 'বৰ্তমান যুৱ সমাজে উপন্যাস কমকৈ কিনে বা পঢ়ে'। এই কথাষাৰত আপোনাৰ মন্তব্য কি ?

**বাইদেউ ঃ** একেবাৰে নহয়, খুব পঢ়ে। আমাৰ ভাষা কোৱা মানুহৰ সংখ্যা এতিয়া দ্ৰুতহাৰত কমি গৈ আছে। Linguistic Report ৰ মতেও অসমীয়া ভাষা কোৱা মানুহ কমি গৈছে। গতিকে সেই অনুপাতে চালে, যিখিনি কিতাপ বিক্ৰী হয় তাৰ পৰা যুৱ প্ৰজন্মই কিতাপ নপঢ়ে বুলি ক'ব নোৱাৰি ! মই আনকি ইংৰাজী মাধ্যমৰো বহুত ল'ৰা-ছোলাৱী পাইছো যিসকলে মোৰ কিতাপ পঢ়িছে। গতিকে যুৱ প্ৰজন্মই কিতাপ নপঢ়ে বুলি ক'লে মোৰ বোধেৰে ভুলহে কোৱা হ'ব। অৱশ্যে এটা কথা ঠিক যিসকলে কিতাপ নপঢ়ে তেওঁলোকে একো কিতাপেই নপঢ়ে; ইংৰাজীও নপঢ়ে অসমীয়াও নপঢ়ে অন্য উপন্যাসো নপঢ়ে।

**দীপজ্যোতি ঃ** বৰ্তমান আমাৰ যুৱ সমাজত বিশৃংখলতা, অনুশাসনহীনতা আদিয়ে গা কৰি উঠিছে। এই প্ৰসঙ্গত আপোনাৰ মতামত কি ?

**বাইদেউ ঃ** আজিকালিৰ যুৱ বিশৃংখলতাৰ বাবে তেওঁলোকেই অকল দোষাৰোপ কৰিলে নহ'ব, সেইটো সময়েই কৰিছে! আগৰ ল'ৰা-ছোৱালীবোৰে স্কুলৰ কিতাপ-পত্ৰ পঢ়াৰ উপৰি অইন বহুতো বাহিৰা কিতাপ আলোচনী আদি পঢ়িছিল। কিন্তু বৰ্তমান ছাত্ৰ-ছাত্ৰীয়ে ক'ৰ্ছৰ কিতাপ পঢ়ি আন কিতাপ পত্ৰ পঢ়িবলৈ সময়েই নাপায়। আকৌ টেকন'ল'জী ইমান আগ বাঢ়ি গৈছে যে এতিয়া ঘৰে ঘৰে টেলিভিছন, কম্পিউটাৰ, মোবাইল আদি হৈছে আৰু এইবোৰৰ ভাল আৰু বেয়া দুয়োটা প্ৰভাৱ যুৱ-প্ৰজন্মৰ ওপৰত পৰিছে!

দীপজ্যোতি ঃ কলেজীয়া জীৱনৰ আপোনাৰ যিকোনো এটা অভিজ্ঞতাৰ বিষয়ে ক'ব নেকি? যাৰ পৰা কলেজীয়া ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব বুলি আপুনি ভাবে?

বাইদেউ ঃ প্ৰথমতে কওঁ মই কলেজীয়া শিক্ষা আহৰণ কৰোঁ যোৰহাটৰ দেৱী চৰণ বৰুৱা ছোৱালী মহাবিদ্যালৰ পৰা। প্ৰায় ২০০০ ছাত্ৰীৰে এই কলেজখন অসমৰ খুব নাম কৰা কলেজ।

কলেজীয়া জীৱনৰ মোৰ এটাই ডাঙৰ অভিজ্ঞতা সেইটো হৈছে মই কলেজত নামভৰ্তি কৰিয়েই অৰ্থাৎ উচ্চতম মাধ্যমিক প্ৰথম বৰ্ষতেই সাধাৰণ সম্পাদক হৈছিলো। এইটো অইনত ক'ত হৈছে নাজানো কিন্তু যিমানেই শুনিছে সিমানেই কৈছে যে তেওঁলোকে মেট্ৰিক পাছ কৰিয়েই কলেজৰ সাধাৰণ সম্পাদক হোৱাৰ কথা এতিয়ালৈকে ক'তো শুনা নাই। কাৰণ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকত সাধাৰণ সম্পাদক নিদিয়ে, ওপৰৰ শ্ৰেণীতহে দিয়ে। তেতিয়া বিদেশী খেদা আন্দোলন চলি আছে আৰু মই সাধাৰণ সম্পাদক হৈছো তাকো এবছৰৰ বাবে নহয়, একেলগে চাৰি বছৰৰ বাবে। পিছলৈ এনেকুৱা হ'ল যে কোনেও মোৰ লগত প্ৰতিযোগিতাই নকৰে।

দীপজ্যোতি ঃ আমাৰ যুৱ সমাজক আপোনাৰ ক'ব লগা? লগতে বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মোবাইলফোনৰ কিবা প্ৰয়োজনীয়তা থকা বুলি আপুনি ভাবেনে?

বাইদেউ ঃ ছাত্ৰ সমাজক মোৰ ক'ব লগা এইখিনিয়েই যে তেওঁলোকে যেনে পাঠ্যক্ৰম আছে, তেনেকৈয়ে পঢ়িব লাগিব। আমাৰ System টোৱে তেনেকুৱা য'ত নিজৰ টেনেন্ট কেতিয়াও প্ৰকাশ নাপায় ফলত প্ৰতিভাৰ অপচয় হৈ আছে।

মোবাইল সম্পৰ্কত মই ক'ব খোজো, ইনলগা নহয়। ছাত্ৰ-ছাত্ৰীসকলে পুৱাই ঘৰৰ পৰা ওলাই আহিছে, গধূলিলৈকে একো খা-খবৰ নাই। গতিকে এই ক্ষেত্ৰত যোগাযোগৰ মাধ্যম হিচাপে ইয়াৰ গুৰুত্ব আছে। টেকন'ল'জী বস্তুটো সদায় আশীৰ্বাদ। কিন্তু ছাত্ৰ-ছাত্ৰী সকলে ব্যৱহাৰ কেনেকৈ কৰিব সেইটো তেওঁলোকক প্ৰথমে বুজাব লাগিব। মোবাইল ফোনটো যদি তেওঁলোকে বিলাসিতা বুলি লয়, তেনেহ'লে বেয়া।

দীপজ্যোতি ঃ বৰ্তমান নেন টেকন'ল'জীৰ যুগত 'সাহিত্য চৰ্চা' এক কেৰিয়াৰ হিচাপে লোৱাৰ ক্ষেত্ৰত প্ৰধান অন্তৰায় আপুনি কি বুলি ভাবে?

বাইদেউ ঃ সাহিত্য চৰ্চা সাধাৰণতে কোনেও কেৰিয়াৰ হিচাপে নলয়। মই জীৱনত কেতিয়াও সাহিত্যিক হ'ম বুলি ভবা নাছিলো। মোৰ কেৰিয়াৰৰ লক্ষ্যই বেলেগ আছিল, কিন্তু মই হ'ব লগা হ'ল। মানুহে সাহিত্য চৰ্চাক কেৰিয়াৰ কৰিব নোৱাৰে। কেৰিয়াৰ নিজে নিজে হৈ যায়। সাহিত্য চৰ্চা কৰিব লাগিলে নিজা Potential থাকিব লাগিব, ই অন্তদৃষ্টিৰ বিকাশতহে হয়। সাহিত্যিক -সকলৰ সাধাৰণতে আন এটা প্ৰফেছন থাকে। লাগিলে যিমান বিখ্যাত সাহিত্যিকেই নহওঁক, উদাহৰণস্বৰূপে বিখ্যাত সাহিত্যিক হেমিংৱে প্ৰথম সাংবাদিকহে আছিল, আমাৰ হোমেন বৰগোহাঞিও প্ৰথম এ. ডি. চিহে আছিল আৰু তাৰ পৰাই ক' ব নোৱাৰাকৈয়ে তেওঁলোকৰ কেৰিয়াৰ গঢ় লৈ উঠিছে।

দীপজ্যোতি ঃ অৱসৰ মুহূৰ্ত আপুনি কেনেদৰে কটায়?

বাইদেউ ঃ অৱসৰ মুহূৰ্তত মই গান শুনোঁ আৰু মোৰ ফুলৰ বাগিচাত থাকো। মই পৃথিৱীৰ বিভিন্ন ঠাইৰ instrumental music বোৰ শুনোঁ আৰু মোৰ সেই আটাইবোৰৰে Collection আছে। অসমীয়াৰ উপৰি মই বাংলা, হিন্দী আৰু ইংৰাজী ভাষাৰ গানো শুনোঁ, আনকি একেবাৰে শেহতীয়া হিন্দী বোলছবিৰ গানলৈকে শুনোঁ। যিকোনো গায়ক-গায়িকাৰে ভাল কথা, সুৰ আৰু আবেদন থকা ন-পুৰণি সকলো গানেই মোৰ প্ৰিয়।

দীপজ্যোতি ঃ উত্তৰ পুৰুষে আপোনাক কেনে ধৰণে মনত ৰখাটো বিচাৰে?

বাইদেউ ঃ উত্তৰ পুৰুষে মোক A lady with a beautiful mind এই ধৰণে মনত ৰাখিলে ভাল পাম। আচলতে মই মনটো সদায় পৰিষ্কাৰ কৰি ৰাখিব বিচাৰোঁ। তাতকৈ মই একো নিবিচাৰোঁ। মই কোনো যশ-খ্যাতি আদি বিচৰা নাই। মাথো ভাল মনৰ মানুহ এগৰাকী আছিল বুলি মনত ৰাখিলেই হ'ল।

দীপজ্যোতি ঃ বাইদেউ, সাহিত্য ক্ষেত্ৰখনৰ শেহতীয়া কাৰ্যসূচী তথা ভবিষ্যৎ পৰিকল্পনাৰ বিষয়ে অলপ ক'বনে?

বাইদেউ ঃ কামেইকৰি যাম। পৰিকল্পনা বুলিবলৈ তেনেকুৱা বিশেষ নাইযদিও দুখনমান উপন্যাস লিখাৰ বাবে প্ৰস্তুতি চলাই আছোঁ।





গল্প শিতান...

# গ্ৰহণ



সদানন্দ দাস
মুৰব্বী প্ৰবক্তা, শিক্ষা বিভাগ।



আজি কলেজ বন্ধ আছিল বাবে আবেলি অকণমান শুইছিলো। শুই উঠি বাৰান্দাত থকা চকীখনতে বহিলোহি। ৰমেশে চাহকাপ হাতত দি ক'লে, চাৰ আজি ওলাই নাযায় নেকি? মই মাথোঁন নেযাওঁ বুলি কৈ থলো। সি মোনাখন হাতত নুৰা কৰি লৈ বজাৰলৈ ওলাই গ'ল। তাক এতিয়া আৰু বজাৰৰ পৰা কি কি আনিব লাগিব ক'ব নেলাগে। মই কি খাই ভাল পাওঁ সি জানে। আমলখিৰ আচাৰ বনোৱাৰ পৰা মানিমুনি, ভেদাই লতাৰ পাতলৈকে কিমান যে মুখৰোচক ব্যঞ্জন যতনেৰে ৰান্ধি-বাঢ়ি দিয়ে ভাবিলে আচৰিত লাগে।

লাইটটো জ্বলি উঠিল। মই কিন্তু বাৰান্দাৰ লাইটটো জ্বলাবলৈ ইচ্ছা নকৰিলো। এন্ধাৰতে বহি ভাল লাগিল। মোৰ বাবে লাইটটোৰ একুৱা প্ৰকাণ্ড জুই যেন লগিল। জুইৰ মাজত এলানি ঘৰ। ঘৰবোৰ আঙঠাৰ দৰে জ্বলিছে আৰু ক্ষন্তেক পিছতে যেন সেইবোৰ জ্বলি নিঃশেষ হৈ যাব।

গ্ৰীষ্ম বন্ধৰ দিন চমু চাপি অহাৰ লগে লগে মোৰ মনত এটা প্ৰশ্নই জুমুৰি ধৰিছে। বন্ধত ঘৰলৈ যাম নে ভাড়াঘৰতেই থাকিম। ইতিমধ্যে দুই এজনে যোৱাৰ প্ৰস্তুতি চলাইছেই। আমাৰ কলেজৰ জ্যেষ্ঠ সহকৰ্মী সকল'ৰো যে আৰু কথা, বন্ধ এটা আহিলেই সুধিব ঘৰলৈ কেতিয়া যাবা, বন্ধৰ শেষত লগ পালে ক'ব কেতিয়া আহিল আৰু যদি বন্ধত কেতিয়াবা নাযাওঁ নেকি বুলি কওঁ- ইয়াত থাকি ভাল লাগিছে নহয়নে? ভাল লাগিবই দিয়া, দুই চাৰি বছৰ পাছত আৰু ভাল লাগিব।

মোৰ কিন্তু ঘৰলৈ যোৱাৰ কথা ভাবিলে দেহৰ প্ৰতিটো ৰক্তকণাই উলতিবলৈ ধৰে। আইতা থাকোঁতে কিন্তু তেনে হোৱা নাছিল। ঘৰত এতিয়া মাহী মা, দেউতা আৰু ভাইটি অজিত থাকে। ভন্টি হীৰামনি হেনো এদিন কলেজৰ পৰা ডেকা ল'ৰা এজনৰ সৈতে উধাও হ'ল। অজিতে বহুবাৰ পৰীক্ষা দিও কলেজটোকে পাছ কৰিব নোৱাৰি ঠিকাতে লাগিছে। সি হেনো উপাৰ্জনতকৈ চাৰিগুণে খৰছ কৰে। অকল সিহে জানে টকাবোৰ ক'ত খৰছ কৰে। মোৰ প্ৰতি থকা মাহীমাৰ মৰমো অৱশ্যে কোনো ক্ষেত্ৰতে কম নহয়। তথাপি কিয় জানো ঘৰলৈ গ'লে এক চক্ৰব্যুহত সোমাই পৰি উশাহ-নিশাহ বন্ধ হৈ যোৱা যেন লাগে। উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাৰ পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হৈও যেতিয়া মই ৰাসায়ন বিষয়ত মেজৰ লৈ বি.এছ,চিত নাম ভৰ্তি কৰিলো তেতিয়া দেউতাই কৈছিল, "প্ৰকাশ, তই যে বি.এছ.চিত নাম লগালি, ইঞ্জিনীয়াৰিং নপঢ় নেকি? বি.এছ.ছি পঢ়ি কিটো কৰিবি? নে এম,এছ,ছি পাছ কৰি কলেজত সোমাব খুজিছ? কলেজত চাকৰি কৰি লাইফটো 'স্পইল' নকৰিবি। জীৱনত অন্ততঃ লও বুলিলে এখন ভাল গাড়ীকে ল'ব পাৰিবিনে? নে লও বুলিলে গুৱাহাটীত ভাল ঠাইত এডোখৰ মাটিকে ল'ব পাৰিবি? জান প্ৰকাশ, টকাৰে উভৈনদী হ'লেহে জীৱন, পৃথিৱী সকলো সুন্দৰ হৈ উঠে আৰু সেয়া নেথাকিলে শূন্য মৰুভূমিৰ দৰেই নিৰৰ্থক হয় মানুহৰ জীৱন"। মই কিন্তু শেষত দেউতাই নিবিচৰা চাকৰিটোকে কৰিবলৈ ললো। এতিয়াও যদি ঘৰলৈ যাওঁ, দেউতাই দীঘলীয়া বক্তৃতা আৰম্ভ কৰি দিয়ে। "আজি বোলে অমুক চৌধুৰীৰ ঘৰলৈ যোৱা ,কালি বোলে তমুক দত্তৰ ঘৰলৈ যোৱা - এই সকল মোৰ মিতিৰ। মই থাকোতে তেওঁলোকৰ

সৈতে পৰিচয় হোৱা ভাল"। কিন্তু দেউতাৰ এই যা-তা সব বাহ্যিক। অন্তৰালত এটাই লক্ষ্য। প্ৰচুৰ ঐশ্বৰ্য্যশালী ধনীৰ দুলালী এজনীৰ সৈতে মোৰ বিয়া ঠিক কৰা। তেনে এক পৰিয়ালৰ নিমন্ত্ৰণ থাকিলে সেইদিনা দেউতা ঘৰৰ পৰা নোলায়। এতিয়া দেউতাৰ ফেল্গি এক প্ৰচণ্ড ধনীৰ একমাত্ৰ কন্যাৰ ওপৰত নিবদ্ধ হৈছে। দেউতাৰ হিচাপত বিয়া প্ৰায় ঠিক।

এম.এছ.ছি পাছ কৰি কলেজত অধ্যাপনা কৰা প্ৰায় পাঁচ বছৰেই হ'লহি যদিও দেউতাৰ সৰ্বচেষ্টা ব্যৰ্থ হৈছে। দেউতাই ধৰি অনা কোনো ছোৱালীকে মই প্ৰশ্ৰয় দিয়া নাই। তাৰো অৱশ্যে এটা কাৰণ আছে। শিখাৰ লগত মোৰ কলেজীয়া জীৱনৰে পৰা এক মধুৰ সম্পৰ্ক আছে। এদিন আকস্মিকভাৱেই বুলি ক'ব পাৰি শিখাৰ সৈতে মোৰ চিনাকি হৈছিল। নবাগত আদৰণি সভাৰ অন্তত কলেজৰ ৰংগমঞ্চখনৰ গ্ৰীনৰুমলৈ সোমাই গৈ মই শিখাক অভিনন্দন জনাইছিলো। মইয়ে লিখা এটি গান গাই দৰ্শকৰ পৰা বা-বা লাভ কৰাৰ লগতে মোক অবাক কৰি তুলিছিল, মন্ত্ৰমুগ্ধ হৈ মই শিখাৰ গান শুনিছিলো। ভাল গান গাইছিল শিখাই। শিখাই ভাল ভায়োলিনো বজায়। গান আৰু ভায়োলিনৰ যোগেদিয়েই শিখাৰ সৈতে গঢ়ি উঠিছিল মোৰ এটা মধুৰ সম্পৰ্ক । এদিন, ইমান বছৰৰ সঞ্চিত আৱেগ অনুভূতিৰ উত্তাপেৰে মোৰ মনটোৰে শিখাক মোৰ কাষত, নিচেই কাষত যেন পাবলৈ বিচাৰিলে। দেউতাই কিন্তু শিখাৰ নামটোকে শুনিব নোখোজে।

এই সকলোবোৰে একেলগে মনটোক হেঁচা মাৰি ধৰাত মোৰ গোটেই সত্তাটোৱে জিকাৰ খাই উঠিল। বহাৰ পৰা উঠি কোঠাটোলৈ গৈ লাইটো জ্বলালো। কিন্তু হঠাৎ মই এটা ব্যাখ্যাতীত প্ৰশান্তি অনুভৱ কৰিলো। ট্ৰাঙ্কটো খুলি মায়ে আইতালৈ লিখা চিঠিখন উলিয়াই প্ৰতিটো শব্দ পঢ়িবলৈ ধৰিলো।

ঃ মা, বোৱাৰী হৈ মই যিদিনা আপোনাৰ ঘৰলৈ আহোঁ, সেইদিনা আপুনি উপদেশ দি কৈছিল। মই যেন পতিৰ অবাধ্য নহওঁ আৰু সকলো সময়তে যাতে তেওঁৰ সুখ-দুখৰ সমভাগী হওঁ। এয়াই আছিল আপোনাৰ নিশা। কিন্তু আধুনিক অপসংস্কৃতিৰ একান্ত ভক্ত পুতেৰাই মোক আপোনাৰ সেই শিক্ষাৰ সন্মান ৰাখিবলৈ নিদিলে। মই ব্যৰ্থ হ'লো মা। বিয়াৰ কেইমাহ মান পাছৰ পৰাই মই উপলব্ধি কৰিবলৈ ধৰিলো-মোক যেন এইখন ঘৰলৈ কেৱল ঘৰ শুৱনি কৰিবলৈহে অনা হৈছে। মোৰ সত্তাৰ, আশা আকাংক্ষাৰ যেন কোনো মূল্য নাই। মই যেন এটি পুতলাহে। বি.এ. পাছ কৰাৰ পাছত এম.এ. পঢ়াৰ খুবেই ইচ্ছা আছিল আৰু ভায়োলিন বজোৱাটোকে জীৱনৰ একমাত্ৰ সাধনা বুলি লৈছিলো। কিন্তু পুতেৰাৰ চকু মোৰ ওপৰত নিবদ্ধ হোৱাত সেই ইচ্ছাই বাস্তৱত ৰূপ ল'ব নোৱাৰিলে আৰু বিয়াৰ পিছত মোৰ সেই সাধনা, সাধনা হয়েই থাকিল। আপোনালোকে মোৰ মতক আওকাণ কৰি কৈছিল— ইঞ্জিনীয়াৰ ল'ৰা, সুখী হ'ব পাৰিবা। সঁচা কথা, বিয়াৰ পাছত বহুত টকা একেলগে দেখা হ'লো। নেজানো ইমানবোৰ টকা ক'ৰ পৰা আহে। কিন্তু মই হেজাৰ হেজাৰ টকাৰ ওপৰত শুয়ো তৃপ্ত নহ'লা। সিদিনাখন মোৰ কপালত তেজ দেখি আপুনি সোধোঁতে মই বাথৰুমত পিচলি পৰি তেজ ওলোৱা বুলি ফাঁকিহে দিছিলো মা। আচলতে সেয়া আছিল পুতেৰাই মদ খাই আহি মোক কৰা মৰমৰ এক সুন্দৰ নিদৰ্শনহে। মই যেতিয়াই মদ খাবলৈ বাধা দিছিলো আৰু বুজাবলৈ চেষ্টা কৰিছিলো- তেওঁৰ নিজৰ আৰ্জনৰ টকাই যে আমাৰ চাৰিজনীয়া সংসাৰখনৰ বাবে যথেষ্ট তেতিয়াই এনেকুৱা ঘটনাৰ পুনৰাবৃত্তি ঘটিছিল। তেখেতৰ অন্তৰখন যদি লেশমানো কোমলতাৰে আবৰা হ'লহেঁতেন, কণমাত্ৰ মৰম ভালপোৱাৰ মূল্যায়ণ কৰাৰ যদি শক্তি থাকিল হেঁতেন-মই এই কথ নললোহেঁতেন এনেবিলাক অন্তৰে নাৰীৰ ভালপোৱাক জন্মসূত্ৰে ভগৱানে দিয়া বহু সম্পত্তিৰ এটি অংশ বুলিয়েই ধৰি লয়। তেওঁলোকে কিন্তু এটা বস্তুক ভীষণভাৱে ভাল পাব পাৰে- সেইয়া হ'ল ৰূপৰ পাতৰ বানবাননি, মাটি-বাৰী, ঘৰ আৰু টকাৰূপী নতুন কাগজৰ খম্-খমনি। তাতোকৈ পৰিতাপৰ কথা, বিয়াৰ আগতে থকাৰ দৰে বিয়াৰ পাছতো পুতেৰাৰ আন নাৰীৰ সৈতে থকা অবৈধ সম্বন্ধ থাকি গ'ল। তেখেতৰ জীৱনৰ এই দিশটো আৱিষ্কাৰ কৰাৰ পিছত জীয়াই থকা সকলো আশা, ইচ্ছাই মই হেৰুৱাইছোঁ। মই জানো, আত্মহনন মহাপাপ। তথাপি মই শেষত সেই পথকে বছি লালো। তাৰ বাবে মোৰ কোনো আক্ষেপ নাই। সকলো আশা, সকলো জল্পনা-কল্পনা মোৰ শেষ হৈছে। মাত্ৰ প্ৰকাশ যেতিয়া ডাঙৰ হ'ব, তাক এই চিঠিখন আৰু মোৰ অতিকে মৰমৰ ভায়োলিনটো দিব। সিদ্ধান্ত সি নিজেই লঁব। অতিকে মৰমৰ ভায়োলিনটো দিব। সিদ্ধান্ত সি নিজেই লঁব। মোৰ ইয়াৰ পৰা যদি সি এধানি মানো কিবা গ্ৰহণ কৰিব পাৰে, মোৰ পৰলোকগত আত্মাই শান্তি পাব।

মই জানো মোৰ মাই আত্মহত্যা কৰিছিল। আইতাই মোক যিমান পাৰে স্বাধীনমনা কৰি ডাঙৰ-দীঘল কৰিবলৈ যত্ন কৰিছিল। দেউতাৰ সৰ্বগ্ৰাসী আচ্ছাদনেও মোক মাতৃৰক্ত বীজৰ প্ৰভাৱৰ পৰা মুক্ত কৰিব পৰা নাই।

অনেকবাৰ পঢ়া চিঠিখন আকৌ এবাৰ পঢ়ি উঠাৰ লগে লগে সমগ্ৰ দেহত মই এক অপূৰ্ব প্ৰশান্তি অনুভৱ কৰিলো। উৱতি চোৱাৰ প্ৰশ্ন নাই, যাত্ৰা পথৰ অস্পষ্টতা নাই। ❑





# প্ৰতিশ্ৰুতি

শ্ৰীদিগন্ত [illegible]
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ



মহাবিদ্যালয়ৰ সপ্তাহৰ গল্প প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰাপ্ত

ৰাজদীপে দেহটো তন্দ্ৰাল ভাৱে কোঠালিটোৰ একমাত্ৰ বিছনাখনত এৰি দিলে। সি ঠিক কৰিলে আজি আৰু সি অফিচলৈ নাযায়। ফোন এটা কৰি অফিচাৰজনক কৈ দিব। তাৰ দেহ-মন আজি একেবাৰে বেয়া। বিচনাৰপৰা উঠিবৰে মন যোৱা নাই। আচলতে মন বেয়া লাগিবৰে কথা। কাৰণ আজি তাৰ প্ৰেয়সী স্বৰ্ণলতাৰ বিয়া বিদেশত থকা ল'ৰাৰ সৈতে। সি জনা মতে ল'ৰাজনে ডাক্তৰ। 'ডাঙৰ চাকৰি' কথাষাৰ মনলৈ অহাৰ লগে লগে তাৰ মনটো বিষাদেৰে ভৰি পৰিল।

গাঁৱত ডাঙৰ-দীঘল হোৱা ল'ৰা ৰাজদীপ। দেউতাক ভদ্ৰকান্ত শইকীয়াৰ হাড়ভঙা কষ্টৰ বিনিময়ত চহৰৰ শিক্ষানুষ্ঠানত পঢ়ি উচ্চ শিক্ষিত হৈ কোনোমতে অফিচ এটাৰ এটা পদত নিয়োজিত হৈ আছে। ঘৰৰ পৰা অফিচলৈ বহুদূৰ হোৱাৰ বাবে আৰু নিতৌ চহৰলৈ অহা-যোৱা কৰা কঠিন বাবে সি চহৰতে ঘৰ এটা ভাড়া লৈ বৰ্তমান চাকৰি কৰি আছে। ৰাজদ্বীপৰ মাক শয্যাশায়ী। গতিকে সি ঘৰলৈ কমকৈ হ'লেও প্ৰতিমাহে টকা পইচা পঠাব লাগে। ঘৰলৈ সহজে যাব নোৱাৰাৰ বাবে তদুপৰি তাৰ একমাত্ৰ ভনী মনীৰ সৈতে কথা পাতিবৰ মন যোৱাৰ বাবে সি প্ৰথম বছৰতে এটা ফোন কিনি ঘৰলৈ দিছিল। কিন্তু সি নিজৰ বাবে ফোন লোৱা নাছিল। প্ৰয়োজন হ'লে আৰু ঘৰলৈ মনত পৰিলে P.C.O. লৈ গৈয়ে সি খবৰ লৈছিল। একো আষাৰে ক'বলৈ গ'লে সি চাকৰি জীৱন সুচাৰুৰূপে অতিবাহিত কৰিছিল।

ৰাজদীপ স্বৰ্ণলতাক লগ পোৱাৰ পৰা ঘৰৰ খবৰ লোৱা আৰু ঘৰলৈ টকা পাঠোৱা মনত নপৰে। চহৰখনৰ নামজ্বলা ধনী প্ৰীতম হাজৰিকাৰ একমাত্ৰ দুলালী স্বৰ্ণলতাৰ সৈতে তাৰ প্ৰথম চিনাকি হৈছিল সহকৰ্মী কাবেৰীৰ জৰিয়তে। কাবেৰীয়ে এদিন ৰাজদীপক সিহঁতৰ ঘৰলৈ নি বান্ধৱী স্বৰ্ণলতাৰ সৈতে চিনাকি কৰি দিছিল। প্ৰথমতে চিনাকি, তাৰ পিছত দুই-এষাৰ কথা বতৰা আৰু তাৰ পিছত সেই চিনাকিয়ে কিদৰে প্ৰেমৰ ৰূপ ল'লে সেয়া ৰাজদীপৰ ভালকৈ মনত নাই। এদিন দুদিনকৈ সিহঁতৰ প্ৰেম গভীৰ হৈ আহিল আৰু গভীৰৰ পৰা ক্ৰমে গভীৰতৰ হোঁৱাৰ উপক্ৰম হ'ল। ৰাজদীপে দিনত এবাৰ স্বৰ্ণলতাক দেখা নাপালে থাকিব নোৱাৰা হ'ল। প্ৰতিদিনে অফিচৰ পৰা আহি স্বৰ্ণলতাই নিজে ড্ৰাইভ কৰা গাড়ীত উঠি পাৰ্কলৈ যোৱাতো অভ্যাসত পৰিণত হ'ল। স্বৰ্ণলতাই তাৰ সৈতে বিয়াত বহিব বুলিও প্ৰতিশ্ৰুতি দিছিল। কিন্তু এদিন কাবেৰীয়ে তাক লগ কৰি স্বৰ্ণলতাৰ বিয়াৰ সেই অকাম্য খবৰটো দি তাৰ সপোনক থানবান কৰি পেলাইছিল। প্ৰথমতে সি বিশ্বাস কৰিব পৰা পৰা নাছিল। কিন্তু সঁচাকৈ যিদিনা স্বৰ্ণলতাই নিজে আহি তাক তাইৰ বিয়ালৈ নিমন্ত্ৰণ দিলে, সিদিনা সি আৰু বিশ্বাস নকৰি নোৱাৰিলে। তাইৰ হাতৰ পৰা চিঠিখন লোৱাৰ সময়ত তাৰ সমস্ত শৰীৰত এক শিহৰণৰ সৃষ্টি হৈছিল। সেইখিনি সময়ত সি তাইৰ মুখলৈ চাব পৰা নাছিল। স্বৰ্ণলতাই তাক কৈছিল সি হেনো তেওঁলোকৰ সৈতে নিমিলে। তাৰ সেই সৰু চাকৰিটোৰে সি হেনো তাইক সুখত ৰাখিব নোৱাৰিব। তাৰ সমস্ত প্ৰেম ভালপোৱাক তাই এটা সপোনৰ লগত তুলনা কৰিছিল আৰু কোনো প্ৰতিক্ৰিয়া নকৰাকৈ তাৰ পৰা আঁতৰি হৈছিল। ৰাজদীপে ঠিক কৰিছিল স্বৰ্ণলতাৰ ভুৱা প্ৰতিশ্ৰুতিক সি আৰু কোনোদিনে মানি নলয়। সি নিজক তাৰ চাকৰিক ধিক্কাৰ দিছিল, কিন্তু একোকে কৰিব পৰা নাছিল।

আজি স্বৰ্ণলতাৰ বিয়া। কথাষাৰ পুনৰ মনলৈ অহাত ৰাজদীপৰ চকুৰপৰা দুধাৰি তপত অশ্ৰু নিগৰি আহিল। সি হৃদয়ৰ

পৰা স্বৰ্ণলতাৰ মুখখন মচিবৰ চেষ্টা কৰিলে চিৰদিনৰ বাবে তাৰ আৰু নিজক কষ্ট দিবলৈ সৎ নগ'ল। অজানিতে তাৰ মনটো উৰি গ'ল শৈশৱত ওমলা সেই মৰমৰ গাওঁখনলৈ। চকুৰ সন্মুখত ধৰা দিলে মাকৰ মলিন মুখখনে। মনিৰ দুষ্টালিভৰা হাঁহিটোৱে মনত পৰাত তাৰ মনটোৱে বৰকৈ আমনি কৰিলে। কালি সি মনিৰপৰা এখন চিঠি পাইছিল। অকল সেইখনেই নহয় চলিত বৰ্ষটোত তালৈ মনিয়ে বহুকেইখন চিঠি দিছে, কিন্তু সি তাৰ এখনো খুলি চোৱা নাছিল। সি জানে মনিয়ে চিঠিত টকা পঠোৱাৰ কথা লিখিছে, কিন্তু সি টকা পঠাব কৰ পৰা। যিখিনি টকা দৰমহা পায় সেইখিনিৰে সি প্ৰেয়সী স্বৰ্ণলতাকে পুৰামাত্ৰাই সান্তনা দিব নোৱাৰে। তদুপৰি স্বৰ্ণলতাৰ সৈতে ঘূৰি ফুৰোঁতে যিহেতু তাৰ সময়কণ যায়, তেনে অৱস্থাত চিঠি পঢ়াৰ সময়েবা ক'ত। গতিকে সি চিঠি পঢ়ি মন বেয়া কৰাতকৈ সেইখন যিদিনা পায় সেই দিনাই কোঠাৰ এচুকলৈ দলিয়াই দিছিল। কিন্তু সি কালি মনিৰ পৰা পোৱা চিঠিখন তাৰ মেজৰ ওপৰতে আছে। তাৰ চিঠিখন পঢ়ি চাবলৈ বৰ মন গ'ল। অনিচ্ছা সত্বেও সি বিচনা ত্যাগ কৰি উঠি গৈ একাপ চাহ কৰি কাপত কফি ল'লে আৰু চিঠিখন হাতত লৈ পুনৰ বিচনালৈ উভতি আহিল। লেফাফাটো ফালি সি চিঠিখন খুলিলে আৰু মনিৰ চিনাকি আখৰকেইটা তৎক্ষণাৎ চিনি পালে। ৰাজদীপে অৱস মনোভাৱেৰে চিঠিখন চকুৰ সন্মুখত মেলি ল'লে। মনিয়ে তাত লিখিছে,

মৰমৰ ৰাজদা,

পোনতে আমাৰ মৰম লবি। আশা কৰো ভাগৱানে তোক কুশলে ৰাখিছে। আমাৰ ভাল নহয়। আইয়ে মৃত্যুৰ সতে যুঁজি ভাগৰি পৰিছে আৰু বোধ হয় আইৰ আয়ুস এই পৃথিৱীত বেছিদিনলৈ নাই। টকাৰ অভাৱৰ বাবে প্ৰয়োজনীয় ঔষধখিনিও যোগান ধৰিব পৰা নাই। দেউতাই হাজিৰা কৰি কোনোমতে আমাক জীয়াই ৰাখিছে। খাদ্যৰ অভাৱ, টকাৰ অভাৱ আৰু আইৰ আলপৈচানৰ বাবে মই এইবাৰ পৰীক্ষাত উত্তীৰ্ণ হৈয়ো এডমিছন ল'ব নোৱাৰিলো। অনিচ্ছা সত্বেও কিতাপৰ সতে সংযোগ এৰিব লগা হ'ল। দাদা আচল কথাটো হ'ল তোলৈ মই বহুকেইখন চিঠি দিছো যদিও তোৰপৰা চিঠিটো বাদেই ফোন এটাও পোৱা নাই। চহৰলৈ যোৱা তোৰ তিনিবছৰ হ'ল। প্ৰথমতে ঘৰৰ সৈতে সংযোগ বৰকৈ ৰাখিছিলি, কিন্তু এতিয়া দেখোন মনত নপৰা হ'ল। দাদা আইৰ একমাত্ৰ ইচ্ছা তোৰ বিয়াখন পাতি বোৱাৰীৰ মুখখন চোৱাৰ। তোৰ জানো মনত আছে চাকৰিলৈ যোৱাৰ আগদিনা যে আমাৰ গাওঁৰ গাঁওবুঢ়াৰ ছোৱালী শেৱালীৰ অনামিকাত আঙথি এটা পিন্ধাই থৈ গৈছিলি। তাইযে তোক চিৰদিনলৈ বাট চাম বুলি প্ৰতিশ্ৰুতি দিছিল। জানা তাইলৈ বহুত ল'ৰা আহিছে। কিন্তু তাই প্ৰতিবাৰে কেনেবাকৈ এটা কেনা লগাই ল'ৰাক আপছন্দ কৰে। শেৱালীয়ে মোক চব কথা কৈছে, তাই হেনো তোৰ বাহিৰে আনক স্বামীৰূপে গ্ৰহণ নকৰে। লাগিলে তাই চিৰদিন সেন্দুৰ নিপিন্ধাকৈ থাকিব। দেউতাৰো বৰ ইচ্ছা তাইক বোৱাৰী কৰি আনিবলৈ। জানা দাদা শেৱালী বৰ ভাল ছোৱালী। তাইক তই প্ৰতাৰণা নকৰিবি। কথাটো এবাৰ ভালকৈ ভাবি চাবি আৰু শুন এইবাৰ যদি তই কোনো সিদ্ধান্ত নলৱ আৰু যদি আমালৈ ফোন নকৰ, তেনেহলে দেউতাই বোলে তোৰ সৈতে সম্পৰ্ক ছেদ কৰিব, আৰু তোক পাহৰাৰ চেষ্টা কৰিব। শেষত মনত ৰাখিবি উত্তৰ স্পষ্টকৈ কোৱাৰ বাবে বেয়া নাপাবি। শেষত মনত ৰাখিবি উত্তৰ নাপালে তোলৈ এইখনেই শেষ চিঠি, বিশেষ নাই।

ইতি

তোৰ ভনী 'মনি'

চিঠিখন পঢ়া শেষ কৰি ৰাজদ্বীপে এটা হুমুনিয়াহ এৰিলে। তাৰ নিজকে দোষী দোষী লাগিল। সঁচাকৈ তাৰ অৱহেলাৰ কাৰণে মনিয়ে পঢ়া এৰিব লগা হ'ল। দেউতাকে পুনৰ আনৰ ঘৰত কাম কৰিব লগা হ'ল। তাৰ নিজলৈ বৰ খং উঠিল। ৰাজদ্বীপৰ আকৌ মনত পৰিল সঁচাকৈ সি চহৰলৈ অহাৰ আগদিনা গাঁৱৰ নামঘৰৰ ওচৰৰ বকুল জোপাৰ তলত তাৰ প্ৰেয়সী শেৱালীক অকলশৰীয়াকৈ লগ কৰি তাইৰ হাতৰ অনামিকাত এটা আঙথি পিন্ধাই থৈ আহিছিল। সি তাইক উভতি গৈ নিজৰ কৰি লোৱাৰ কথা দিছিল। শেৱালীয়েও ৰাজক চিৰদিন বাট চাম বুলি প্ৰতিশ্ৰুতি দিছিল। ৰাজদীপৰ মাকৰ মুখখনলৈ পুনৰ মনত পৰিল। তাৰ মাকৰ শেষ ইচ্ছাকণ পুৰণ কৰাৰ যথেষ্ট হেঁপাহ জাগিল। সি শেৱালীক নিজৰ কৰি নল'লে যে তাৰ কোনদিনে ভুলৰ প্ৰায়চিত্ত নহ'ব সেইটো সি বাৰুকৈয়ে উপলব্ধি কৰিলে। সি ঠিক কৰিলে ঘৰলৈ উভতি গৈ পুনৰ সি মনিক এডমিছন ল'বলৈ দিব। ইফালে হেৰোৱাৰ বেদনা আৰু আনফালে কিবা লাভৰ আশাত তাৰ মনটো আনন্দেৰে উপচি পৰিল। সি আকৌ বুজিলে চহৰৰ ভুৱা প্ৰতিশ্ৰুতিৰ সৈতে থকা গাঁৱলীয়া সাধাৰণ ছোৱালীৰ প্ৰেমৰ প্ৰতিশ্ৰুতিৰ বিশাল পাৰ্থক্যৰ কথা। অকণো পলম নকৰি ৰাজদীপে উঠি ওচৰৰ P.C.O. টোলৈ গ'ল আৰু বহুদিন ব্যৱহাৰ নকৰা ঘৰৰ সেইনম্বৰটো বিচাৰি উলিয়াই লৈ ঘৰলৈ ডাইল কৰিলে, "হেল্লো মই ৰাজে কৈছো..... ।।"❑





# স্মৃতিৰ বিষাদ

শ্ৰীনিৰু হালৈ
স্নাতক, প্ৰথম বৰ্ষ

"সুখ অকলে নাহে,দুখও আহে তাৰ লগতে আৰু দুখৰ লগতে আহে বহুটো কাল প্ৰবাহৰ সোঁত।"

মানুহৰ জীৱনটো ৰথৰ চকাৰ নিচিনা। ৰথ এখন চলিবলৈ যেনে দৰে চকাৰ নিতান্ত প্ৰয়োজন তেনেদৰে মানুহ এজনে এই মায়ামায় সংসাৰত চলিবলৈ সুখ-দুখৰ চকৰিৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয়। সময়ৰ কাকলিয়ে মানুহৰ জীৱনত কেতিয়াবা বহুটো সুখ, আনন্দ আৰু কেতিয়াবা অজস্ৰ দুখৰ বোজা ঢালি দিয়ে। এই সুখ-দুখৰ কেন্দ্ৰ কৰিয়েই জীৱন অতিবাহিত কৰিব লগীয়া হয়। মানৱ সমাজত প্ৰতিষ্ঠা লাভ কৰিবলৈ গৈ মানুহে সুখ-দুখৰ ভাগী হৈ পৰে, কিন্তু এই দুয়োটা চকৰি দীৰ্ঘদিনীয়া নহয়। কিন্তু কেতিয়াবা কেতিয়াবা সংসাৰৰ প্ৰতিঘাতত পৰি বহু বছৰ ধৰি দুখৰ ভাগী হ'ব লগীয়া হয়।

গল্পৰ নায়িকা পাৰমিতাৰ জীৱনলৈও এদিন কাল প্ৰবাহৰ সোঁত আহি পৰিছিল। পাৰমিতা এজনী অতি সহজ-সৰল ভদ্ৰ আৰু সকলোৰে বিশ্বাসী ছোৱালী আছিল। তাইৰ এজন দাদা আৰু মাক-দেউতাকৰ সৈতে এখন সুখৰ পৰিয়ালৰ একমাত্ৰ ছোৱালী আছিল আৰু দদায়েক বিকী প্ৰাইভেট কলেজ এখনৰ শিক্ষক আছিল। ৰন্ধা-বঢ়াৰ বাহিৰে ঘৰখনৰ আটাইবোৰ কাম কৰিবৰ বাবে মানুহ ৰাখিছিল। আজিলৈ কোনো বস্তুৰ অভাৱ পোৱা নাই তাই। সকলোৰে মৰমত লালিত-পালিত পাৰমিতা সৰুৰে পৰাই বৰ মৰমিয়াল আছিল। পঢ়াত খুব ভাল নাছিল যদিও সময়ৰ লগত খোজ মিলাব পাৰিছিল। তাই এছচ .এছ পঢ়ি থকা অৱস্থাতে এজন ল'ৰাক লগ পাইছিল। তাৰ নাম আছিল সুমন। সুমনে এদিন বিকীক লগ কৰিবলৈ আহোঁতে তাইক দেখিলে আৰু তেতিয়াৰ পৰাই কিয় জানো পাৰমিতাক পাহৰিব পৰা নাই সি।

এদিন সুমনে পাৰমিতাক কলেজত লগ কৰি দুয়ো দুয়োৰে মনৰ কথা প্ৰকাশ কৰিলে। এনেকৈ সময় অতিবাহিত হোৱাৰ লগতে সিহঁতৰ প্ৰেমও দিনক দিনে বাঢ়ি গৈ থাকিল। দুয়ো দুয়োৰে প্ৰতিশ্ৰুতিত আহদ্ধ হ'ল। সুমনে পাৰমিতাক লগ কৰিবলৈ সদায় কলেজলৈ অহা হ'ল। পাৰমিতাই এতিয়া বি.এ.ত নাম লগাইছে। তেতিয়াই তাইৰ বিয়াৰ বাবে দেউতাকে মাক আৰু দদায়েকৰ লগত আলোচনা কৰিলে। সময় মতে ভাল ল'ৰা এজনৰ খবৰো আহিছিল। এইবোৰ শুনি পাৰমিতাই নিঃ সংকোচে ঘৰৰ মানহক তাইৰ সুমনৰ মাজৰ সম্পৰ্কৰ কথা সকলো ক'লে। পাৰমিতাৰ এই কথাযাৰ শুনাত বিকীৰ বৰ খং উঠিছিল। কাৰণ, পাৰমিতাই হয়টো নাজানে সুমন প্ৰকৃততে তাই ভবাৰ দৰে ল'ৰা নহয়। দদায়েকৰ কলেজীয়া বন্ধু যেতিয়া তাৰ স্বভাৱৰ সকলো কথাই জানে। এজনী প্ৰেয়সীৰে হেনো অন্তৰ জুৰ নপৰা ল'ৰা সুমন। তেনেকুৱা এজন ল'ৰাৰ হাতত নিজৰ মৰমৰ ভনীয়েকক কি বিশ্বাসেৰে গতাব। সুমনে বিকীক লগ কৰিবলৈ মাজে মাজে ঘৰলৈ আহিছিল বাবে মাকহঁতে চিনি পায়, কিন্তু কেনেকুৱা ল'ৰা এই বিষয়ে হয়তো নাজানে। বিকীয়ে সুমনৰ সকলো কথা মাক-দেউতাকক কোৱাত সিহঁতে পাৰমিতাক বহুত বুজাবলৈ চেষ্টা কৰিছিল। কিন্তু তাই এইবোৰ অলপো বিশ্বাসত ল'ব নোৱাৰিলে। পাৰমিতাই সুমনক নাপালে আত্মহত্যা কৰিব বুলি ক'লে। ঘৰখনৰ



সকলোৰে মৰমৰ একমাত্ৰ ছোৱালী বাবে কোনো এজনে তাইক হেৰুৱাব বিচৰা নাছিল। এদিন সুমনক ঘৰলৈ মাতি পাৰমিতাৰ বিয়াৰ কথাবাৰ ক'লে। সুমনৰ ঘৰৰ পৰাও যাতে কোনো বাধাৰ সৃষ্টি নহয় সেই উদ্দেশ্যে মাকহঁতে বিয়াৰ প্ৰস্তাৱ লৈ পাৰমিতাহঁতৰ ঘৰলৈ আহিল। অতি সোনকালে বৰ ধুমধামেৰে পাৰমিতাৰ সুমনৰ লগত বিয়া হ'ল। যৌতুকত কোনো বস্তুৰ অভাৱ সিহতে নাৰাখিলে। বিয়াৰ পিছত সুমনৰ ঘৰখন তাইৰ ভালেই লাগিল। শাহু-শহুৰেকৰ লগতে ঘৰখনৰ আটাইৰে পৰা মৰমৰ অভাৱ পোৱা নাই। অনুভৱ কৰিব পৰা নাই তাইৰ যে সেইখন শহুৰেকৰ ঘৰ। এবছৰ বৰ সুখেৰে পাৰ কৰিলে দিনবোৰ।

ব্যৱসায়ী মানুহ বাবে ৰাতি সুমনৰ ঘৰ পোৱাত অলপ দেৰি হয় যদিও বৰ্তমান ঠিকেই। কিন্তু এদিন সুমন মদ খাই ধলং ধপং কৈ ঘৰ সোমোৱা দেখি পাৰমিতা আচৰিত হ'ল। তাই সুমনৰ এনেকুৱা অৱস্থাৰ কাৰণ সোধাত লগৰ কোনোবাৰ পাৰ্টী থকা বুলি মিছাকৈ ক'লে আৰু লগৰবোৰে জোৰ কৈ খুৱাই দিয়া বুলি ক'লে। পাৰমিতা বৰ সহজ-সৰল ছোৱালী বাবে গিৰিয়েকৰ মিছা কথাটোকে সঁচা বুলি মানি ল'লে। এনেকৈ দিনক দিনে সুমন সলনি হৈ গৈ থাকিল। ৰাতিপুৱা ওলায় যাৱৰ সময়ত পাৰমিতাক মাত লগাইহে ওলাইছিল। কিন্তু এতিয়া মুখৰ মাতযাৰবো অভাৱ হ'ল। আগতকৈ ঘৰ পোৱাত আৰু বেছি ৰাতি কৰা হ'ল সুমন। এতিয়া সদায় মদ খাবলৈ আৰম্ভ কৰিলে সি। ব্যৱসায়ী ডাঙৰ বাবে টকাৰ অভাৱ নাই। কিন্তু ৰাতি মাতাল হৈ আহি পাৰমিতাৰ ওপৰত বৰ অত্যাচাৰ চলায়। সুমনৰ স্বভাৱৰ এই সকলোবোৰ কথা পাৰমিতাক বিয়াৰ আগতে কৈছিল যদিও তাই তাৰ প্ৰতি থকা গভীৰ প্ৰেমত অন্ধ হৈ পৰিছিল। মাক দেউতাকৰ অতি মৰমৰ একমাত্ৰ ছোৱালী জনী সৰুৰে পৰা এষাৰ বেয়া কথাও শুনা নাছিল। কিন্তু এতিয়া সদায় ৰাতি সুমনৰ মাৰখাব লগা হয়। সুমনৰ ঘখনে অত্যন্ত মৰম কৰাৰ বাবে তাই তাৰ ব্যৱহাৰৰ কথা কোনো এজনকে জনোৱা নাছিল। ছয় মাহ মান তাই সুমনৰ অত্যাচাৰ সহ্য কৰিয়েই থাকিল। এদিন সুমন আন দিনৰ দৰে মদখাই অহাত দুয়োৰে তৰ্ক লাগিল আৰু তৰ্কৰ মাজতে তাৰ মুখৰ পৰা ওলাই পৰিল সিহঁতৰ বিয়াৰ আগৰে পৰা কোনোবা তিৰোতাৰ লগত থকা তাৰ প্ৰেমৰ আৰু গোপন সম্পৰ্কৰ কথা। এই সকলোবোৰ শুনাত তাই আৰু সহ্য কৰিব নোৱাৰিলে। সিদিনাহে ঘৰৰ মানুহেও ক'ব পাৰিলে। তেতিয়াই তাই সংকল্প ল'লে সুমনক তালাক দিবলৈ। তালাক শব্দটো শুনিলেই বেয়া লাগে, কিন্তু কিমান দিনে তাই ইমান অত্যাচাৰ সহ্য কৰি থাকিব! ঘৰখনৰ আটাইৰে মৰম পালেও নিজৰ গিৰিয়েকৰ মৰমৰ পৰা বঞ্চিত হৈছে যেতিয়া তাই আৰু কি মতে সেইখন ঘৰত থাকিব। পিছ দিনা ৰাতিপুৱাতেই দদায়েকক ফোন কৰি মাতি আনি শাহুৱেকক জনাই দদায়কৰ লগতে গুচি আহিল। পাৰমিতা ভাল ছোৱালী আছিল বাবে ঘৰৰ মানুহে বহুত বুজায় বঢ়াই ৰাখিবলৈ চেষ্টা কৰিছিল, কিন্তু তাইৰ গিৰিয়েক যেতিয়া আন তিৰোতাৰ লগত গোপন সম্পৰ্কত জড়িত, তেনেকুৱা মানুহ এজনৰ লগত গোটেই জীৱন কি সুখেৰে পাৰ কৰিব তাই। ঘৰলৈ আহিয়ে তাই মাক-দেউতাকক কথাটো জনায় ভাল উকীল বিচাৰি গোচৰ আৰম্ভ কৰিলে। সুমনৰ কলংকৰ সকলো কথা ওলাই পৰিল আৰু সি গোচৰত হাৰি গ'ল। গোচৰৰ নিয়ম মতে সুমন কোনো এজনী ছোৱালীক দ্বিতীয় বিবাহ কৰাব নোৱাৰে আৰু তাৰ উপাৰ্জনৰ আধাধন পাৰমিতাৰ নামত দিয়াৰ লগতে যৌতুকৰ সকলো বস্তু ঘূৰাই আনিলে। পাৰমিতাই কিন্তু ইচ্ছা কৰিলে পুনৰ নতুন জীৱন গঢ়িব পাৰে। তাই সুমনৰ লগত সম্পৰ্ক শেষ কৰিলে যদিও অন্তৰৰ ভাল পোৱাখিনি দলিয়াই পেলাব পৰা নাই। সেইফালে সুমনৰো এতিয়াহে লাহে লাহে পাৰমিতাৰ অভাৱ অনুভৱ হৈছে। পাৰমিতাৰ পুনৰ বিয়াৰ বাবে মাকহতে আলোচনা কৰিছিল যদিও তাই আৰু বিয়াত নবহে। পাৰমিতা শিক্ষিত আছিল বাবে এতিয়া ওচৰৰ স্কুল এখনত শিক্ষয়িত্ৰীৰ চাকৰি এটা পাইছে। দিনটোৰ সময়খিনি তাইৰ ব্যস্ততাৰে পাৰ হয়। কিন্তু ৰাতি হ'লে আকৌ অতীতে আহি তাইৰ সত্বাক জোকাৰি দিয়ে।

জীৱন এটি নদীৰ ঢৌৰ নিচিনা। নদীৰ পানীবোৰ শিলে শিলে খুন্দা খাই যেনেকৈ ঢৌৰ সৃষ্টি হৈ বৈ যায়, তেনেকৈ পাৰমিতাৰ জীৱনৰ সুখ-দুখ আদিও সময়ত ঢৌৰ সতে ক্ষতি নহয়। কিন্তু জীৱনৰ এই মন সাগৰৰ ঢৌৱে পাৰমিতাৰ মনত এনেকৈ খুন্দা মাৰিলে যে ইয়াক চেষ্টা কৰিও কেতিয়াও পাহৰি যাব নোৱাৰিলে। পাৰমিতাই সুমনক অন্তৰৰ পৰা ভাল পাইছিল আৰু সুমনে তাইৰ সতে কিজানি প্ৰেমৰ অভিনয়হে কৰিছিল। কোনো কঠা নামানি পাৰমিতাই তাৰ লগতে বিয়া হৈছিল। তথাপি সুমনে পাৰমিতাৰ প্ৰকৃত প্ৰেমক উপলব্ধি কৰিবলৈ অলপো চেষ্টা নকৰিলে, মাথো আনৰ হৃদয়ত দুখ দি নিজৰ জীৱনটো আনন্দৰে পাৰ কৰিলে। জীৱনত পাই হেৰুওৱাৰ বেদনাতকৈ নোপোৱাৰ বেদনা বহুগুণে ভাল। তাত উপলব্ধি কৰিবলৈ কোনো স্মৃতি লুকাই নাথাকে। পাৰমিতা মাকহতৰ মৰমৰ পৰা এতিয়াও বঞ্চিত হোৱা নাই। আগৰ দৰে মৰম এতিয়াও পায়। তথাপি তাই অন্তৰৰ পৰা খুউব দুখী। সকলো আছে অনভুৱ হয় ....

....তথাপি কিবা যেন নাই। বৰ্তমান পাৰমিতা বৰ অকলশৰীয়া। ৰাতিৰ নিস্তব্ধতা ভংগ কৰি যেনেকৈ ট্ৰেইনবোৰে দৌৰি থাকে তেনেকৈ পাৰমিতাক বিষাদে ৰাতি শুৱ নিদি কব নোৱাৰাকৈয়ে মনটোৱে দৌৰ মাৰে ৰাতি শুৱ নিদি কব নোৱাৰাকৈয়ে মনটোৱে দৌৰ মাৰে অতীতৰ সুখ দুখৰ গধুৰ টোপোলাটো খুলিবলৈ। এনেকৈ জীৱনৰ প্ৰতিটো ৰাতি নিশাচৰ পক্ষীৰ কাকলিৰ সতে পাৰ কৰি গৈ থাকিল তাই বিষাদৰ বাধা নমনা চকুলো টুকি। ☐








হৃদয় সঁচাকৈয়ে এক বিচিত্ৰ পৃথিৱী। এই বিচিত্ৰ পৃথিৱীক জীয়াই থকাৰ প্ৰেৰণা আৰু সাহস দিয়ে প্ৰেমেই। প্ৰকৃত প্ৰেম মহাসাগৰৰ দৰে সীমাহীন। যিজনৰ জীৱনলৈ এবাৰো প্ৰেমৰ ৰেঙণি পৰা নাই তাৰ নিচিনা দুৰ্ভগীয়া কোনোৱে নাই। প্ৰেম সঁচাই উচ্চ। মানুহৰ জীৱনত প্ৰেম এবাৰে হয় আৰু এই প্ৰথম প্ৰেমৰ প্ৰকৃত মৰম পোৱাজনে আটাইতকৈ ভাগ্যৱান। কিন্তু কেতিয়াবা কেতিয়াবা প্ৰকৃত প্ৰেমৰ প্ৰত্যাহাৰৰ ফলত প্ৰেমত পৰাজনে একেবাৰে ভাগি পৰে আৰু পুনৰ আগুৱাই যোৱাৰ কোনো সাহস গোটাব নোৱাৰে;মাথো স্মৃতিক সাৱটি সময়ৰ লগে লগে অভিনয় কৰি যাব লগা হয়। কিন্তু দুৰ্বল অন্তৰ এখনেৰে আনৰ লগত বেছি দিন অভিনয় কৰাটো সহজ নহয় আৰু ই কালপ্ৰবাহৰ সোঁতত পৰি উপায়বিহীন হৈ নিজৰ জীৱনটোকে ধ্বংস কৰি পেলায়।

স্নেহাৰ জীৱনটোত এদিন কাল প্ৰবাহৰ সোঁত আহি পৰিছিল। স্নেহা যেতিয়া হাইস্কুলৰ ছাত্ৰী আছিল, তেতিয়াই তাই প্ৰীতম নামৰ এজন ল'ৰাক লগ পাইছিল। স্নেহা আৰু প্ৰীতমৰ প্ৰথম চিনাকি সেই বছৰৰ মাৰ্চ মাহৰ তিনি তাৰিখে হৈছিল আৰু তেতিয়াই দুয়োজনৰ মাজত ভাল বন্ধুত্ব গঢ়ি উঠিছিল। বন্ধুত্বৰ বান্ধোনেৰে সিহঁতে এদিন মেট্ৰিক পাছ কৰি একেখন কলেজতে নাম লিখিলে। কলেজত প্ৰীতমে লগৰবোৰক বাদ দি স্নেহাৰ লগতে ক্লাছ কৰিছিল, কেন্টিনত বা ৰেষ্টুৰেন্টতলৈ গ'লেও একেলগে গৈছিল। স্নেহা সঁচাকৈয়ে ধুনীয়া আছিল। বসন্তৰ আগমনৰ ফলত প্ৰকৃতিয়ে যি দৰে সৌন্দৰ্যৰে মানুহক বিমোহিত কৰে ঠিক তেনে দৰে যৌৱনপ্ৰাপ্ত স্নেহাৰ দেহতো দেখা গ'ল সৌন্দৰ্যৰ এক অনাবিল সৃষ্টি। স্নেহাৰ যৌৱন সৌন্দৰ্যই প্ৰীতমক বন্ধুত্বৰ বান্ধোন চিঙি বিমোহিত কৰি পেলালে। সি স্নেহাক কথাটো ক'বলৈ ভয় খাইছিল যদিও সেইফালে স্নেহাৰো পাখি লগা মনটোৱে ক'ব নোৱাৰাকৈয়ে উৰা মাৰি পৰিছিল প্ৰীতমৰ প্ৰেমত। কোনো এজন মানুহ পঢ়াত বা যি কোনো কামত অতি ভাল হ'লেও তেওঁৰ যে কাৰোবাৰ প্ৰতি দুৰ্বলতা ভাব নজন্মিব ইয়াক লেখমানো অবিশ্বাস কৰিব নোৱাৰি। এদিন দুয়ো দুয়োৰে মনৰ কথা ব্যক্ত কৰিলে আৰু সিহঁত প্ৰতিশ্ৰুতিত আবদ্ধ হ'ল। সময়ৰ লগে লগে সিহঁতৰ প্ৰেমও গভীৰ হৈ পৰিল। কোনোবাজনে কেতিয়াবা কলেজ পোৱাত দেৰি হ'লে আনজনে অপেক্ষাৰে বাট চাই ৰয়। এদিন সিহঁতৰ সম্পৰ্কৰ কথা স্নেহাৰ দদায়েক অৰ্নৱে ক'ব পাৰি তাইক বহুত বুজাইছিল "ভনী, বাহিৰত কথাবোৰ কি শুনিছোঁ। তোক আৰু এতিয়া বুজাব লগীয়া নাই, ভাল বেয়া সকলো জানা হৈছা। পাৰা যদি সেই ল'ৰাজনক পাহৰি যা, তাতকৈ তোৰ বাবে ভাল ল'ৰা পাম।" কিন্তু স্নেহাই অৰ্নবৰ কথালৈ ভ্ৰূক্ষেপে নকৰিলে! কাৰণ প্ৰীতমৰ ঘৰৰ অৱস্থা স্নেহাহঁততকৈ অলপ দুৰ্বল আছিল! এইটো কথা অৰ্নৱে জানিছিল আৰু সি দুখীয়া মানুহ বেছি ভাল নাপাইছিল। স্নেহা আৰু অৰ্নৱ দুয়ো একে মাকৰ সন্তান যদিও দুয়োৰে মন দুটি একেবাৰে পৃথক আছিল।

স্নেহা আৰু প্ৰীতমৰ প্ৰেম এই বিচিত্ৰ পৃথিৱীৰে এক অনুভূতি। সিহঁতৰ প্ৰকৃত প্ৰেম তিনি বছৰপাৰ হৈ গৈছিল। এদিন দুয়োজনে কথা পাতি থকা অৱস্থাতে প্ৰীতমৰ বন্ধু এজন আহি পিছফালৰ পৰা তাক মাত লগালে। দুয়োজনে প্ৰায় এবছৰৰ মূৰত লগ হোৱা দেখি স্নেহাই দুয়োকে কথা পাতিব দি সিদিনা ঘৰলৈ আহিল। তাই অহাৰ পিছত কিজানি দুয়োজনে বহুত কথাই পাতিছিল। পিছদিনা স্নেহাই কলেজলৈ যোৱাত প্ৰীতমে আগৰ দৰে তাইক মাতা নাছিল। তাই ভাবিছিল হয়তো কিবা ঘৰুৱা বিশেষ চিন্তাৰ বাবে তাইৰ লগত কথা পাতিব পৰা নাই। কিন্তু এদিন দুদিনকৈ স্নেহাৰ পৰা প্ৰীতম সচাই দূৰত থকা হ'ল। তাই প্ৰীতমক কেতিয়াও হেৰুৱাব বিচৰা নাছিল। প্ৰীতমে তাইক নামাতিলেও তাই কিন্তু কলেজলৈ আহিয়েই তাক এবাৰ হ'লেও মাতে, আগৰ দৰে কথা পাতিব বিচাৰে যদিও তাইৰ ওচৰৰ পৰা প্ৰীতম আঁতৰি যায়। এইবোৰ তাই সহ্য কৰিব পৰা নাছিল। এদিন প্ৰীতমৰ হাতত জোৰ কৈ টানি ধৰি স্নেহাই কান্দি কান্দি কৈছিল "প্লিছ প্ৰীতম, মোক কিয় এনেকুৱা কৰিছা, কি ভূলৰ শাস্তি দিছা। মোৰ ভূল দেখুৱাই দিয়া মই আৰু কেতিয়াও তেনেকুৱা ভূল নকৰো। তোমাৰ অবিহনে মোৰ কি অৱস্থা হ'ব এবাৰ ভাৱি চোৱা। কাক লৈ জীয়াই থাকিম মই। মোৰ জীৱনক লৈ তুমি খেলা কৰিছা। তিনি চাৰি বছৰৰ প্ৰেমৰ মূল্য আজি তুমি এনেকৈ দিলা। তোমাৰ এবাৰো উপলব্ধি নহয়নে তোমাৰ প্ৰতি মোৰ প্ৰকৃত প্ৰেম। একো নোকোৱা কিয় প্ৰীতম, প্লিজ কিবা এটা কোৱা। সপোনটো ভবা নাছিলো তোমাৰ পৰা আঁতৰি থাকিব লাগিব বুলি আৰু আজি...... আজি ইমান দুখ।"

স্নেহাৰ কথাবোৰ শুনি প্ৰীতমে অশ্ৰুভৰা দুটি নয়নক হাতেৰে আবৰি ধৰিছিল আৰু কৈছিল *"মোক এৰি দিয়া স্নেহা,* আমাৰ প্ৰেমক পুনৰ বন্ধুত্বলৈ পৰিৱৰ্তন কৰা।" এইষাৰ কথাৰ বাহিৰে কোনো কথাৰে সি উত্তৰ নিদিলে। স্নেহাই কান্দোনত কপি থকা মাতটোৰে প্ৰীতমক পুনৰ কৈছিল— "বন্ধুত্বক প্ৰেমলৈ সলনি কৰিব পাৰি, কিন্তু প্ৰেমক জানো পুনৰ পৰিৱৰ্তন কৰিব পাৰি? মোৰ বাবে ই কেতিয়াও সম্ভৱ নহয়। মোৰ পৰা আঁতৰি যাব খুজিছা যোৱা প্ৰীতম, কিন্তু এটা কথা মনত ৰাখিবা তোমাৰ প্ৰতি মোৰ প্ৰেম মৃত্যুৰ আগমুহূৰ্তলৈকে থাকিব। মোৰ প্ৰথম আৰু শেষ প্ৰেম তুমিয়ে। মোৰ এই মৰম, ভালপোৱা আনক দিব নোৱাৰো। চকুৰ আঁতৰ হ'ব পাৰা প্ৰীতম, কিন্তু মনৰ আঁতৰ কেতিয়াও হ'ব নোৱাৰা। মোৰ হৃদয়ৰ দুৱাৰ সদায় খোলা থাকিব মাথোঁ তোমাৰ বাবে প্ৰীতম..... তোমাৰ বাবে।"

তাই কথাবোৰ কৈয়ে ঘৰলৈ গুচি আহিছিল। ঘৰত আহি তাই ৰুমত ডাঙৰকৈ চিডিটো বজাই খুব কান্দিছিল। চিডিৰ গানৰ সুৰত আনে তাইৰ কান্দোন শুনা নাছিল। তাই কান্দি কান্দি প্ৰীতমৰ পৰা পোৱা দুখততো ভাগি পৰিছেই, কেছেটখনৰ গানটোৱেও তাইৰ আকৌ দুখে একেবাৰে অন্তৰ চুই গৈছিল। তাই কান্দি কান্দি প্ৰীতমৰ প্ৰত্যাহাৰৰ বহুত কথাই ভাৱিছিল। কথাবোৰ ভাৱি থাকোঁতে তাইৰ ঘপককৈ মনত পৰিছিল প্ৰীতমৰ পুৰণি বন্ধুজনৰ কথা। নিশ্চয় সিয়ে তাইৰ বিষয়ে কিবা লগাইছে। তাৰ কাৰণেই আজি দুয়োজনে আঁতৰি থাকিব লগা হ'ল। স্নেহাৰ লগত বাৰু তাৰ কি শত্ৰুতা আছিল, যাৰ কাৰণে প্ৰীতমক তাইৰ পৰা আঁতৰ কৰিলে। স্নেহাই কৰোবাৰ পৰা প্ৰকৃত প্ৰেম পালেও সেই প্ৰেম তাইৰ বাবে মূল্যহীন। তাই আৰু দ্বিতীয়বাৰ কোনোজনৰে প্ৰেমক বুজিবলৈ চেষ্টা নকৰে, লাগিলে সেই প্ৰেম প্ৰকৃতই হওক। তাইৰ অন্তৰৰ মৰম মাথো প্ৰীতমৰ বাবে আছিল আৰু সদায় থাকিব। স্নেহাক আগতেও বহুত ল'ৰাই ভাল পাব বিচাৰিছিল যদিও তাই প্ৰীতমৰ বাহিৰে কোনো এজনকে জীৱনত ঠাই দিয়া নাছিল। প্ৰীতমৰ পিছত তাইৰ ভগ্ন হৃদয়ত আৰু এজন ল'ৰাই প্ৰেমৰ প্ৰস্তাৱ আগবঢ়াইছিল। ল'ৰাজনে তাইক অত্যন্ত ভাল পাইছিল যদিওঁ তাই নিজৰ সংকল্প এৰি দিয়া নাছিল আৰু অতীতক পাহৰিব পৰাও নাছিল। তেতিয়াৰ পৰা ল'ৰাজনে মাজে সময়ে স্নেহাক লগ ধৰে, কথা পাতে। এনেকৈ আন ল'ৰাৰ লগত কথা পাতি থকা দেখিলে প্ৰীতমে সহ্য কৰিব নোৱাৰি মাজে মাজে ধমকি দিছিল। প্ৰীতমৰ ধমকিত তাইৰ বুজিবলৈ বাকী নাথাকিলে যে প্ৰীতমৰ অন্তৰত এতিয়াও স্নেহাৰ মৃত্যু হোৱা নাই। কিন্তু এটা কথা তাই কেতিয়াও বুজি নাপালে, সেই ল'ৰাজনেনো তাইৰ বিষয়ে কি কথা লগাইছিল। যাৰ বাবে দুখন হৃদয় আজি মাজ সাগৰত পৰি ৰ'ল।

স্নেহাক বৰ্তমান যিটো ল'ৰাই ভাল পায়, সেই ল'ৰাজনৰ কথা দদায়েক অৰ্নবে ক'বপাৰি লগে লগে স্নেহাৰ তাৰ লগত বিয়াৰ ঠিক কৰিলে। তাই অমান্তি আছিল যদিও ঘৰখন অত্যন্ত ধনী আছিল কাৰণে অৰ্নবে যোৰ কৈ তাইক বিয়াত বহুৱালে। বিয়াত প্ৰীতমক মাতিছিল আৰু সিদিনা সি আহিব বুলি স্নেহাই বহুত অপেক্ষা কৰিছিল যদিও প্ৰীতম নাহিল। শেষত লগৰ ল'ৰা এজন বিয়ালৈ অহাত তাৰ হাতত স্নেহালৈ সৰু উপহাৰ এটি দি পঠাইছিল। স্নেহাই অলপ সময়ো নষ্ট নকৰি উপহাৰটো দিয়াৰ লগে লগে খুলি দেখিছিল যে মিনা কৰা ৰূপৰ সেন্দূৰৰ টেমা এটা আৰু লগত এখন কাগজ। কাগজখনত লিখা আছিল "মোক ক্ষমা কৰি দিবা স্নেহা, মোৰ হিয়াৰ মৰমৰ উপহাৰটো গ্ৰহণ কৰিবা। ভগৱানে তোমাক সদায় সুখত ৰাখক।" সিদিনা তাই মাথো প্ৰীতমলৈ কান্দিছিল। স্নেহাৰ সুখ-আনন্দ, আবেগ-অনুভূতি সকলো প্ৰীতমে আছিল। প্ৰীতম যেতিয়া নাই তাইৰ জীৱনৰ মৰীচিকাৰ দৰে অৱান্তৰ সপোন আছিল। তাই দেউতাকৰ সন্মানৰ বাবেহে আজি সমাজৰ আগত বিয়াত বহিছে। বিয়াৰ পিছত নতুন ঘৰখনৰ সকলোৰে পৰা মৰম পাইছিল যদিও তাই প্ৰীতমক কেতিয়াও পাহৰিব পৰা নাছিল। প্ৰীতমে বিয়াত দিয়া সেন্দূৰৰ টেমাটো তাই লগত লৈ গৈছিল আৰু তাৰ পৰা প্ৰতিদিনে পূৰ্ণিমাৰ জোনৰ দৰে ৰঙা ফোঁটটো পিন্ধাত তাইক দেৱীগৰাকীৰ দৰে দেখিছিল। কেতিয়াবা অলপ সময় অকলশৰীয়াকৈ থাকিলে তাইৰ অতীতৰ সকলো স্মৃতি চকুৰ আগত ভাহি উঠিছিল আৰু লগে লগে দুটি নয়নক বাধা দিব নোৱাৰাকৈ দুগালত বৈ পৰিছিল অহৰত অশ্ৰুজল। কিন্তু দুটি নয়নক বাধা দিব নোৱাৰিলেই জানো প্ৰীতমক পুনৰ ঘূৰাইপাব? জীৱনত পাই হেৰোৱাৰ বেদনাতকৈ নোপোৱাৰ বেদনা বহু গুণে ভাল, তাত উপলব্ধি কৰিবলৈ কোনো স্মৃতি লুকাই নাথাকে। নতুন ঘৰখনৰ পৰা তাই মৰম চেনেহ ধন, সম্পদ একোৰে অভাৱ পোৱা নাই যদিও বৰ্তমান তাই আন্তৰিকভাৱে বৰ দৰিদ্ৰৰ জীৱন কটোৱাব যেনহে লাগিছে। স্নেহাই ভগ্ন হৃদয়েৰে অতীতৰ গধুৰ বোজাটো বাৰু এনেকৈ কিমান দিন কঢ়িয়াই থাকিব। এদিন দুপৰীয়া সকলোৱে ভাত খাই শুই আছিল। গিৰিয়েকও অফিচৰ পৰা আহি পোৱা নাছিল। ঘৰৰ কাম কৰা মানুহবোৰো ক্ষন্তেক জিৰণি লৈছিল। তেতিয়াই স্নেহাই কোনেও ক'ব নোৱাৰাকৈ ৰুমৰ ভিতৰতে আত্মহত্যা কৰিলে। তাইৰ জীৱনৰ সকলো স্মৃতি মৃত্যুৰ লগে লগে শেষ হৈ গৈছিল। ❑




# IGNOU

## PARTNER INSTITUTE UNDER CONVERGENCE SCHEME

*Sanctioned for implementation of IGNOU scheme during 2007/08*

***Selected Course :***

1. Bachelor of Social Work (BSW)
2. Diploma in Tourism Studies.
3. Certificate in Teaching in Primary School Mathematics
4. Certificate in Laboratory Techniques.
5. Computer Literacy Programme.
6. Post Graduate Diploma in Disaster Management (PGDSM)
7. Diploma in Women Empowerment and Development.
8. Certificate in HIV and Family Education.
9. Certificate in Disaster Management.
10. Certificate in Environmental Studies.
11. Certificate in Guidance.
12. Certificate in Teaching of English.
13. Certificate in Tourism Studies.
14. Certificate in Food and Nutrition.

# ভুল



শ্ৰীমৃদুল দাস
স্নাতক প্ৰথম বৰ্ষ

পুহ মাহৰ আবেলি। দিন এনেয়ে চুটি। গুণধৰ বৰুৱা মিটিং এখনৰ পৰা আহি আবেলি চাহ -জলপান খাই বাৰাণ্ডাত বহিলহি। এজাক চেঁচা বতাহে তেওঁক চুই গ'ল। ঘৈণীয়েক বাসন্তীয়ে তেওঁক এখন এৰী চাদৰ আনি দিলে আৰু ওচৰতে থকা চকীখনত বহি দীঘলকৈ হুমুনিয়াহ এটা পেলালে। তেওঁলোকৰ ল'ৰা-ছোৱালী দুটা সিদিনা ঘৰত নাছিল। ক্ৰমে গধুলি হৈ আহিল। আন্ধাৰে পৃথিৱীখন গ্ৰাস কৰি আনিলে। আন্ধাৰ যে ইমান ভাল লগা তেওঁ চকু মুদি অনুভৱ কৰিলে। তেওঁ অকলে বহি তেওঁৰ অতীত স্মৃতি ৰোমন্থন কৰিবলৈ ধৰিলে। সময়ৰ কোবাল গতিত ক'ত যে তেওঁৰ ভুল হৈ গ'ল তাকে ভবিবলৈ ধৰিলে। এসময়ত তেওঁৰ পিতৃ মাতৃ, ভায়েক, ভনীয়েকেৰে ভৰা এখনি ঘৰ আছিল। কিন্তু অভাৱ অনাটনে জুৰুলা কৰা ঘৰখন ভৰা ঘৰ হৈ নাথাকিল। কালৰ নিষ্ঠুৰ আঁচোৰত পৰি তেওঁৰ মাক দেউতাক এদিন ঢুকাই থাকিল। তেওঁৰ কাণত বাজি উঠে দেউতাকে মৰাৰ সময়ত কৈ যোৱা কথাকেইটা, 'বোপাইও! মই যাবলৈ ওলালো। তোক মই ঘৰৰ দায়িত্ব দিলো কিন্তু সা-সম্পত্তি দি যাব নোৱাৰিলো। তহঁত ভাই-ভনী আটায়ে মিলিজুলি থাকিবি। তই সিহঁতক চাবি'। তেতিয়া গুণধৰ বৰুৱাৰ বয়স আছিল ১৮ বছৰ। তেওঁ মেট্ৰিক পাছ কৰি ওচৰৰে কলেজ এখনত নামভৰ্তি কৰিছিল আৰু ওচৰ চুবুৰীয়াৰ গৰখীয়া, খৰিফলা হৈ নিজৰ পঢ়া খৰছ উলিয়াইছিল। মাক-দেউতাকৰ মৃত্যুৰ পিছত ঘৰৰ সমস্ত দায়িত্ব বৰুৱাৰ মূৰতে পৰিল। তেওঁ চাৰিওফালে আন্ধাৰ দেখিলে। কিন্তু সেই সময়ত তেওঁলোকৰ চুবুৰীত এখনো প্ৰাথমিক বিদ্যালয় নাছিল। ৰাইজে মিলি এখন বিদ্যালয় সাজিলে আৰু গুণধৰে অতি উৎসাহেৰে সেই দায়িত্ব মুৰ পাতি লৈ স্কুলখনৰ ভালেখিনি উন্নতি সাধন কৰিলে। লগতে ঘৰ খনৰো দায়িত্ব গাত পাতি ল'লে। ভায়েক-ভনীয়েক কেইটাক পঢ়ালে। নিজেও বিয়া কৰালে। ডাঙৰ ভায়েক নীৰেনে পঢ়াত ভাল ফল দেখুৱাই সুখ্যাতিৰে মেট্ৰিক পাছ কৰি ডাক্তৰী পঢ়াৰ ইচ্ছা কৰিলে। কিন্তু ককায়েক গুণধৰে ভাবিলে যে সিহঁতৰ যিহেতু মাটি-সম্পত্তি নাই ডাক্তৰী পঢ়াব কেনেকৈ। নিজৰ চাকৰিটোৰে দৰমহাৰ ঠিক নাই। যিখিনি পায় সেইখিনি খৰচ চলোৱাতে যায়। ইফালে ভনীয়েককো বিয়া দিব লাগে। গতিকে তেওঁ ভায়েকক কলেজতে নাম লগাই দিলে। তেতিয়া ভায়েকৰ খং উঠি দুদিনমান কলেজত ক্লাচ কৰিলে, তাৰ পিছত বেয়া সংগত আৰু আনৰ উচটনিত পৰি এজনী ছোৱালী পলুৱাই আনি ঘৰ সোমোৱালে। ইফালে বৰুৱাই কি কৰিব একো ভাবি নাপায়,ভায়েকক এখন দোকানকে কৰি দিলে। প্ৰথমতে সৰু দোকান পিছত ভায়েক নীৰেনৰ দোকানখন ডাঙৰেই হ'ল। কিন্তু সি তাৰ লাভৰ অংশ ককায়েকক দিয়ক চাবি নিয়েহে। ক'লে তাৰ বিক্ৰীয়ে নাই। ইফালে সৰু ভায়েকেও পঢ়া-শুনা কৰিব নোৱাৰিলে। গতিকে গুণধৰ আনৰ মাটি অধিকৈ ৰাখি সৰু ভায়েকক খেতি কৰিবলৈ লগাই দিলে। লাহে লাহে তেওঁৰ নিজৰ ল'ৰাটোও ডাঙৰ হৈ আহিছে। তাক মাকে ইংৰাজী স্কুলত দিব খুজিছিল। গুণধৰে ক'লে অসমীয়া স্কুলত দিলেও ল'ৰা স্মাৰ্ট হয়। কিন্তু আচল কথা সেইটো নহয়।



তেওঁৰ ইংৰাজী স্কুলত দিবলৈ অৰ্থৰ অভাৱ আছিল। ভায়েক-ভনীয়েকক চাওঁতে তেওঁৰ সাঁচতীয়া পইচা শেষ হৈছিল। ঋণীলৈ ভায়েক ভনীয়েকৰ ধুম-ধামেৰে বিয়া পাতি দিছিল। কিন্তু নীৰেনে বিয়া কৰায়েই বেলেগ হৈ গুচি গৈছিল। আকৌ মানুহৰ আগত কয়, ককায়েকে তেওঁক কি দিলে, একোৱেই দিয়া নাই। যদিও শিক্ষক, গুণধৰৰ আৰ্থিক অৱস্থা সিমান ভাল নহয়। তেওঁৰ ল'ৰা-ছোৱালী দুটা। ল'ৰা-ছোৱালী দুটা পঢ়াত সিমান বেয়া নাছিল। কিন্তু ল'ৰাটোৱে মাজে মাজে আমনি দিবলৈ ধৰিলে যে খুড়াকহঁতক দেউতাকে যি বিচাৰে দিয়ে, এতিয়াও দি থাকে। গতিকে সিহঁতকো দিব লাগিব। দিন যোৱাৰ লগে লগে তেওঁৰ ল'ৰাটোৰ দাবী বাঢ়িবলৈ ধৰিলে। টি.ভিৰ পৰা আৰম্ভ কৰি মোবাইল, বাইকলৈকে। গুণধৰে বুজালে কিন্তু ল'ৰাটোৱে নেমানে। তাৰ উৎপাত লাহে লাহে ভয় লগা ধৰণৰ হৈ উঠিল। বাধ্য হৈ তেওঁ তাৰ দাবীবোৰ পূৰণ কৰিবলৈ চেষ্টা কৰিলে,কিজানিবা তাৰ স্বভাৱ ভাল হয়েই। কিন্তু তাৰ অভাৱ পূৰণ কৰিবলৈ যাওঁতে তেওঁৰ অভাৱ অনাটন বাঢ়িবলৈ ধৰিলে। ইফালে ভায়েকহঁতেও চাকৰি কৰা ককায়েক বুলি ইটো-সিটো নিয়েই থাকে। কিন্তু গুণধৰে যদি কেতিয়াবা সিহঁতক কিবা সহায়ৰ কথা কয় তেতিয়া সিহঁতৰ কিমান যে লেঠা ওলায়। গুণধৰে ভাবে, আজিৰ অত্যাধুনিক পৃথিৱীৰ লগত ফেৰ মাৰিব পাৰিবনে? তেওঁৰ ভায়েক-ভনীয়েকৰ সেই আগৰ কৃত্ৰিমতাৰ প্ৰলেপ নপৰা, তেওঁৰ দুখত দুখী হোৱা মাতষাৰ শুনিবলৈ পাবনে? এইবোৰ কথাই তেওঁক আমনি দি থাকে। ইফালে পুতেকৰ চৰিত্ৰও বেছি বেয়া হ'ল। বহুত বুজায়ো পুতেকক ভাল পথলৈ আনিব নোৱাৰিলে আৰু এদিন দেউতাকৰ লগত কাজিয়া কৰি সি গুচি গ'ল। ভায়েকহঁতে কয় যে ককায়েক গুণধৰৰ বাবে তাৰ স্বভাৱ বেয়া হ'ল।

এবিলাক কথাই তেওঁ বাৰাণ্ডাৰ চকীখনত বহি ভাবি আছিল। সময়ৰ সোঁতত ক'ত তেওঁৰ ভুলটো হৈ গ'ল বিচাৰি থাঁকোতে ঘৈণীয়েক বাসন্তীয়ে তেওঁক ভাত খাবলৈ মাতিলে। তেতিয়াহে তেওঁ গম পালে যে ৰাতি ৯ বাজি গৈছে। তেওঁ লাহেকৈ ভিতৰলৈ উঠি গ'ল। ❑

## —ঃ মহৎ লোকৰ বাণী ঃ—

❑ নিভাঁজ অসমীয়া ভাষাত কথা লিখিবা, নিভাঁজ অসমীয়া সাজপাৰ পিন্ধিবা, অনাহকতে বিদেশীক অনুকৰণ নকৰিবা।
— লক্ষ্মীনাথ বেজবৰুৱা

❑ সাহিত্যৰ অন্যতম উদ্দেশ্য হ'ল দেশৰ মানুহৰ মাজত সৃষ্টি হোৱা অনৈক্যৰ বীজাণুসমূহ ধ্বংশ কৰি জাতিটো ঐক্যবদ্ধ আৰু শক্তিশালী কৰি গঢ়ি তোলা
— মহেন্দ্ৰ মোহন চৌধুৰী

❑ প্ৰকৃত কবি বা দ্ৰষ্টা বুলি সেইজনকে কোৱা হয়, যিজনে মৃত্যুৰ মাজেদি জীৱন আৰু জীৱনৰ মাজেদি মৃত্যুক দেখা পায়।
— মহাত্মা গান্ধী

❑ আঁঠুকাঢ়ি জীয়াই থকাতকৈ থিয় হৈ মৃত্যু বৰণ কৰা হেজাৰ গুণে শ্ৰেষ্ঠ।
— এমিলিয়ান জাপিটি

❑ পাৰিম বুলি যি জনে বিশ্বাস কৰে, তেৱেঁই জয়লাভ কৰিব পাৰে। — ভাজিল

# পাৰ্থক্য কি?

মহিত ৰাভা
উচ্চ মাধ্যমিক দ্বিতীয় বৰ্ষ

প্ৰভাকৰ গোস্বামী ঃ- ডাঃ বৰুৱা! মোৰ ছোৱালীজনী কিমান দিনৰ পাছত সম্পূৰ্ণ সুস্থ হৈ উঠিব বাৰু?

ডাঃ বৰুৱা ঃ- গোস্বামী ডাঙৰীয়া আপুনি কিয় ইমান অধৈৰ্য হৈছে। ইমান চিৰিয়াছ ৰোগী লাহে লাহে ভাল হৈ যাব। বেমাৰ হোৱাটো সহজ। ভাল কৰাটো কিন্তু সিমান সহজ নহয়। আজি ন বজাৰ পাছত তাইৰ এটা অপাৰেশ্যন কৰা হ'ব। যদি অপাৰেশ্যনটোৱে মোৰ অনুমান মতে ফল দিয়ে,তেতিয়াহলে আপুনি কিছু টকা খৰচ কৰিব লাগিব।

প্ৰভাকৰ গোস্বামী ঃ- বৰুৱা আপুনি কি কিছু টকাৰ কথা কৈছে। তাই মোৰ একমাত্ৰ ছোৱালী। তাইৰ কাৰণে মই যিমান টকা লাগিলেও দিবলৈ প্ৰস্তুত। মাত্ৰ আপুনি তাইক সোনকালে আৰোগ্য কৰক।

ডাঃ বৰুৱা ঃ- অ' ন বাজিবলৈ পাঁচ মিনিতহে বাকি। মই কাম আৰম্ভ কৰো। আপুনি ইয়াত এটা চহি কৰক।

প্ৰভাকৰ গোস্বামী ঃ- ডাঃ বৰুৱা তাই ভাল হৈ যাব নহয়? তাইৰ কাৰণে যিমান টকা প্ৰয়োজন হ'লেও মই দিবলৈ প্ৰস্তুত।

ডাঃ বৰুৱা ঃ- আপুনি চিন্তা নকৰিব। আমাৰ ফালৰ পৰা যিখিনি কৰনীয় সেইখিনি কৰিম। বাকী ওপৰৱালাৰ ওচৰত। আপুনি এতিয়া ইয়াৰ পৰা যাব পাৰে। আমাৰ কাম প্ৰায় ছয় ঘণ্টামান পাছত শেষ হব। আপুনি বাহিৰত অপেক্ষা কৰক।

প্ৰায় ছয় ঘণ্টাৰ মূৰত গীতাৰ্থীৰ অপাৰেশ্যন শেষ হয়। ডাক্তৰ ওলাই অহাৰ লগে লগে গোস্বামী ডাঙৰীয়া ঘৈণীয়েকৰ সৈতে ডাক্তৰৰ ওচৰলৈ চুম্বকে লো আকৰ্ষণ কৰাৰ নিচিনাকৈ লৰি যায়।

প্ৰভাকৰ গোস্বামী ঃ- ডাক্তৰ মোৰ ছোৱালীজনী ঠিকে আছেনে?

ডাক্তৰ বৰুৱা ঃ- ঈশ্বৰৰ কৃপাত ঠিকে আছে। আপুনি অলপ মোৰ লগত আহক।

প্ৰভাকৰ সোস্বামী ডাক্তৰৰ পাছে পাছে যায় আৰু অতি আগ্ৰহেৰে ডাক্তৰৰ কথাবোৰ শুনাৰ বাবে অপেক্ষা কৰে।

ডাক্তৰ বৰুৱা ঃ- আপোনাৰ ছোৱালী থিকেই আছে, কিন্তু.....।

প্ৰভাকৰ গোস্বামী ঃ- কিন্তু কি ডাক্তৰ? নকয় কিয়? সোনকালে কওক।

ডাক্তৰ বৰুৱা ঃ- অ' পলম কৰি অৱশ্যে লাভ নাই। ক'বটো লাগিবই। আপোনাৰ ছোৱালীৰ দুয়োটা কিডনী শেষ হৈ গৈছে। তাই আৰু পাঁচ ঘণ্টাহে জীয়াই থাকিব। গতিকে সোনকালে কিবা এটা কৰক।

প্ৰভাকৰ সোস্বামীৰ মূৰত যেন সৰগহে খহি পৰিল। তেখেতে কাণেৰে কি শুনিলে। অজানিতে তেওঁৰ দুচকুৰে দুধাৰি অশ্ৰু নদীৰ পাৰ খহি পানী বাগৰি অহা দি বাগৰি আহিল।

ডাক্তৰ বৰুৱা ঃ- এতিয়া আৰু চিন্তা কৰি লাভ নাই, এনেদৰে সময় নষ্ট কৰিও লাভ নাই। সোনকালে ইয়াৰ ব্যৱস্থা কৰক।

প্ৰভাকৰ গোস্বামী এজন নামজলা উকিল। তেওঁৰ একমাত্ৰ চকুৰ মণি গীতাৰ্থী গোস্বামী। তাই বহুদিন ধৰি মেলেৰিয়া জ্বৰত ভুগি আছিল। কিন্তু আজি তাই মাত্ৰ পাঁচ ঘণ্টা আয়ুস লৈ জীয়াই আছে।

গৌতম ঃ- ডাক্তৰ মোৰ ভাইটি, ডাক্তৰ মোৰ ভাইটিয়ে কিবা মাত-বোল কৰিব নোৱাৰা হৈছে। ডাক্তৰ সোনকালে কিবা কৰক।

ডাক্তৰ ঃ-ৰবাচন ইমান অধৈৰ্য কিয় হৈছা?

গৌতমে ডাক্তৰক হাতত ধৰি টানি লৈ যায়। ডাক্তৰেও



লৰালৰিকৈ গৌতমৰ লগত যায়।

গৌতম এজন গাঁৱলীয়া ল'ৰা। সি এইবাৰ ইংৰাজীত মেজৰ সহ প্ৰথম শ্ৰেণীৰে বি.এ উত্তীৰ্ণ হয়। কিন্তু টকাৰ অভাৱত এম.এত শ্ৰেণীত নাম লিখিব পৰা নাই। ইফালে নাম ভৰ্তিৰ কাৰণে টকাৰ প্ৰয়োজন, আনফালে একমাত্ৰ ভায়েক দীপুৰ যোৱা থোৱা অৱস্থা। নাম ভৰ্তিৰ কাৰণে যিখিনি টকা যোগাৰ হৈছিল সেইখিনিও ভায়েকৰ বেমাৰতে শেষ হ'ল। এতিয়া আকৌ ভায়েকে বা আৰোগ্য হয় নে নাই তাৰো কোনো নিশ্চয়তা নাই।

ডাক্তৰে দীপুক তৎক্ষণাৎ এটা চেলাইন লগাই দি গৌতমক তাৰ পৰা ওলাই যাবলৈ ক'লে।

যেতিয়া ডাক্তৰে প্ৰভাকৰ গোস্বামীক কিডনীৰ কথা কৈছিল তেতিয়া ডাক্তৰহঁতে দীপু থকা কোঠালিটো'ৰ সন্মুখতে আলোচনা কৰিছিল। তেতিয়া দীপুৱে সকলো কথা শুনিছিল। সেই সময়ত গৌতমেও দীপুৰ বাবে আপেল আৰু অন্যান্য খোৱা বস্তু আনিবলৈ বাহিৰলৈ গৈছিল আৰু আহিয়েই দীপুক তেনেদৰে চটফটাই থকা দেখিছিল। দীপুৱে নিশ্চিতকৈ গম পাইছিল যে সি আৰু কেতিয়াও আৰোগ্য নহয়। গতিকে সি যদি গীতাৰ্থীক তাৰ কিডনী দুটা দান কৰি জীয়াই ৰাখিব পাৰে তেতিয়াহলে তাৰো ককায়েকে এম.এত নাম ভৰ্তিৰ কৰিবলৈ টকা পাব। মৃত্যুৰ আগতে ইয়াতকৈ আৰু সি কি কৰিব। ইয়াকে ভাবি সি তাকে কৰিবলৈ স্থিৰ কৰিলে।

দীপু ঃ- ডাক্তৰ, মই আৰু নাবাচিম নহয়।

ডাক্তৰ ঃ- তুমি এইবিলাক কি কৈছা, নাপায় নহয়। তুমি এইবিলাক অমংগলীয়া কথা কিয় মুখলৈ আনিছা।

দীপু ঃ- নহয়, ডাক্তৰ মই আৰু নাবাচিম। গতিকে মৃত্যুৰ আগতে মোক এটা মহৎ কাম কৰিবলৈ দিবনে? মই এতিয়া শান্তিৰে মৰিব পাৰিম। মোক নিৰাশ নকৰিব ডাক্তৰ, মোক নিৰাশ নকৰিব।

দীপুৱে প্ৰায় উচুপি উঠিছিল। ডাক্তৰেও স্থিৰে থাকিব নোৱাৰিলে। ডাক্তৰে উত্তম মাধ্যম চিন্তা কৰি দীপুৰ ফালে এবাৰ চালে। দীপুৱে ডাক্তৰৰ ফালে চাই অতি আগ্ৰহেৰে এটা কৰুণ ব্যথাভৰা হাঁহি মাৰিলে। ডাক্তৰে অৱশেষত সকলো কথা ভাবি চিন্তি দীপুৰ কথামতেই কাম কৰিবলৈ সিদ্ধান্ত ল'লে।

ডাক্তৰ ঃ- গৌতম তোমাৰ ভাইটিৰ অপৰেশ্যন কৰিব লাগিব। লাঞ্চৰ কিবা গণ্ডগোল আছে।

গৌতম ঃ- ডাক্তৰ আপুনি যিকোনো উপায়ে মোৰ ভাইটিক বচাওক। তাৰ অবিহনে মোৰ আপোন বুলিবলৈ কোনো নাইও। ডাক্তৰ তাক যিকোনো উপায়ে বচাওক।

গৌতম প্ৰায় হুকহুকাই কান্দি পেলাইছিল। ডাক্তৰেও সুস্থিৰে থাকিব নোৱাৰিলে।

ডাক্তৰ ঃ- গৌতম অধৈৰ্য নহ'বা। আমি যি পাৰো কৰিম। বাকী ঈশ্বৰৰ ওপৰত।

ডাক্তৰে কপা কপা মাতেৰে গৌতমক সান্তনা দিবলৈ চেষ্টা কৰিলে। তেখেতে ফাইলটো উলিয়াই গৌতমক চহী এটা কৰিবলৈ দিলে আৰু তাৰ পৰা আতৰি গ'ল। লগে লগে অপাৰেশ্যনৰ কামো আৰম্ভ হ'ল। অপাৰেশ্যন আৰম্ভ হোৱাৰ আগতে গৌতমে দীপুক এবাৰ সাবটি ধৰি আলফুলকৈ কপালত চুমা এটা আঁকি দি কৈছিল "মোক তই এৰি নাযাবিও ভাইটি মোক তই ক'লৈকে এৰি নাযাবি। মা দেউতাইতো যোৱা বানপানীতে মই কৰ নোৱাৰাকৈয়ে এৰি গ'ল। এতিয়া আৰু তয়ো যাবি নেকি? মোক এৰি নাযাবি ভাইটি, মোক তই অকলশৰীয়া নকৰিবি। গৌতমে কান্দি কান্দি থিয় দি থকা ঠাইতে বহি পৰিছিল। বহুসময়ৰ পাছত ডাক্তৰে এজনৰ জীৱন লৈ এজনক জীৱন দান কৰি ওলাই আহিছিল। গৌতমে তেতিয়া কান্দি কান্দি ভাগৰি পৰিছিল। তাৰ যেন আৰু কান্দিবলৈ চকুপানীয়ে নাছিল। ডাক্তৰ ওলাই অহা দেখি সি ডাক্তৰৰ ফালে চাই সুধিলে "ডাক্তৰ মোৰ ভাইটি ভালে?"

ডাক্তৰ ঃ- উঠা গৌতম কান্দি একো লাভ নাই। এয়া বিধাতাৰ লিখন। তোমাৰ ভাইটিয়ে তোমাক এৰি বহুদূৰলৈ আঁতৰি গ'ল। তোমাৰ মা-দেউতাৰ দেশলৈ।

গৌতম ঃ-যাওকদে, ভালেই হৈছে। ময়ো যাম দুদিন পাছত। গৌতমৰ কথা শুনি ডাক্তৰে উচুপি উচুপি ক'লে- "মানুহৰ জীৱন এনেকুৱাই অ' গৌতম। নিৰাশ নহ'বা। তোমাক তোমাৰ মৰমৰ ভাইটিয়ে বহুত মৰম দি থৈ গৈছে। এতিয়া ভাইটিক ইয়াৰপৰা নিয়াৰ ব্যৱস্থা কৰা। অহা ২৫ তাৰিখে তুমি তোমাৰ ভাইটিয়ে দিয়া মৰমখিনি নিবলৈ মোৰ তালৈ আহিবা। এইদৰে কৈ ডাক্তৰে তাৰ পৰা আঁতৰি গ'ল। ডাক্তৰে কি কলে গৌতমে একো বুজি নাপালে। সি থৰ হৈ ডাক্তৰৰ ফালে চাই থাকিল।

আজি গীতাৰ্থীক ৰিলিজ দিয়া হ'ব। গতিকে প্ৰভাকৰ গোস্বামী আৰু গীতাৰ্থীৰ শুভাকাংশীসকলে গীতাৰ্থীক নিবলৈ

আহিছে। গীতাৰ্থীৰ মোমায়েক, মামীয়েক, খুড়াক, বৰদেউতাক, বৰদেউতাকৰ ছোৱালী ভূপালীও আহিছে তাইক নিবলৈ। তাই সকলৰে অতি মৰমৰ। মৰমতে তাইক সকলোৱে গীতা বুলিয়ে মাতে।

গীতাৰ্থী আৰু গৌতম একে শ্ৰেণীতে একেখন কলেজতে পঢ়িছিল আৰু দুয়োৰে মাজত গভীৰ প্ৰেম আছিল। কিন্তু সিহঁতৰ সঁচা অন্তৰৰ মিলন এটা অতি ডাঙৰ বাধা আছিল। কাৰণ গৌতম আছিল এজন নিম্ন সম্প্ৰদায়ৰ ল'ৰা। সেয়েহে এদিন দেউতাকে সিহঁতৰ সকলো কথা গম পাই গীতাৰ্থীক কলেজলৈ যোৱা বন্ধ কৰি দিছিল আৰু গৌতমক মাৰিবলৈ গুন্দা লগাই দিছিল। কিন্তু গৌতমক মৰাটো সহজ কথা নাছিল। কাৰণ তাৰ খুড়াক আছিল এজন পুলিচ ইন্সপেক্টৰ। সেয়েহে গৌতমক কোনেও এক কৰিব পৰা নাছিল। গীতাৰ্থীয়ে কলেজত যোৱাত গৌতমে গীতাৰ্থীৰ বান্ধৱী অনিন্দিতাৰ পৰা সকলো কথা গম পাইছিল। আচল কথা গম পাই গৌতমে এদিন গীতাৰ্থীক ফোন কৰিলে আৰু কিবা এটা বুদ্ধি সাজি বাহিৰলৈ আহিবলৈ ক'লে। গীতাৰ্থীয়ে দেউতাকক ফাকি দি আনিন্দিতাৰ জন্মদিন বুলি কৈ সিদিনা গৌতমক লগ ধৰিলে। গীতাৰ্থীয়ে গৌতমক মাৰি পেলোৱাৰ ভয়ত তাইৰ কাষলৈ আকৌ কেতিয়াও নাহিবলৈ অনুৰোধ জনালে। গৌতমে গীতাৰ্থীক কৈছিল, মই মৰি গ'লেও তোমাক কেতিয়াও পাহৰিব নোৱাৰো।" গীতাৰ্থীয়ে গৌতমক কৈছিল- "তুমি মোক কিমান ভাল পোৱা মই জানো আৰু মই তোমাক কিমান ভাল পাওঁ তুমিও নিশ্চয় জানা। গতিকে মই যদি জীয়াই থকাটো বিচৰা তেতিয়াহ'লে মোক আৰু কেতিয়াও লগ নধৰিবা। মোক তুমি পাহৰি যোৱা।" গীতাৰ্থীয়ে প্ৰায় কান্দি পেলাইছিল। গৌতমে তাইক শেষবাৰৰ বাবে কৈছিল মই তোমাক সদায় সুখেৰে জীয়াই থকাটো বিচাৰো। মই আহিলো গীতা। সিদিনাৰ পৰা গৌতম আৰু গীতাৰ্থীৰ দেখা দেখি হোৱা নাই।

ডাক্তৰে কোৱা মতে গৌতম আহি ডাক্তৰৰ ওচৰত উপস্থিত হ'ল। ডাক্তৰে গৌতমক নিজৰ গাড়ীত বহিবলৈ কলে আৰু গীতাৰ্থীহঁতৰ গাড়ীৰ পাছে পাছে ডাক্তৰে গৌতমক গীতাৰ্থীহঁতৰ ঘৰলৈ লৈ আহিল। গৌতমে ডাক্তৰক আপত্তি কৰিছিল যদিও ডাক্তৰৰ বুজনিত সি ক্ষান্ত হৈ গাড়ীত বহি আহিল। কিছু সময়ৰ পাছত ডাক্তৰহঁতে প্ৰভাকৰ গোস্বামীৰ ঘৰৰ সন্মুখত গাড়ী ৰখালে আৰু গীতাৰ্থীহঁতৰ পিছে পিছে ডাক্তৰ আৰু গৌতমে খোজ ল'লে। গীতাৰ্থীয়ে গৌতমক দেখি আচৰিত হ'ল আৰু দৌৰি ভিতৰলৈ সোমাই গ'ল।

ডাক্তৰ আৰু গৌতম বাহিৰতে বহিল। ডাক্তৰৰ সন্মুখৰ চফাখনত প্ৰভাকৰ গোস্বামীয়ে সগৰ্বে বহি ভিতৰৰ পৰা অনা টকাৰ টোপোলাটো টেবুলত থ'লে আৰু চিঠি এখন গৌতমক দিলে। গৌতমে সেইখন পঢ়ি গীতাৰ্থীক চিঞৰি মাতিলে। গাতাৰ্থী ওলাই আহিল আৰু গৌতমে চিঠিখন তাইক দিলে। গীতাৰ্থীয়ে চিঠিখন পঢ়ি উচুপিবালৈ ধৰিলে। গৌতমে ক'লে- "তুমি যদি তোমাৰ এজন মহান দেউতাৰৰ কথা শুনিয়েই মোক এৰাই চলিব পাৰিলা, তেনেহ'লে মোৰ ভাইটিৰ প্ৰাণ লৈ জীয়াই থকাতকৈ মৰি নযোৱা কিয়? ডাক্তৰে গৌতমক বুজালে, কিন্তু গৌতমে ক্ষান্ত নহ'ল। সি কবলৈ ধৰিলে। ডাক্তৰ মই আপোনাক এটা প্ৰশ্ন কৰো- "যদি এজন নিম্ন সম্প্ৰদায়ৰ ল'ৰাৰ কিডনী লৈ এজন উচ্চ সম্প্ৰদায়ৰ মানুহ জীয়াই থাকিব পাৰে তেনেহ'লে এজন নিম্ন সম্প্ৰদায়ৰ ল'ৰাই এজন উচ্চ সম্প্ৰদায়ৰ ছোৱালীৰ মন কিয় পাব নোৱাৰে? এয়া জানো মানুহৰ প্ৰতি মানুহৰ সু-বিচাৰ? জাতি, উচ্চ-নিচ, সম্প্ৰদায়ভেদ আদি কোনো ইশ্বৰ বা আল্লাই সৃষ্টি কৰা নাই, সৃষ্টি কৰিছে আপোনালোকৰ দৰে শিক্ষিত কাপুৰুষবিলাকে। আপনিওটো নিশ্চয় তাৰ সতে একমত গতিকে মোক ভাইটিয়ে দি যোৱা এই মৰমেৰে এটা বিষৰ বটল কিনি নিদিলে কিয়? তাকে পান কৰি ময়ো এই কাপুৰুষসকলৰ মাজৰ পৰা ভাইটিৰ ওচৰলৈ যাব পাৰিলোহেঁতেন। গৌতম বেদনাত অস্থিৰ হৈ পৰিছিল। সি প্ৰভাকৰ গোস্বামীক কৈছিল আজি মই আপোনাকো এটা প্ৰশ্ন কৰো। যদি আপুনি মোক নিম্ন সম্প্ৰদায়ৰ বুলি ঘিণ কৰিব পাৰে, তেনেহ'লে ভাইটিৰ কিডনী দুটা কি নিম্ন সম্প্ৰদায়ৰ ল'ৰাৰ নহয়? আপুনি ইমান স্বাৰ্থপৰনে? প্ৰভাকৰ গোস্বামী নিমাত হৈ ৰ'ল। গৌতমে ক'লে- "মই জানো আপুনি ইয়াৰ উত্তৰ দিব নোৱাৰে। আৰু ইয়াৰ উত্তৰ দিব নালাগে। মই আপোনাক এটা অনুৰোধ কৰো সেইটো যাতে কোনো স্বাৰ্থ নকৰাকৈ ৰক্ষা কৰে। মোক এই টকা নালাগে। অনুগ্ৰহ কৰি আপুনি এই টকাৰে গীতাৰ্থীৰ বিয়াত এটা ভাল উপহাৰ দিব আৰু আপোনাৰ ঘৰত থকা এই নিম্ন সম্প্ৰদায়ৰ কামকৰা মানুহকেইটাক ভালদৰে পোচাক পাতি আৰু দৰমহা অলপ দৰমহা বেছিকৈ দিব। মই এতিয়া আহো।' গীতাৰ্থীয়ে কান্দি কান্দি ভিতৰলৈ সোমায় গ'ল। ডাক্তৰ আৰু প্ৰভাকৰ গোস্বামী গৌতম ওলাই যোৱাৰ ফালে চাই থাকিল....। ❑






# আচিনাৰ অসুখ

কবিঃ নীলিম কুমাৰ

(নীরার অসুখ হ'লে কলকতার সবাই বড় দুঃখে থাকে) - সুনীল গঙ্গোপাধ্যায়

আচিনাৰ আসুখ হ'লে আকাশখন গোমা হৈ উঠে
ব্যস্ত হৈ উঠে বতাহজাক,উজাগৰে থাকে নৰ-নাৰী,
মহানগৰ আলি-গলি ৰাজ আলি। বতাহৰ স'তে
মানুহবোৰে ফুচ ফুচাই কথা পাতে
আচিনাৰ অসুখৰ কথা

আচিনাৰ অসুখ হ'লে যাওঁ যাওঁ কৈ ৰৈ থাকে
গধূলিৰ সূৰ্য, আইৰ মুখলৈ চাই [illegible] থাকে
ৰঙা সময়। উভটি অহা পালতৰা নাওবোৰত
খুন্দা মাৰে দুখৰ বতাহে

আচিনাৰ অসুখ হ'লে কুকুৰে নুভুকে, কাউৰীয়ে
নকৰে কা কা ! অফিচ নচলে ৰেল নচলে
বাছ নচলে, নচলে ৰিক্সা ঠেলা চাইকেল
খান্তাৰ পাৰত আঠুত মুখ গুজি বহি থাকে মানুহবোৰ

আচিনাৰ অসুখ হ'লে পাগলৰ দৰে মই ঘুৰি ফুৰোঁ
জালুকবাৰীৰ পৰা হেদায়েৎপুৰ, শিলপুখুৰীৰ পৰা
দিছপুৰ, ঘূৰি ফুৰোঁ পাণবজাৰ ফাঁচীবজাৰ
আমবাৰী ৰিহাবাৰী মাছখোৱাৰ বাছষ্টেণ্ডত [illegible]
আচিনাৰ অসুখ

মানুহৰ মুখে মুখে বিয়পি পৰে অচিনাৰ কথা
পানীত ৰৈ যায় বতাহত যায় এই খবৰ। চৰাইবোৰে
গছবোৰে পথাৰবোৰে পাহাৰবোৰে শিলবোৰে উদ্বিগ্ন হৈ শুনে
এই খবৰ, আচিনাৰ অসুখ আচিনাৰ অসুখ

ৰবীন্দ্ৰ ভৱন, ডিষ্ট্ৰিক্ট লাইবেৰী গৌৰী সদনৰ বেৰত
পোষ্টাৰ মাৰি জনাই দিওঁ আচিনাৰ অসুখ
জনাই দিওঁ ইউনিভাৰচিটিত কলেজবোৰত স্কুলবোৰত
আচিনাৰ অসুখ
ৰেডিঅ'ত বাতৰি কাকতত জনাই দিওঁ আচিনাৰ অসুখ

আচিনা আচিনা আচিনা
তাই নহঁহালৈকে মই পাগল হৈ থাকো
গোমা হৈ থাকে আকাশ। উজাগৰে থাকে নৰ-নাৰী
মহানগৰ অলি-গলি ৰাজআলি, উদ্বিগ্ন হৈ থাকে বতাহ
উদ্বিগ্ন হৈ থাকে সময়

আচিনাই নহঁহালৈকে স্থিৰ হৈ ৰৈ থাকে গধূলিৰ সূৰ্য
আচিনাৰ হাঁহিৰ ইংগিত নোপোৱালৈকে কুকুৰে নুভুকে
নকৰে কোহাল কাউৰীযে, নচলে অফিচ নচলে ৰেল
নচলে বাছ নচলে ৰিক্সা ঠেলা মানুহৰ চাইকেল
[illegible] দিন ৰাতি নাগায় চৰায়ে গান

আচিনাই নহঁহালৈকে হৃদয় বন্ধ
কৰো হৃদয়ত নুফুলে ফুল।

কবিজনৰ অনুমতি ক্ৰমে —

## ইমৰোজ- তিনিচুকীয়াৰ সমান দীঘল অ'ভাৰব্ৰীজেদি

কবি ঃ প্ৰণৱ কুমাৰ বৰ্মন

ইমৰোজ আজি ফুল কটা নিয়ন লাইটৰ সন্ধিয়া
ইমৰোজ মই তোমাৰ দৰে ১০ নং জনপথেদি
উন্মদনা সনা এজাক ধুমুহা হৈ..............
ইমৰোজ আজি আৰু একোকে ক'ব নোৱাৰো

ইমৰোজ বুকুভৰা এই প্ৰেম আৰু ভালপোৱাৰ বাগিচাৰ ৰখীয়া কোন?
ডাকটিকটটোৰ ওপৰত থকা ক'লা এই সামান্য দাগটো
কোনোবাই যদি বুজিলেহেতেন মোৰেই কলিজাৰ মৰা তেজৰ দাগ
কিয় ইমৰোজ জীৱনত ফুলতকৈ কাঁইটৰ দাম ইমান

কিমান দীঘল জিৰাফৰ ডিঙিৰ দৰে এই অ'ভাৰব্ৰীজ
মহানগৰ খন চাৰনিৰে চেলেকি খায়
অথচ সিতো নহয় স্বৰ্গাৰোহণৰ পথ
আকৌ চোন নৰককলৈ নামি যায়
এই অ'ভাৰব্ৰীজ তিনিচুকীয়াৰ সমান দীঘল কৰি দিয়া ইমৰোজ
মই তেওঁৰ টোপনিলৈ খোজ কাঢ়ি যাব খোজোঁ
তেওঁৰ টোপনিৰ তাজমহলটোত বন্দী সেই ছাহজাহানৰ
প্ৰাৰ্থনা শুনিব খোজোঁ
তেওঁৰ টোপনিত জাকমকাই থকা সপোনৰ ফুলনি
খনৰ সুগন্ধি গোটাব খোজোঁ

ইমৰোজ যদি তেওঁ কামাখ্যা হয়
যদি তেওঁ এই অ'ভাৰব্ৰীজ শেষ হোৱাৰ লগে লগে
মধ্যৰাত্ৰি সেই কুকুৰাক প্ৰৰোচিত কৰে ডাক দিবলৈ
তেনে হ'লে এই অ'ভাৰব্ৰীজো ৰৈ নাযাবনে হৈ প্ৰতাৰণাৰ নামান্তৰ
চাইলোৱা ইমৰোজ, মোৰ হৃদয়ৰ পৰা তেওঁৰ হৃদয়লৈ নিৰ্মিত
এই দীঘল ভাবনা আৰু যাতনাৰ অ'ভাফব্ৰীজলৈ
কেনেদৰে তৰাবোৰে কিৰিলি পাৰি উঠিছে
তলেদি নৈ গৈছে অপমৃত্যুৰ আলেখ সমদল
তলেদি নৈ গৈছে নিনাদিত বিষাদৰ অজস্ৰ ঢল
তলেদি নৈ গৈছে অপ্ৰাপ্তিত কাতৰ মৌন মূক
ব্যৰ্থ প্ৰেয়সীৰ পুষ্প পত্ৰ ফল

ইমৰোজ মোৰ নৰকৰ সীমাৰ ওপৰেদি এই অ'ভাৰব্ৰীজ
তেওঁৰ টোপনিলৈ বৈ গৈছে
এতিয়া চাগে' তেওঁ টোপনিৰ গোপন পথত
পৰিভ্ৰমণত ব্যস্ত
দিনৰ ক্লান্তি নামৰ ঘোঁৰাগাড়ীখনৰ পৰা নামি
তেওঁ চাগে' এতিয়া অলস ক্লিউপেট্ৰা হৈ
বিশ্ৰাম নামৰ কুটিৰত ধ্যানমগ্ন

ইমৰোজ এই ভগ্নতাৰ নাম কি কোৱা
এই শূন্যতাৰ নাম কি কোৱা
এই আত্মমগ্নতাৰ নাম কি কোৱা
এই যে তেওঁ পাহৰণি নামৰ অৰণ্যত গুণগুনাই চুৰেটোৰ গুঠি থাকে
এই যে তেওঁ সোৱৰণী নামৰ বাগিচাত
উচুপি উচুপি কাৰোবালৈ মনত পেলায় সংগোপনে

এই যে তেওঁৰ জীৱন শোকৰ দহন বিষনতাৰ পাঠ
এই অ'ভাৰব্ৰীজেৰে গৈ গৈ মই তেওঁৰ সেই অৰণ্য সেই
বাগিচা, সেই দহন, সেই পাঠ
বিচাৰি বিচাৰি চলাথ কৰিম
তেওঁৰ নিদ্ৰাৰ আভ্যন্তৰত ইমৰোজ
ইমৰোজ, তেওঁৰ হৃদয়লৈ নিৰ্মিত এই অ'ভাৰব্ৰীজৰ
সকলো কাম ৰাতিৰ ভিতৰতে সমাপ্ত কৰা।



## আঘোণৰ পথাৰ

চন্দামিতা দেৱী
স্নাতক, তৃতীয় বৰ্ষ

আঘোণৰ কুঁৱলীযুক্ত নীলাকাশ
পথাৰত মই অকলে আছো ৰৈ
মাথো তোমাৰ বাবে,
তুমি নুবুজিবা
কেনেকৈ কটাও
আঘোণৰ সন্ধিয়া,
কেনেকৈ কটাও
নিয়ঁৰৰ টোপালবোৰৰ মাজত?
আৰু কেনেকৈ কটাও
নিৰ্জন দুপৰীয়া আঘোণৰ পথাৰত?
সেই কোমল বতাহজাকে
মোক লৈ যায় অতীতলৈ
সোঁৱৰাই অতীতৰ স্মৃতি
আৰু নিয়ৰবোৰে?
চুলিৰ ফাঁকত বিৰিঙি
তোমাৰ নিচিনাই হাঁহে
মাতে আঘোণৰ পথাৰত
দুয়ো দুয়োক সাবটি লবলৈ,
মই অকলে ৰৈ আছো
মথো তোমাৰ বাবে।
(থিতাতে লিখা কবিতাৰ প্ৰথম পুৰস্কাৰ প্ৰাপ্ত)

## আঘোণৰ পথাৰ

গণেশ কলিতা
স্নাতক, দ্বিতীয় বৰ্ষ

আঘোণৰ পথাৰৰ
সোণ বৰণীয়া ধানবোৰত
পাতে নিয়ৰে দলিচা;
সূৰ্যৰ কোমল পৰশত
নিয়ৰৰ টোপালবোৰৰ
বৃদ্ধি পায় উজ্বলতা।
এই আঘোণৰ পথাৰতে
বালিমাহী চৰায়ে কথা পাতে
ধানবোৰৰ লগত মনে মনে
অতি গোপনে।
হৃদয় পৰশ, মন মুহি যোৱা
এই ধাননি পথাৰখনেই
কৃষকৰ আশাৰ সম্বল
হৃদয়ৰ কম্পন, মনৰ আত্মা।
আঘোণৰ পথাৰখনে কৃষকক দিয়ে
সাহস,শক্তি আৰু আনন্দ।
ধানবোৰ দাই আনোতে হোৱা
ধানৰ ৰজন জনোৱা শব্দই
ৰাইজৰ মন মুহি পেলায়।
নৱৌ আহি পথাৰত গুজে
এগচি,দুগচি কৈ
সেই পথাৰেই হৈ পৰে
আঘোণ মাহৰ ৰঙচঙীয়া হৈ।
(থিতাতে লিখা কবিতাৰ দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত)

## মৌনতা

দীপাংকৰ দাস
স্নাতক, দ্বিতীয় বৰ্ষ



মৌনতা শব্দশূন্য এটি মুহূৰ্ত
অথচ-
প্ৰবল অনুভূতিৰ এক নিজস্ব ঠাই,
বহু সময়ত বহু কথা কয় মৌনতাই
গছৰ পাত সৰে...
তাৰ অস্তিত্বৰ উমান দিয়ে আমাক
মৌনতা কবিৰ বৰ প্ৰিয়
তাৰ বুকুত কবিতা ৰচে কবিয়ে
মৌনতা গৰ্ভৱতী হয় কবিৰ কলমত,
মৌনতা ৰাতিৰ আন্ধাৰত বৰ সুখী
কিয়নো -
তাৰ ওচৰত নতশিৰ সকলো
সকলো উলংগ হয় মৌনতাৰ ওচৰত
উলংগ হয় প্ৰেমিক প্ৰেমিকাৰ সপোন
সকলো জানে মৌনতাই...
মৌনতা শব্দশূন্য এটি মুহূৰ্ত
অথচ-
প্ৰবল অনুভূতিৰ এক নিজস্ব ঠাই।
(কবিতা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰাপ্ত)



## সময়

দীপজ্যোতি শৰ্মা
স্নাতক, প্ৰথম বৰ্ষ

সময় তোক জেপত ভৰাই লওঁ
থাকিবিনে মোৰ জেপত, নে গুচি যাবি
মই মানুহৰ বয়স চিনি নাপাওঁ।
তই বয়সতো ধৰি ৰাখিব নোৱাৰ,
সময়, তোৰ লগত মোৰ
প্ৰেম কৰিব ইচ্ছা গৈছে
তই মোক ভাল পাবিনে ?
তই যদি মোক ভাল পাৱ
তোক মই ৰাখি থৈ দিম ৰবি
সময় তয়েতো শিকালি
ৰাগিয়াল বস্তু খাবলৈ
আৰু সেই চিগাৰেটৰ ধোঁৱাত
দুখবোৰক সুখৰ স্মৃতি কৰি লবলৈ।
অনুভুতি থাকে কাৰণে, চিকাৰেট খাওঁ
নাখালে তোৰ কথা ভাবিম কেনেকৈ।
সময় তোৰ মাথো এটি ফুলে কেতিয়াও
বসন্তৰ আগমন ঘটাব নোৱাৰে।
(কবিতা প্ৰতিযোগিতাৰ দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত)

## আশা

অৰূপ কলিতা
প্ৰথম বৰ্ষ

এবুকু মৰম তোমালৈ থৈ দিলো
আহি লৈ যাবা
স্নিগ্ধ জোনাকত ওলমি আছে
অলেখ সপোন...!
তুমি আহি পুৰ কৰিবা।
জোনাকো আজি ব্যৰ্থ হৈ পৰিছে
তোমাৰ অবিহনে ...।
কেৱল তোমাৰ অবিহনে
এবাৰ তুমি চাই যাবা
কিদৰে আছো মই
কাইটিয়া গছত বাঁহ সাজি
চকুলোৰ সাগৰত বুৰ গৈ
তুমি কাষত থাকিলে পূৰ্ণহ'লহেতেন
মোৰ আধা লিখা কবিতাবোৰ
তুমি কাষত থাকিলে পূৰ্ণ হ'লহেতেন
মোৰ প্ৰিয় সপোনবোৰ
আহিবাচোন এবাৰ চাবলৈ
মই কিদৰে নিঃসংগতাত বাস কৰিছো
আহিবা জানো
মোৰ অৰ্দ্ধ জীৱন পুৰ কৰিবলৈ।





## শৰৎ এতিয়াও তেনেকৈয়ে আহেনে

সুৰঞ্জিতা গোস্বামী
প্ৰথম বৰ্ষ

শৰৎ এতিয়াও তেনেকৈয়ে আহেনে ?
হয়তো আহিব লাগেই বাবে আহে
কহুবা এতিয়াও তেনেকৈয়ে ফুলেনে ?
নুফুলে কহুৱা শেৱালী সুগন্ধত
আমোলমোল নহয় পদুলিমুখ
চিজিন ফ্লাৱাৰে ভৰি থাকে পদুলিমুখ
নাই আজি সেই জোনাক নিশা
আকাশৰ তলত নগাধাৰিত বহি
ককাৰ মুখত সাধুশুনা দিন।
গভীৰ লাইটৰ পোহৰৰে ভৰি থাকে চোতাল
নাই আজি সেই জোনাকী পৰুৱাৰ
লানি নিচিগা জিকমিকনি
আছে মাথো সকলোতে
ন'কিয়া,এল.জি,ছেমছাং
মোবাইল হেনছেটৰ ৰঙীন পোহৰৰ
ৰঙীন তিৰবিৰণি
(কবিতা প্ৰতিযোগিতাৰ তৃতীয় পুৰস্কাৰ প্ৰাপ্ত)

## তুমি আকৌ আহিবানে

গুনিন কলিতা
স্নাতক, প্ৰথম বৰ্ষ

তুমি আহিছিলা মোৰ জীৱনলৈ
এটি পৰিভ্ৰমী পক্ষী হৈ।
বসন্তৰ লগে লগে তুমি আহিছিলা
মোৰ কাষলৈ।
তোমাক কাষত পাই পাইছিলো
এটি নতুন জীৱন।
গ্ৰীষ্মই উতলা কৰি থৈ যোৱা হিয়াত,
তোমাৰ মৌ ববষা মাতে
পেলাইছিল শাঁত।
বৰ্ষাই ধুই নিয়া জীৱনত,
তোমাৰ লাহী হাতৰ পৰশে দিছিল
এটি নতুন আনন্দ।
শৰতৰ শাৰদীয় বতৰত,
তোমাৰ মৰমে দিছিল
জীয়াই থকাৰ প্ৰেৰণা।
হেমন্তৰ শেমেকা ৰাতিত,
তুমি নিৰ্দয় ভাৱে আঁতৰি গ'লাগৈ
মোৰ মনৰ কঁহুৱা বন ভাঙি।
শীতৰ হিম কপোৱা চেঁচাত,
নিজানত অকলে বহি
ৰচিছো বিষাদৰ গান।
বসন্তৰ লগে লগে তুমি আকৌ আহিবানে
মোৰ কাষলৈ,
অতীতৰ মধুৰ স্মৃতি বিচাৰি।
মই তাৰেই আশাত ৰৈ থাকিম
ওৰেই জীৱন।

## জোনাক ৰাতি

মিন্টু কলিতা
স্নাতক, দ্বিতীয় বৰ্ষ

তুমি এদিন আহিবা
সময় পালে
মোৰ জুপুৰীলৈ
পাৰিলে জোনাক ৰাতি আহিবা;
জোনাকৰ পোহৰত
মই তোমাক চাই থাকিম,
মোৰ উকণ্ডা পদুলিৰ পৰা
আৰু তোমাক মৰম দিম;
হৃদয়ৰ সেউজী কোণৰ পৰা।
তুমি মোলৈ চাই যেতিয়া হাঁহিবা
আনন্দৰ জোৱাৰ উঠিব
মোৰ ভগা হৃদয়ৰ পৰা ;
সুখৰ চকুলো নিগৰিব
মোৰ দুচকুৰ পৰা।
মনত জানো তুমি মোক ৰাখিবা,
চিৰদিন...
অন্তৰৰ পৰা...
তুমি জোনাক ৰাতিয়েই আহিবা।।

## এখন ছবি দেখি

জগদীশ কলিতা
স্নাতক, প্ৰথম বৰ্ষ

সন্মুখত এখন যুঁজৰ পথাৰ!
মৰাশবোৰ লৈ কাউৰী শগুণৰ টনা-আজোৰা।
বিধ্বংসিত এখন নগৰী;
নিদ্ৰাভগ্ন ৰজনী।
চৌদিশে এক সমৰ সজ্জা
ধুসৰিত এক ভয়াবহ ৰণক্ষেত্ৰ।
ক্ষেপণাস্ত্ৰৰ নিৰ্মম আঘাত;
বন্দুকৰ কাণ তালমৰা আৱাজ
গৃহহাৰা জনতাৰ আকুল কণ্ঠস্বৰ।
প্ৰশান্ত পৰ্বত চৰাইবোৰৰ অশান্ত ৰেহৰূপ;
নিৰবিচিন্ন সৈনিকৰ আহা-য়াহ।
শীতৰ প্ৰকোপত জঠৰ নোহোৱা এচাম সৈনিক!
গ্ৰীষ্মৰ উত্তাপতো সিহঁত নহয় ক্লান্ত
চকুত প্ৰবাহিত হয় স্বদেশপ্ৰেমৰ অনুপম ধাৰা।
অগ্ৰগামী অভিযানত সিহঁত মাথো ব্যস্ত।
শতৰুৰ কেঁচা তেজত পায় সাহসৰ স্নিগ্ধতা;
হৃদয়ত উত্তেজিত হয় জয়যাত্ৰা।
মনত আত্মবিশ্বাসৰ পতাকা;
বৰফ গলিলেও যেন হৃদয় নগলে
সন্তুষ্টি লভে মাথো জয়যাত্ৰাত।



## মহাবিদ্যালয়

দীপাঞ্জলী ৰয়
স্নাতক, প্ৰথম বৰ্ষ

এই বিশাল পৃথিৱীৰ বুকুত
আছে এখনি পাটাছাবকুছি নামে ঠাই,
তাতেই আছে মোৰ অতিকৈ প্ৰাণৰ
শিক্ষাৰ আলয় নিৰ্মল হালৈ মহাবিদ্যালয়।
প্ৰকৃতিৰ কোমল বুকুত জিলিকি উঠিছে
এই জ্ঞানৰ ভঁৰাল।
ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ একতাৰ
বান্ধোনেৰে গঢ়ি উঠিছে এই
নিৰ্মল হালৈ মহাবিদ্যালয়।
য'ত শিক্ষক-শিক্ষয়িত্ৰীয়ে আঙুলিয়াই দিয়ে
জ্ঞানৰ মন্ত্ৰ।।
যি মন্ত্ৰ লৈ আমি আগ বাঢ়িম
জ্ঞানৰ পূজাত নিজকে আহুতি দিবলৈ।

## বিষাদ

মিচ্ গীতুমনি তালুকদাৰ
স্নাতক, দ্বিতীয় বৰ্ষ

কিয় জানো তুমি মোক
পাহৰি গ'লা?
মই একোকে গম নাপলো;
মোৰ জানো কৰ'বাত ভুল হৈছে?
নে, তুমি মোৰ কাৰণে তোমাৰ
জীৱনৰ বাটত কৰবাত উজুটি খালা?
মই ধৰিব নোৱাৰিলো।

তোমাৰ কথা ভাবিলে মোৰ
এনেকুৱা লাগে যেন
তুমি মোৰ পৰা আঁতৰি গৈছা,
বহু দূৰলৈ, কিন্তু মোৰ মনে
এইটো বিশ্বাস নকৰে বা
মানিবলৈ প্ৰস্তুত নহয়।

তুমি যেতিয়া মোক ভাল পাইছিলা
তেতিয়া মই ভবিছিলো মই বৰ সুখী
যেতিয়া, তুমি মোৰ পৰা আঁতৰি গলা
তেতিয়া, মই অনুভৱ কৰিলো যে মই বৰ দুখী
মই আশা ৰখিছো, যেন মোৰ জীৱনলৈ
আকৌ সুখ আহিব।
এবাৰ তুমি উভতি আহিলে।





## নাৰী

অৰ্চনা কলিতা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

নাৰী! সঁচাকৈয়ে, তুমি অনন্যা।
তোমাৰ এটি শব্দই,
কাৰোবাক দিয়ে প্ৰেৰণা,
কাৰোবাক দিয়ে বেদনা।
তোমাৰ এটি হাঁহিয়ে
কাৰোবাক দিয়ে সান্ত্বনা,
কাৰোবাক দিয়ে যন্ত্ৰণা।
সঁচাকৈয়ে, তুমি অনন্যা।
তোমাৰ প্ৰেৰণাই
কাৰোবাক লৈ যায় যশস্যাৰ উৰ্ধলৈ,
তোমাৰ প্ৰতাৰণাই
কাৰোবাক লৈ যায় ধ্বংসৰ গৰাহলৈ।
সঁচাকৈয়ে, তুমি অনন্যা।



## তোমাক হেৰুওৱা বেদনাত

মিজানুৰ ৰহমান
স্নাতক প্ৰথম বাৰ্ষিক

স্মৃতিবোৰে উচুপি উঠিছিল,
চিঠিবোৰে চকুলো টুকিছিল,
সপোনবোৰ ভাঙি চুৰমাৰ হৈছিল
তোমাক হেৰুৱাৰ বেদনাত!
মনৰ আকাশত কলা ডাৱৰ,
হৃদয়ৰ দূৰৰিত দুখৰ নিয়ৰ,
তোমাক হেৰুৱাৰ বেদনাত!
অশ্ৰু ভৰা উজাগৰী নিশা,
নিস্তব্ধতাৰ ৰাতিপুৱা,
তোমাক হেৰুওৱাৰ বেদনাত!
বেদনাৰ জুইত জ্বলিছিল
ক'ত আশা, ক'ত কল্পনা
ক'ত সপোন
তোমাক হেৰুৱাৰ বেদনাত!



## মই এটা কবিতা লিখিম

দিগন্ত হালৈ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

মই এটি কবিতা লিখিম
সুপ্ত প্ৰতিভাক বিকশিত কৰিম।
স্বদেশত কৰিম নতুনৰ সৃষ্টি,
অতীতবোৰ হ'ব কৰুণ স্মৃতি।
দুৰ্ভগীয়াৰ দুখৰ হ'ব অৱসান,
নিৱনুৱাই পাব উপযুক্ত সংস্থান।
চৰাইবোৰে মুক্তমনে কৰিব বিচৰণ,
সন্ত্ৰাসহীন পৰিৱেশ হ'ব বিতোপন।
সকলোৱে বুকু ফিন্দাই স্বদেশৰ গান গাব,
শুভক্ষণত কবিৰ নামত স্মৰণ কৰিব।
সকলোবোৰ সমস্যাৰ অৱসান ঘটিব,
মাতৃভূমিত সোণৰ অসম পুনৰ প্ৰতিষ্ঠা হ'ব।
দেশৰ বিপথগামী গতিক সাহসেৰে ৰুদ্ধ কৰিম,
জীৱন দি হ'লেও বিপদৰপৰা দেশক তৰিম।
দেশৰ অস্তিত্ব ৰক্ষাৰ কথা সকলোকে কম,
সকলোৰে দৃষ্টিত মই আদৰ্শ হৈ ৰম।
নৱ প্ৰজন্মৰ জাতীয় চেতনা হ'ব জাগ্ৰিত,
কবিতাতে সকলো সমস্যা উত্থাপিত কৰিম ।
নহ'বা নহ'বা বন্ধু দেশৰ দুখত খুন্ন,
অচিৰেই হ'ব এটি কবিতাৰ জন্ম।
চেনেহীৰে দুখ আমি কেনেকৈ সহিম,
সেয়ে,শীঘ্ৰে মই এটি কবিতা লিখিম।।

## শিল্পী

টিনা ডেকা
স্নাতক, প্ৰথম বৰ্ষ

হে শিল্পী।
তোমাৰ প্ৰেমৰ তুলিকাৰে
আঁকিব নালাগে তোমাৰ প্ৰেয়সীৰ ছবি
লিখিব নালাগে তোমাৰ প্ৰেয়সীৰ কবিতা,
মাথো লিখি যোৱা সেই উনৈশ এপ্ৰিলৰ
অভিসপ্ত নিশাটোৰ চিৰযুগমীয়া স্মৃতিক
আঁকি যোৱা চৌষষ্ঠিজনৰ মুহূৰ্তেতে
নুমাই যোৱা জীৱনৰ বন্তিক।
তুমি আঁকিব নালাগে মনালিছা
প্ৰয়োজন মাথো মানৱতাৰ।
হে শিল্পী,তুমি আঁকি যোৱা
বিগত আৰু সম্প্ৰীতিৰ বাস্তৱক
আঁকি যোৱা সেই উনৈশ এপ্ৰিলৰ
কণমানি সকলৰ কপি উঠা উচুপনিক।
শিল্পী তুমি আঁকা ৰূঢ় বাস্তৱক
তোমাৰ হাতৰ সবল তুলিকাৰে,
সেই নিঠৰুৱা হাতে পাওঁক ভাষা
যিয়ে হেৰুৱালে সৰ্বস্ব মানুহৰ বৰ্বৰতা হেতু
শিল্পী তুমি নৰ'বা, মাথো আঁকি যোৱা।
পৰশু কুঠাৰৰ দৰে হওক তোমাৰ তুলিকা
পুৰণি আবৰ্জনা কাটি গঠন কৰা নতুন সমাজ
জন্ম হওক এটা নতুন সূৰুযৰ
আঁতৰাই পেলাওঁক হিংসা,হত্যা
আৰু নিষ্ঠুৰতা,
গোটেই পৃথিৱীলৈ নামি আহক
শান্তিৰ বৰষা।
সৰ্বত্ৰতে প্ৰতিষ্ঠা হওক
সৰ্বহাৰাৰ সম অধিকাৰ।



## নাৰী

ৰিম্পি গোস্বামী
স্নাতক, দ্বিতীয় বৰ্ষ

হে' নাৰী তুমি সচাকৈয়ে মহান
তোমাৰ গৰ্ভতেই এই পৃথিৱীখন
দেখা পালো।
আই তুমি বাৰু বৰ কষ্ট পাইছিলা
দহ মাহ,দহ দিন তুমি কেনেকে কটাইছিলা ?
তুমি নহলে যে সৃষ্টি অন্ধকাৰ।
এই পৃথিৱীৰ মানুহবোৰে তোমাক
দুই ধৰণে ব্যৱহাৰ কৰে।
এচাম মানুহে তোমাক দেৱীৰ আসনত
বহুৱাই ধূপ-ধূনা,শংখ্য-ঘন্টাৰে
পূজা কৰে।
আৰু আন এচামে তোমাৰ ওপৰত
নানা ধৰণৰ অত্যাচাৰ কৰে।
যৌতুকৰ বিনিময়ত গাত কেৰাচিন
ঢালি জুই জ্বলাই দিয়ে,ডিঙি চেপি
হত্যা কৰে, বলৎকাৰ কৰে আৰু শেষত
গুৱাহাটীৰ নিচিনা চহৰৰ মাজ মজিয়াত
তোমাক উলংগ কৰাও দেখা যায়।
ইমানবোৰ অত্যাচাৰ কৰাৰ পিছতো কিন্তু
তুমি সতী জয়মতী হৈয়ে থাকা।
হে নাৰী, তুমি সাহসী হোৱা
তোমাৰ ওপৰত কৰা অত্যাচাৰৰ বিৰুদ্ধে
প্ৰতিবাদ কৰিবলৈ।
কিয়নো তুমি যুগে যুগে এগৰাকী
সবল নাৰী।









# The myth and O'Neill's plays

Kishore Kumar Sarma
Depptt. of English

"The article is dedicated to my friend-an English teacher Dwipen Mazumdar"

Eugenc O'Neill (1888-1953) was the architect behind the change that came over American theatre in the 1920's and 1930's the greatest period in its history. O'Neill wrote about things of contemporary interest; gave American drama its requisite genius and authority, dynamism and force.The theatre critic Joreph Wood Krutch in his book 'American Drama Since 1918' stated 'In February 1915, an enthusiastic group of young amateurs calling themselves the washington square players waved a solemn manifesto in the face of New York Drama critics and opened the Bandbox theattre near the corner of 57th Street and Third Avenw one andahalf year later, another group equally young and equally enthusiastic came home from a summer on Cape cod to take possession of a stable in Mac Dougal Street to be known thereafter as the provincetown theatre. Rugenc O'Neill acted a role in 'Bound East of Cardiff' had been once on Third Avenue,was born again in Macdougal street.

Modern American drama, by common critical consent,begins with Eugenc O'Neill. O'Neill's ploys so firmly limits American dramatic horizons that anyone but the expert has difficulpy recalling the best known plays, or even the names,of his immediate preducssors.The mainstream of American dramatic tradition was a melodramatic romanticism.Before O'Neill,American playwrights like Augustus Thomas, William Vaughan Moody, William Gillette, Percy Mackaye, Clyde Fitch-were all bound to a formula which now seems very remote.This melodramatic formula enshrined a simple and orthodox set of American attitudes : virtue was always properly rewarded and vice punished;a pure heart and dogged Industry always triumphed over adversity, an even-handed Deity helped those who helped themselves, evildoers inevitably came to no good, human nature always bows gracefully to the inevitable,the wages of sin is death and so on.These attitudes and the dramatic formula reflected a remi-official attitude toward life and human nature and served the popular play-wright for a century-and-a half,from 'The contrast' through secret service' and 'The Heart of Maryland'.

The traditional melodramatic romanticism, which offered its audiences senti-

ment, excitement, moral aphorisms and personalities ; remained in vogue till the civil war and Revolutionary eras.The playwrights then began to dress the traditional formula with lavish stage settings, richly costumed leading actors. But those plays had little to do with life. O' Neill spent his boyhood and early youth with one of the most successful versons of this formula.

In order to destroy one tradition,the playwright must create another. When O'Neill rejected the conventional formula, he had to forge his own form. So his dramatic career is a series of experimental efforts to find a satisfactory vehicle for 'life'. O' Neill wanted to write about contemporary life.The life he knew best was his own. His experimental method consisted in casting about for ways to embody his experience,in trying verious approaches that range from stern 'realism' in 'Desire under the Elms' and 'Beyond the Horizon', to expressionism in 'The Hairy Ape' and 'Emperor Jones', to adaptations of Greek and Renaissance stage conventions like the mask and chorus or the aside.He was never satisfied;he would not settle for forms that did not encompass the whole of life.Drama,he said,had to deal with life: "fate, god, our biological past creating our Present,Mystery,Certainly"; this was the only subject worth writing about. Beyond the stereotyped message that 'adjustment is all', and in ironic contrast to it, there is in 'Mourning Becomes Electra' an over whelming,unrelenting sense of the imminence of Death.The events of the plot- murder, murder-suicide, suicide, immurement- objectify this sense as does the sepulchral facade of the Mannon house.Death is the goal of O'Neill's Puritan;he meditates on it, he walks in its shadow, he lives for it.Since this Puritanism does not include a theological dimension, Death is an end in itself,not a passage to another world.

In O'Neill's play the 'crimes' are rooted in the character's subconscious. and the feeling of guilt is unlimited because it proceeds from the puritan sense of damnation.The sin of pride means to O'Neill what it does to Jung : Man is in fatal error when he assumes that his conscious ego can fulfill all his needs without acknowledgement of the power of the unconscious, the equivalent of the gods.

Finally, the epiphany in 'Mourning Becomes Electra' is a vision of Death, of existential nothingness the individual confronted by the void. 'Rebirth' and purgation become simple release from suffering through suicide or self immurement.The action of 'Mourning Becomes Electra' turns in an ever-tightening circle; its univers is bounded on every side by a void. There is no escape from experience, from guilt, from time. So, O'Neill reflects, in his final plays,a major preoccupation of "mythless" modern man.❑





# Dickens and Thackeray as a Novelist

Nirmali Mahanta Choudhury
H. O. D.,English

It may be said that English novel like other litarary or any art forms is continuously developing phenomenon and its roots can be traced back to much earlier .The victorian novel with all its strength and maturity,was in many respscts, an improvement upon the 18th century novel;the 18th novel itself seems to have drawn some influence from the romance like fiction written by some Elizabethan writers. But there is no doubt that the victorian period (1830-1890) is one of the most fertile periods for the growth and development of English novel and novel has made a phenomenal progress. There are many prominent novelists of victorian age,such as Disraeli,Trollope,Dickens,Thackeray,Kinglake,Mrs Gaskall,the Bronte sisters,George Eliot,Meridith,Thomas Handyand many others.Among them Charles Dickens and William Makepeace Thackeray are two champion novelists of the early victorian generation who enjoyed overwhelming popularity among the reading public of the time.

Dickens and Thackeray were typically victorian novelists for which they may be called the most representative writers of their own time.They worked under the shadow of a conscious social responsibility and with a purpose.Like all victorian they fully reflected the feelings and thoughts of the early victorian generations,they identified themselves with their age and were its spoksman.Instead of seeking inspiration from the middle ages or the world of romance,they concentrated on the social, political and economic aspects of the victorian society.Thackeray and Dickens were born in 1811and1812 respectively and they criticize their age but they accept the prevalent customs and social institution.Both of them seemed to have belief that literature has a definite goal that is to change the society.

Dickens' father was a clerk in a navy office but he had to live a debtor's life as he could not meet both ends with his litlle income.It was under the stress of financial dificulties,Dickens had to leave his school at the age of eleven.He had to suffer a lot until he rose into prominence as a writer.Born amidst proverty and it is natural that his novels are in most cases record the poor and the oppressed.

Dickens started his career as a reporter of magazine named 'Sketch by Boz' and it was moderately well known in that capacity.But he had the willingness to become an actor and he was in "Convent Gar-

den Theater" for a few years.So,as an actor and as a reporter he had gatherd knowledge of his contemporary society and 'Sketch by Boz' was a glorious beginning by which Dickens earned one hundred and fifty pound as his loyalty and soon he published 'The Piclewick Papers'.'The Piclewick Papers' brought immense success to his life which was written in the style of Smollel.It's plot is formless,crowded with humorous figures.The novel was full of vitality and merriment by which the British public was much delighted.It inspires Dickens to produce 'Oliver Twist' and 'Nicholas Nickleby' in which he added new elements,instead of humour,such as pathos and cruelty of his time.In 1840,Dickens framed his next work 'Old Curiosity Shop'.His 'Barn-by Rudge' is a historical novel and 'Martin Chuzzlewit' is moral and social novel.After 'Dombey and Son' Dickens produced his most autobiographical novel 'David Coperfield' which is considered best among his later novels.'Black House' is Dickens' satirical novel and the novel "Little Dorrit" deals with a protest against the rotten prison system and "Circumlocution Office".Then Dickens composed his historical novel "A Tale of Two cities" which was published in 1859.Dickens was heavily influenced by carlyle's "French Revolution" and in this novel he reflects the shuddering events of French Revolution.

All Dickens' novels are eriched with autobiographical touches which gives a realistic impression to his production.He has persisted immensily on his experiences of poverty and suffering of his childhood.Whatever he writes about the proverty stricken,the horrble educational system,the hell of prison life he recolls his own experiences and those of his father.Further, Dickens is genius in reflecting the heart rendering picture of children suffering in the poor houses and slums of his age.In all his novels there is an attack upon some legal and social evil.He may even be called a moralist and his morality consists in honesty,straight forwardness and making the world a better place to live in.His love of mankind has placed him on a much higher place than all his contemporaries.Moreover Dickens was endowed with a fertile imagination by which he could make good stories out of ordinary incidents for which many critics comment that Dickens' realism is marred by his fantastic imagination.But Dickens is not expert in portraying psychological aspects of the characters and aristrocratic people.But Dickens is one of the great humanitarian novelists of England.He is an entertainer,a champion of the poor and the oppressed,a social thinker ,a social reformer,a purveyor of humour and pathos,which have given him a more prominent place in history of the novel.

William Makepeace Thackeray was another great victorian novelist,an Anglo Indian who showed some striking contrast to Dickens in some aspects.As a novelist,Thackeray was never a "crusader" and nor a social reformer as he does not accept Dickens' concept of novel.Again Thackeray's range of character appears to be limited in comparison to Dickens'He kept close to the world he knew and did not creat a vast world of fantasy like Dickens.Moreover Dickens dealt with the middle class society.While thackeray was



concerned with the upper class society.Further,Dickens was somewhat emotional and may be called a romantist. While Thackeray was more a realist and also satirist.Dickens has humour and pathos but Thackeray's novels are enriched with satire.

After the publication of "Vanity Fair" Thackeray was recognized as one of the great novelists of the day."Vanity Fair"is a novel without a hero,in which Thackeray reflects an authentic picture of upper middle class round about the period of the Napoleonic wars who live is the big new Bloom bury Squares.The novel is a satire on the vanities that are common to all human bieng of his time.Specially it is satiric exposure of the snobbery,materalism,false money value and craze for social climbing of upper middle class of English society in the first half of the 19th century.

"Pendemnis" is the second novel of the Thackeray in which autobiographical element seems to be very strong.The story runs with the doings of a young man, Pendemnis, whose early career bears close resemblance to Thackeray's own life."The History Of Henry Esmond"is Thackeray's historical novel which deals with the reign of William III and Queen Anne.In this novel,the element of satire and tone of cynicism are surpassed by realism.In "The Newcomes", Thackeray portrays London society.This novel is perhaps Thackeray's most tragic and pathetic.His last novel "The Virgians" contains a vivid picture of immoral and unprincipled society of the day and the later part of the novel deals with the American war of Independence.

Anyway,Thackeray's novels make it clear that Thackeray is a realist.He has painted life as he saw,through his satiric vision.His realism is strikingly different from that of Dickens and also from French Naturalists.The world that he portrays is piculiarly victorian,more occupied with the passing of customs and cannons of victorian age.Moreover he is a satirist as well as a moralist as he exposes the follies of human beings and the beauty of virtue.His method as a moralist was often to present a realistic view of life and to leav e the reader to draw a moral to himself.As a novelist his weakness is due to the influence of age and he was bound to follow the victorian society's prudery.In this regard Diana Neill comments "His Weakness spring from the limitations imposed on him by the age in which he lived and from which he consciously suffered".However,despite the limitations,Thackeray occupies a high place among the victorian novelists.

